মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ
তিনিচুকীয়া মহাবিদ্যালয়

# ঈক্ষা
# Eeksha

দশম সংখ্যা, ৮ মাৰ্চ, ২০২৫




Winning Art
Art by - Supriya Kumari

**'Accelerating Gender Equality'**

সম্পাদকদ্বয় ঃ ড° শেলী দত্ত
ড° পিংকী গগৈ

# 'ঈক্ষা'ৰ নেপথ্যত



কনক চন্দ্ৰ কলিতা
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়



ড° মণিকা দাস
(সমন্বয়ক আৰু উপদেষ্টা)



দীপশিখা শেনছোৱা
(সম্পাদক,
মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ)



ড° শেলী দত্ত
(সম্পাদক, 'ঈক্ষা' আলোচনী)



ড° পিংকী গগৈ
(সম্পাদক, 'ঈক্ষা' আলোচনী)



ড° ময়ূৰী শৰ্মা বৰুৱা
(উপদেষ্টা)



ড° মমী শ্যাম
(উপদেষ্টা)



লিপিকা বুঢ়াগোহাঁই
(উপদেষ্টা)



ড° ৰশ্মি দত্ত
(সদস্য)



ৰশ্মিতা বৰকটকী
(সদস্য)



প্ৰেৰণা দ'লৈ
(সদস্য)

# ঈক্ষা

*Eeksha*

দশম সংখ্যা, ৮ মাৰ্চ, ২০২৫

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়

*" I slept and dreamt that life was joy,*
*I awoke and saw that life was service.*
*I acted and behold, service was joy.*

*Rabindranath Tagore*

প্ৰতি,

..........................................................................................

..........................................................................................

সম্পাদকদ্বয় ঃ
ড০ শেলী দত্ত
ড০ পিংকী গগৈ

'ঈক্ষা', দশম সংখ্যা, ২০২৫, তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপন কোষ IQACৰ আংশিক অৰ্থসাহায্যত 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ দ্বাৰা প্ৰকাশিত দ্বি-ভাষিক আলোচনী। ——————————

পৃষ্ঠপোষক : কনক চন্দ্ৰ কলিতা
অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়

প্ৰকাশক : মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ, তিনিচুকীয়া মহাবিদ্যালয়

উপদেষ্টা : ড° মণিকা দাস
ড° ময়ূৰী শৰ্মা বৰুৱা
ড° মমী শ্যাম
লিপিকা বুঢ়াগোহাঁই

সম্পাদক : ড° শেলী দত্ত
ড° পিংকী গগৈ

সদস্য : ড° ৰশ্মি দত্ত
ৰশ্মিতা বৰকটকী
প্ৰেৰণা দ'লে

আৰ্হি পাঠক : সম্পাদনা সমিতি

বেটুপাত : সুপ্ৰিয়া কুমাৰী

মূল্য : ৫০.০০ টকা

মুদ্ৰণ : আলটিমেট টাচ্, তিনিচুকীয়া

(প্ৰৱন্ধসমূহত প্ৰকাশিত মন্তব্যৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।)

# -ঃ উচর্গা ঃ-

## বীৰুবালা ৰাভা

D.O.B. : 1954
Goalpara



D.O.D. : 13th
May, 2024
Guwahati

*"The fearless crusader against witch-hunting stands as a beacon of justice, challenging superstition and defending the voiceless with unwavering courage."*

Editorial Board

OFFICE OF THE PRINCIPAL
TINSUKIA COLLEGE
TINSUKIA - 786 125 ( ASSAM )
Established : 1956
Website: www.tinsukiacollege.in
Email: principaltinsukiacollege@rediffmail.com
☏ : 0374 - 2338340
(M) : 9435335719

Ref.No.TC/ Date: 07/03/2025



আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ উদ্যোগত প্ৰতিবছৰে প্ৰকাশ কৰাৰ দৰে এইবেলিও তেওঁলোকৰ দশম সংখ্যক 'ঈক্ষা' প্ৰকাশৰ মুখ দেখিবলৈ সাজু হৈছে। তদুপলক্ষে এই শুভ মুহূৰ্ত্তত মহাবিদ্যালয়ৰ অধ্যক্ষৰ মেজৰ পৰা মই 'ঈক্ষা'ৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰিলোঁ।

আশা কৰোঁ ঈক্ষাই এপাহি জ্ঞানপুষ্প হৈ পৃথিৱীৰ চৌপাশ সুগন্ধিত কৰি তুলিবলৈ সক্ষম হ'ব।

অধ্যক্ষ
তিনিচুকীয়া মহাবিদ্যালয়
PRINCIPAL
TINSUKIA COLLEGE
TINSUKIA

# FROM CO-ORDINATORS' DESK

It gives me immense pleasure for successful accomplishment of the publication of 10th issue of "Eeksha" in this year. Since its inception,"Eeksha" has been the testament of our mission to transmit awareness towards gender equality. Through the pages of Eeksha, the CWSD, Tinsukia College fraternity, tries to focus on the aspects of gender gap that should receive attention for understanding the true sense of wellbeing. History of women movement figures out that women are relatively deprived of every opportunity compared to male counterpart. From natality to mortality gender gap can be seen in different form. Realizing the consequences of this gap, in recent decades, although the aspect of gender equality gains its importance in the economic, social and political domains, still disparities exist in the realm of women's role as agency. Despite being educated, healthy and wealthy, women are lacking in decision making power. Inability of women to define a goal and act on them thus highlighted that only getting equal rights is not enough for gender equality, what is important is the creation of environment towards women's agency. Amartya Sen rightly said "To see individuals as entities that experience and have well-being is an important recognition, but to stop there would amount to a very restrictive view of the personhood of women." This year the theme of International Women's Day, 2025 "Accelerate Action" implies the urgency of collective actions as per as building women's personhood is concern. Our humble endeavor through Eeksha from gender equality end is to ensure that we all are interconnected and the variables work on us are interrelated.

I extend my heartfelt gratitude to everyone who have made it possible for Eeksha to bring forth such issue of significance: dear writers, editors and specially the readers.

Finally,I would like to take the opportunity to thank our principal Mr. Kanak Chandra Kalita for his support and encouragement towards CWSD. I congratulate the editorial board and specially the editors of this issue of Eeksha for its successful release. 'Looking forward to many more years of 'Eeksha'.

(Dr. Monika Das)
Coordinator
Cell for Women's Studies and Development
Tinsukia College, Tinsukia
Dated: 8th March, 2025

# সম্পাদকীয় ঃ—

"A gender-equal society would be one where the word 'gender' does not exist : where eveyone can be themselves."

- Gloria Steinem

প্ৰতিটো শিশুৰে তাৰ পূৰ্ণ সম্ভাৱনাত উপনীত হোৱাৰ যোগ্য, কিন্তু সিহঁতৰ জীৱনত আৰু যিসকলে সিহঁতৰ যত্ন লয় তেওঁলোকৰ জীৱনত লিংগ বৈষম্যই এই বাস্তৱতাক বাধা দিয়ে। পাঠ্যপুথি, চিনেমা, টিউচন যোৱা আদিৰ পৰা আৰম্ভক কৰি সকলো ক্ষেত্ৰত লিংগ বৈষম্যৰ ফলত অসমান সুযোগৰ সৃষ্টি হয় আৰু এয়া মানসিকভাৱে ভাৰসাম্যহীনতাৰও প্ৰতিফলন ঘটাব পাৰে।

আজিৰ দিনত 'লিঙ্গ সমতা তৰান্বিতকৰণ' অকল ছোৱালীক নিৰ্দিষ্ট কৰা হৈছে বুলি নাভাবো। ইয়াত আছে পুৰুষৰ কথাও, আছে তৃতীয় লিংগৰ কথাও। সেই কাৰণতেই 'ঈক্ষা'ৰ এই দশম সংখ্যাত এটি কবিতা সন্নিবিষ্ট হৈছে 'শিখণ্ডীক' লৈও। আনহাতে নাৰীক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত পুৰুষৰ যে ডাঙৰ ভূমিকা আছে — এয়া কাহানিও অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু আজিৰ দিনত পুৰুষও অবাঞ্ছিত পৰিস্থিতিৰ চিকাৰ হৈছে। যিহেতু পৃথিৱীখন সকলোৰে বাবে, সেয়ে, ইয়াত সকলোৰে সমান অধিকাৰ আছে। লিংগ, জাতি, ধৰ্ম, বৰ্ণ, ভাষা আদিৰ ভিত্তিত কোনো বৈষম্য থাকিব নালাগে।

আৰ.জি. কৰ কলেজ কাণ্ড, থিং কাণ্ড আদিৰ বিকৃত মানসিকতাৰ ঘটনাই সমাজখন দূষিত কৰাৰ উপৰিও মানৱ জাতিৰ প্ৰতি অভিশাপ কঢ়িয়াই আনিছে। সেয়েহে, লিংগ সমতাৰ ত্বৰান্বিতকৰণৰ স্বাৰ্থত পুৰুষ, নাৰী আৰু অন্যান্য সকলোকে সু-শিক্ষাৰ মাজেৰে বিজ্ঞান প্ৰযুক্তি আৰু প্ৰয়োগৰ যোগেদি, ভাৱনাৰ উচ্চতম দিশৰ প্ৰতিফলন ঘটাই সমাজৰ লিংগ বৈষম্য দূৰীকৰণ ঘটোৱাৰ উদ্দেশ্যেই 'ঈক্ষা'ৰ এই দশম সংকলন।

- সম্পাদকদ্বয় ঃ
ড° শেলী দত্ত
ড° পিংকী গগৈ



# সূচীপত্ৰ ঃ—


| | | |
|---|---|---|
| ☞ Birubala Rabha : The Fearless Crusader against Witch-Hunting in Assam | - Dr. Roshmi Dutta | 1-4 |
| ☞ *ঐতিহাসিক পেৰিচ অলিম্পিক ২০২৪ - লিঙ্গ সমতা ৰক্ষাৰ অপূৰ্ব নিদৰ্শন* | - ড° অচ্যুত কুমাৰ বৰঠাকুৰ | 5-7 |
| ☞ *ৰজোনিবৃত্তি ঃ মহিলাৰ জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া* | - ড° ৰূপালী গগৈ | 8-10 |
| ☞ *ড০ আম্বেদকাৰৰ চিন্তাত নাৰীৰ অধিকাৰ* | - ড° হিমা হাজৰিকা দাস | 11-15 |
| ☞ *বৈষম্যৰ পৃথিৱীত লেখিকাৰ সংগ্ৰাম* | - অঞ্জনা গোস্বামী | 16-19 |
| ☞ *মাতৃ বন্দনা - এক নাৰীবাদী বিশ্লেষণ* | - ৰশ্মিতা বৰকটকী | 20-21 |
| ☞ *মৰণশীলতাত লিংগ পক্ষপাতিত্ব আৰু নিৰুদ্দিষ্ট নাৰী* | - ড° মণিকা দাস | 22-25 |
| ☞ *নাৰী মুক্তি; এক মাৰ্ক্সীয় বিশ্লেষণ* | - বৈকুণ্ঠ দাস | 26-32 |
| ☞ *ক্ৰীড়াক্ষেত্ৰত অসমীয়া নাৰী* | - ড° পংকজ শইকীয়া | 33-35 |
| ☞ *'ত'ত্তচান' খিড়িকী মুখত অকণিজনী* | - ড° ৰুবী বৰুৱা | 36-39 |
| ☞ *লিংগ বৈষম্য আৰু আমাৰ সমাজ ব্যৱস্থা* | - ড° পৰিণীতা দত্ত | 40-42 |
| ☞ *লিংগ বৈষম্য ঃ দৃষ্টিভংগীৰ মাজেৰে অন্য এক দৃষ্টিভংগী* | - লিপিকা বুঢ়াগোহাঁই | 43-45 |
| ☞ *লম্পটৰ অস্থি মজ্জা* | - ড° ময়ূৰী শৰ্মা বৰুৱা | 46-49 |
| ☞ When the shadows cry...... | - Prerana Doley | 50-55 |
| ☞ *সপোনৰ উটু পনি* | - ড° নৰমী বৰা | 56 |
| ☞ *নাৰী তুমি* | - মিষ্টু দত্ত | 57 |
| ☞ *ময়োতো সমাজৰে এটা অংশ* | - মন্টু মৰাণ | 58 |
| ☞ Women Empowerment through Women Entrepreneurship | - Dr. Sharadindu Bordoloi | 59-60 |
| ☞ The Prospects of Employment Opportunities among Women in Assam | - Dr. Nipen Nayak | 61-62 |
| ☞ Economic Empowerment of Women through an Intersectional Lens | - Ankit Sen | 63-66 |
| ☞ Balancing Tradition and Modernity | - Minu Chetry | 67-70 |
| ☞ CWSD Report (2024-2025) | - Deepsikha Sensua | 71-73 |

# Birubala Rabha :

*The Fearless Crusader against Witch-Hunting in Assam*

Dr. Roshmi Dutta
Associate Professor
Department of Political Science

Violence against vulnerable sections of society has persisted for centuries, disproportionately affecting groups such as children, women, and the differently-abled. Deep-seated social evils continue to weaken the fabric of civilization, with inequality serving as a formidable barrier to progress and development. Among the various forms of gender-based violence, witch-hunting stands out as one of the most barbaric manifestations of superstition and patriarchy. Despite advancements in science and education, this practice continues to thrive in several regions of India, including Assam.

The United Nations defines violence against women as any act that causes physical, sexual, or psychological harm. This includes domestic abuse, sexual harassment, dowry-related crimes, female infanticide, and witch-hunting. The conflict between scientific reasoning and superstitious beliefs has endured for centuries, with witch-hunting being one of the most perilous outcomes of irrationality.

The belief in witchcraft is deeply ingrained in various societies and cultures, particularly in rural areas where poverty, illiteracy, and inadequate healthcare prevail. In patriarchal societies, women are often relegated to subordinate roles, making them susceptible to accusations of witchcraft. These accusations serve as a tool for oppression, allowing perpetrators to seize property, punish defiance, or exact revenge on vulnerable individuals. Single women, widows, and elderly women are particularly targeted, further deepening their social ostracization.

Assam, known for its diverse indigenous cultures, has a long history of superstition and belief in supernatural forces. The practice of witch-hunting has been reported among various ethnic groups, including Ahoms, Biharis, Muslims, Rajbongshis, and Tea Garden communities. Despite legal interventions, the practice remains prevalent in districts like Barpeta, Charaideo, Dhubri, Dibrugarh, DimaHasao, Hailakandi, Hojai, Majuli, Morigaon, Karimganj, and South Salmara and Mankachar.

Accusations of witchcraft are often fueled by local witch doctors, known as ‘ojha,’ ‘bez,’ or ‘deodhani.’ These individuals claim to diagnose and remove spells cast by so-called

witches, leading to severe consequences for the accused. The victims are frequently tortured, exiled, or murdered. Furthermore, low literacy rates and inadequate healthcare services exacerbate the problem, as communities rely on traditional healers rather than medical professionals for treatment.

Witch-hunting remains a significant human rights issue in India. According to the National Crime Records Bureau (NCRB), between 2000 and 2001, 253 cases of witch-hunting were reported, and between 2008 and 2012, over 768 women were murdered due to witchcraft allegations. Assam, in particular, has seen a steady rise in such cases, especially among the Rabha, Hajong, Mishing, Bodo, and Adivasi communities.

Despite existing legal provisions under the Indian Penal Code (IPC), such as Section 302 (murder), Section 320 (grievous hurt), and Section 354 (assault on a woman's modesty), the conviction rate remains low, allowing the practice to continue with impunity.

One of the key organizations addressing witch-hunting in Assam is the Assam Mahila Samata Society (AMSS). Established in 1995 as part of the National Mahila Samakhya Programme, AMSS works to empower women through collective decision-making and awareness initiatives.

In Goalpara district, which has reported 51 cases of witch-hunting since 1998, AMSS has successfully rehabilitated numerous victims. Through village-level sanghas (women's groups), the organization educates communities about the dangers of superstition and advocates for women's rights.

Among the most influential figures in the fight against witch-hunting is Birubala Rabha, a fearless activist from Goalpara. Initially a believer in witchcraft, her perspective changed when a traditional healer falsely predicted her son's death. This incident led her to question superstitions and embark on a mission to rescue accused women. Despite facing severe social backlash and threats to her life, Birubala's activism has saved over 30 women. Her efforts led to the establishment of 'Mission Birubala,' a movement dedicated to eradicating witch-hunting. In recognition of her contributions, she was honoured with the Padma Shri in 2021.

Recognizing the gravity of the issue, the Assam government enacted the Assam Witch Hunting (Prohibition, Prevention, and Protection) Act in 2018. This legislation criminalizes witch-hunting and mandates stringent punishment for perpetrators. However, laws alone are insufficient; community engagement and education are crucial in eradicating this menace.

Project Prahari, launched by the Assam Police in 2001 under the leadership of former DGP Kuladhar Saikia, represents a unique approach to combating witch-hunting. Unlike traditional law enforcement strategies, this initiative emphasizes community involvement and education. By collaborating with activists like

Birubala Rabha, the project has successfully dismantled many cases of witch-hunting and transformed social attitudes. Awareness campaigns, legal interventions, and community dialogues have played a pivotal role in reducing incidents of violence against alleged witches.

Since witch-hunting is deeply embedded in tribal communities, addressing it requires a multi-pronged strategy:

- Education: Schools must incorporate discussions on superstitions and social evils to foster critical thinking among children.
- Healthcare Access: Improved medical facilities in rural areas can reduce dependency on traditional healers.
- Media Awareness: Print and electronic media should actively spread awareness about the dangers of witch-hunting.
- Women's Empowerment: Ensuring women's access to education and economic opportunities will help dismantle patriarchal structures that perpetuate violence.
- Community Mobilization: Grassroots organizations must continue working with vulnerable communities to challenge harmful traditions.

Witch-hunting is not just a superstition; it is a deeply rooted form of gender-based violence that thrives on ignorance, poverty, and patriarchy. Assam has made significant strides in addressing this issue through legal reforms and grassroots activism, but much work remains. Only through a combination of education, awareness, and strong legal frameworks can society hope to eliminate this archaic and brutal practice. The fight led by activists like Birubala Rabha and initiatives like Project Prahari serve as a beacon of hope, demonstrating that change is possible with sustained effort and collective action.

***References***


- Chakraborty, J., & Borah, A. (2013). Witch hunting in Assam: Strategizing alternative media for women empowerment and overcoming superstition. Journal of North East India Studies, 3(2), 15–24.
- Deepa, S. (2012, June 18). "Fire" as a gynotext: An answer to gender conditioning? In S. Murtaza& V. Patel (Eds.), Understanding women's issues: A feminist standpoint. NDT Women's University.
- Ghosh, S. (2012). Witch-hunting: A study of violence against women in India. Indian Journal of Gender Studies, 19(2), 249–272.
- Hazarika, M. (n.d.). [Title not provided]. Assam Science Society.
- Kalita, A. (n.d.). Witch hunting in Assam – Capital of black magic to national shame. Times of Assam.
- Madhukalya, A. (2018, May 2).

The 'witches' of Assam: Hunted, beheaded, and raped (Vol. 2).
- Majumdar, P. (Ed.). (2009–2010). Daini Jyotish Aru Aloukik Chikitsha. Student's Store. Vigyan Jeuti.
- National Crime Records Bureau. (2011). Crime in India: Annual report.
- Rajbangshi, H. (2019). The after effects of witch-hunting: Trauma, struggle, and revolution.Zubaan Publishers Pvt. Ltd., in collaboration with the Sasakawa Peace Foundation.
- Sharma, N. (2012, June 18). Women and the stigma of witch-hunting (With reference to Assam). In S. Murtaza & V. Patel (Eds.), Understanding Women's Issues: A Feminist Standpoint.
- Islam, N. (2019). Sanctioned violence in Assam: Development and persecution of women as witches in Assam. International Journal of Social Science and Economic Research, 4(4), [page numbers if available]. ISSN: 2455-8834.

*"There is no chance of the welfare of the world unless the conditon of women is improved. It is not possible for a bird to fly on one wing."*

**Swami Vivekananda**

# ঐতিহাসিক পেৰিচ অলিম্পিক ২০২৪
# - লিঙ্গ সমতা ৰক্ষাৰ অপূৰ্ব নিদৰ্শন

ড° অচ্যুত কুমাৰ বৰঠাকুৰ
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
ইতিহাস বিভাগ

মহিলাক অলিম্পিক ক্ৰীড়া সমাৰোহত অংশ গ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰা হয় ১৯০০ চনৰ পেৰিচ অলিম্পিকত। ১২৪ বছৰৰ পাছত এই পেৰিচতে ২০২৪ চনত অনুষ্ঠিত অলিম্পিকত লিঙ্গ সমতা ৰক্ষাৰ বাবে আন্তজাৰ্তিক অলিম্পিক কমিটীয়ে কৰা প্ৰচেষ্টাৰ সফল ৰূপায়ন ঘটে। মহিলা সবলীকৰণৰ দিশত পেৰিচ ২০২৪ অলিম্পিক ইতিহাসৰ পাতত সদায় জিলিকি থাকিব।

মানৱ জাতিৰ বাবে গ্ৰীকসকলৰ এক আপুৰুগীয়া অৱদান হ'ল অলিম্পিক। প্ৰতি অলিম্পিয়াডৰ শেষ বছৰত অলিম্পিক অনুষ্ঠিত হয়। লেটিন শব্দ 'অলিম্পিয়াড' হ'ল লিপ-ইয়েৰত সমাপ্ত হোৱা চাৰি বছৰৰ এক নিৰ্ধাৰিত সময়। অলিম্পিক আন্তৰাষ্ট্ৰীয় বুজাবুজি আৰু বন্ধুত্বৰ এক শক্তিশালী মাধ্যম। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ নীতি-নিৰ্দেশনা গ্ৰহণ কৰা প্ৰতিখন ৰাষ্ট্ৰই আধুনিক অলিম্পিকত অংশ ল'ব পাৰে। বিশ্বৰ হাজাৰ হাজাৰ ক্ৰীড়াবিদে গতি, শক্তি আৰু ক্ৰীড়া নৈপুণ্য প্ৰদৰ্শনৰ প্ৰতিযোগিতাৰ বাবে সমবেত হয় অলিম্পিক সমাৰোহত। এজন অলিম্পিয়ানৰ পাছত থাকে জীৱনজোৰা শৃঙ্খলা, সৰ্বোত্তম উদ্যম আৰু প্ৰতিভা।

অলিম্পিক ক্ৰীড়া সমাৰোহৰ আৰম্ভণি ঘটে ৭৭৬ খ্ৰীষ্টপূৰ্বত। প্ৰায় এহেজাৰ বছৰ অনুষ্ঠিত হোৱাৰ পাছত এই সমাৰোহৰ অস্তিত্ব লোপ পায়। উনৈশ শতিকাৰ শেষ ভাগত ফ্ৰান্সৰ চিন্তানায়ক বেৰ'ন পিয়েৰ দি কুবাৰ্টিনৰ প্ৰচেষ্টাত আধুনিক অলিম্পিকৰ জন্ম হয়।

অলিম্পিক সমাৰোহ কেৱল মুক্ত গ্ৰীক নাগৰিকৰ বাবেহে মুকলি আছিল। মহিলা আৰু দাসসকলে ইয়াত অংশ ল'ব নোৱাৰিছিল। অংশ লোৱাটো বাদেই, খেল উপভোগ কৰাৰ পৰাও মহিলা সকলক বাৰণ কৰা হৈছিল। অন্যথা শাস্তি আছিল মৃত্যুদণ্ড। কিন্তু এবাৰ এগৰাকী মহিলাই তেওঁ পুত্ৰৰ খেল উপভোগ কৰিবলৈ গোপনে ষ্টেডিয়ামত প্ৰৱেশ কৰিছিল। পুতেকৰ সফলতাত আত্মহাৰা হৈ চিৎকাৰ কৰাত তেওঁ ধৰা পৰে। অৱশ্যে তেওঁক ক্ষমা কৰা হয় আৰু অলিম্পিকৰ নিয়ম সংশোধন কৰি মহিলাক প্ৰথমতে দৰ্শক ৰূপে আৰু পাছলৈ অংশ গ্ৰহণৰো অনুমতি দিয়া হয়।

আচৰিতভাৱে ১৮৯৬ চনৰ প্ৰথম আধুনিক অলিম্পিকত পুনৰ মহিলাৰ যোগদান নিষিদ্ধ কৰা হয়। আধুনিক অলিম্পিকৰ জনক আন্তৰ্জাতিক অলিম্পিক কমিটিৰ সভাপতি কুবৰ্টিনেই অলিম্পিকত মহিলাৰ অংশ গ্ৰহণৰ বিৰোধিতা কৰে। অৱশ্যে ১৯০০ পেৰিচ অলিম্পিকত মুঠ ২২ গৰাকী মহিলাই অংশ লৈছিল। কিন্তু মহিলাৰ ক্ষেত্ৰত খেলৰ সংখ্যা আছিল সীমিত। ১৯২৮ চনৰ আমষ্টাৰডাম অলিম্পিকৰ পৰাহে মহিলাক এথেলেটিক্স

প্ৰতিযোগিতাত অংশ লোৱাৰ অনুমতি প্ৰদান কৰা হয়। কুবাৰ্টিনে এইবাৰো মহিলাৰ অংশগ্ৰহণ বিৰোধিতা কৰিছিল। কিন্তু তেওঁৰ বিৰোধিতা নিটিকিল। এথলেটিকক্সত মহিলাৰ অন্তৰ্ভূক্তিয়ে মহিলাৰ মৰ্যাদা বহু পৰিমাণে বৃদ্ধি কৰিলে। কিন্তু বৈষম্যৰ সম্পূৰ্ণৰূপে অন্ত নপৰিল।

সকলো প্ৰকাৰৰ লিঙ্গ বৈষম্য আঁতৰাই মহিলা সবলীকৰণৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে ১৯৭৯ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই যি প্ৰস্তাৱ গ্ৰহণ কৰিছিল তাৰ প্ৰভাৱ ক্ৰীড়া ক্ষেত্ৰখনৰ ওপৰতো পৰিল। ১৯৯৪ চনত মহিলা আৰু ক্ৰীড়াৰ ওপৰত আন্তৰ্জাতিক কৰ্ম সম্বন্ধীয় গোট গঠন হোৱাৰ লগে লগে ক্ৰীড়াত লিংগ বৈষম্যৰ বিষয়টোৱে গুৰুত্ব লাভ কৰে। এই গোটৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয় ইংলেণ্ডৰ ব্ৰাইটন চহৰত ১৯৯৪ চনৰ ৫-৮ মে’ লৈ। ব্ৰাইটনৰ ঘোষণা নামে জনাজাত এই অধিৱেশনত ৮২ খন দেশৰ ২৮০ গৰাকী প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰে। বিভিন্ন আন্তৰ্জাতিক ক্ৰীড়া সংগঠন সমূহৰ উপৰিও ৰাষ্ট্ৰীয় অলিম্পিক সমিতিসমূহে ইয়াত অংশ লৈ ক্ৰীড়াত লিঙ্গ সমতা বৰ্তাই ৰখাৰ সংকল্প গ্ৰহণ কৰে। এক সমক্ৰীড়া সংস্কৃতিৰ জন্ম দিবলৈও সমবেত প্ৰতিনিধিসকল সংকল্পবদ্ধ হয়।

১৯৯৪-২০১৪ কালছোৱাত মহিলা আৰু ক্ৰীড়া সম্বন্ধীয় আন্তৰ্জাতিক গোটে ব্ৰাইটন ঘোষণাৰ লক্ষ্য আৰু নীতিসমূহ কাৰ্য্যকৰী কৰাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰে। এই সম্পৰ্কত কেইবাখনো আন্তৰ্জাতিক সন্মিলনৰো আয়োজন কৰা হয়। ২০১৪ চনৰ ১২-১৫ জুনত এই গোটৰ ষষ্ঠ অধিৱেশন হেলচিংকি (Helsinki) চহৰত অনুষ্ঠিত হয়। ক্ৰীড়াৰ ক্ষেত্ৰত থকা লিঙ্গ বৈষম্য সম্পূৰ্ণৰূপে আঁতৰ কৰাৰ বাবে অধিৱেশনত সমবেত প্ৰতিনিধিসকলে পুনৰ সংকল্প লয়। ব্ৰাইটনৰ লগত হেলচিংকিক জড়িত কৰি ঘোষণাক নাম দিয়া হয় ‘ব্ৰাইটন প্লাচ হেলচিংকি’ (Brighton Plus Helsinki 2014 Declaration on Women and Sports)। ইয়াৰ লক্ষ্যঃ

সম্ভাৱ আৰু ভিন্নতাৰ স্থিতি অনুধাৱন কৰি আন্তৰ্জাতিক, ৰাষ্ট্ৰীয় আৰু স্থানীয় ক্ৰীড়া নীতি প্ৰস্তুত কৰা, মহিলাসকলে ক্ৰীড়া আৰু শাৰীৰিক কাম কাজত পুৰুষৰ সৈতে সমান সুবিধা লাভ কৰা আৰু নিজৰ ব্যক্তিত্ব, সন্মান আৰু মৰ্যাদা সকলো সময়তে অক্ষুণ্ণ ৰাখিব পাৰে তাৰ ব্যৱস্থা কৰা। মহিলা সকলক নিৰাপদ আৰু উপযুক্ত পৰিৱেশ দিয়া।

ব্ৰাইটন হেলচিংকি ঘোষণাৰ পৰামৰ্শৱলীৰ ভিত্তিত আন্তৰ্জাতিক অলিম্পিক কমিটিয়েও লিঙ্গ সমতা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত আগবাঢ়ি আহে। ১৯৯১ চনত আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে কোনো এটা ক্ৰীড়াই অলিম্পিক ক্ৰীড়াৰ মৰ্যাদা পাবলৈ হলে তাত পুৰুষ আৰু মহিলাই সমানে অংশ গ্ৰহণ কৰাৰ সুবিধা পাব লাগিব। কমিটীয়ে ১৯৯৬ চনত ক্ৰীড়াত মহিলাৰ উত্তৰণৰ বিষয়টো অলিম্পিক চনদত অন্তৰ্ভুক্ত কৰে।

২০১৮ চনৰ ৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত আন্তৰ্জাতিক অলিম্পিক কমিটীৰ সভাত লিঙ্গ সমতা ৰক্ষাৰ ক্ষেত্ৰত ২৫ টা পৰামৰ্শ বিভিন্ন আন্তৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া সংগঠনসমূহলৈ আগবঢ়ায়। ইয়াৰে ৮ টা পৰামৰ্শ কমিটীয়ে নিজাববীয়াকৈ কাৰ্য্যকৰী কৰাৰ দিশত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰে। ২০২০ চনৰ মাৰ্চ মাহত আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে প্ৰত্যেক ৰাষ্ট্ৰীয় অলিম্পিক সমিতিয়ে অৰ্থাৎ প্ৰত্যেক দেশেই সকলো ক্ৰীড়াত এগৰাকী পুৰুষ আৰু এগৰাকী মহিলা প্ৰতিযোগীক নিৰ্বাচন

কৰাটো বাধ্যতামূলক। তাৰোপৰি উদ্বোধনী অনুষ্ঠানত নিজ দেশৰ পতাকা কঢ়িয়াই নিবলৈ এজন পুৰুষ আৰু এগৰাকী মহিলা খেলুৱৈ থাকিব লাগিব। ২০২০ টকিও অলিম্পিকত মহিলা প্ৰতিযোগীৰ সংখ্যা শতকৰা ৪৮.৮ ভাগ আৰু ২০২৪ ৰ পেৰিচ অলিম্পিকত এই অনুপাত শতকৰা ৫০ ভাগ হ'ব লাগিব। খেলুৱৈৰ উপৰিও প্ৰশিক্ষক, বিভিন্ন বিষয়ববীয়া, প্ৰচাৰ মাধ্যমৰ লোক আদিৰ ক্ষেত্ৰতো লিঙ্গ বৈষম্য অন্ত পেলোৱাৰ পদক্ষেপ গ্ৰহণ কৰা হয়। আন্তৰ্জাতিক অলিম্পিক কমিটীৰ কাৰ্য্যকৰী পৰিষদতো মহিলা সদস্যৰ সংখ্যা বৃদ্ধি কৰা হয়।

নিখুঁত পৰিকল্পনাৰে পেৰিচ ২০২৪ অলিম্পিকত সকলো স্তৰতে লিঙ্গ সমতা বৰ্তাই ৰখা হৈছিল। ৩২ বিধ খেলাৰ ২৮ বিধতেই সম্পূৰ্ণৰূপে লিঙ্গ সমতা বজাই ৰখাৰ লগতে পদক ইভেন্টৰ সংখ্যাৰ অনুপাত আছিল ৫০ঃ৫০। উল্লেখযোগ্য যে অলিম্পিকত নিয়োজিত ৪৫০০০ হেজাৰ স্বেচ্ছাসেৱকৰ শতকৰা ৫০ ভাগ আছিল মহিলা। পুৰুষৰ মাৰাথন দৌৰেৰে অলিম্পিক সমাপ্ত কৰাৰ পৰম্পৰা ত্যাগ কৰি মহিলাৰ মাৰাথন দৌৰৰ যোগেদি অলিম্পিক ২০২৪ ৰ যৱনিকা পেলোৱা হৈছিল।

পেৰিচ ২০২৪ সদায় আমাৰ বাবে স্মৰণীয় হৈ থাকিব।

**"হায় তই বোকাৰ মানুহ**
**তই মাটিৰ মানুহ**
**মোৰ তেজৰ সোণৰ মানুহ তই**
**চকু মেলি চা।"**

**নীলমণি ফুকন**

# ৰজোনিবৃত্তি ঃ মহিলাৰ জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া

ড° ৰূপালী গগৈ
সহযোগী অধ্যাপিকা আৰু বিভাগীয় প্ৰধান
প্ৰাণীবিজ্ঞান বিভাগ

এজনী ছোৱালী ১০ বছৰৰ পৰা ১৪ বছৰ বয়সৰ ভিতৰতেই সাধাৰণতে ঋতুমতী হয়। তাৰ পাছত মাহে মাহে ঋতুস্ৰাৱ হৈ থকাৰ বাবে ইয়াক মাহেকীয়া বুলিও জনা যায়। মাহেকীয়া বুলি কয় যদিও এই চক্ৰ ২৮ দিনত সম্পূৰ্ণ হ'ব লাগে। এই ঋতুচক্ৰত নাৰীৰ ডিম্বাশয়ত ডিম্ব পূৰঠ হৈ জৰায়ুলৈ নামি আহে। জৰায়ুলৈ নামি আহোঁতেই যিডাল নলীয়েদি নামি আহে, তাত যদি পৈণত ডিম্বটোৱে শুক্ৰাণু লগ লাগিবলৈ নাপায় তেতিয়াই ই নষ্ট হৈ যায় আৰু জৰায়ুৰ ভিতৰৰ ফালে থকা এণ্ড্ৰ'মেট্ৰিয়াম নামৰ আৱৰণখনৰ লগত ই যোনিপথেৰে দেহৰ বাহিৰলৈ ওলাই আহে। এই চিগি এৰাই অহা এণ্ড্ৰ'মেট্ৰিয়াম, অনিষেচিত ডিম্ব আৰু কিছু শ্লেমা মিশ্ৰিত ৰক্ত বাহিৰ হৈ অহা প্ৰক্ৰিয়াই হৈছে মাহেকীয়া। এই ৰক্তক্ষৰণকেই ঋতুস্ৰাৱ অথবা ৰক্তস্ৰাৱ বোলা হয়। যদি পূৰঠ ডিম্বটোৱে যথা সময়ত শুক্ৰাণুৰ লগ লাগে আৰু নিষেচিত হয়, তেতিয়াই ই এণ্ড্ৰ'মেট্ৰিয়ামত খোপনি পোতে আৰু কেঁচুৱা জন্ম নোহোৱালৈকে মহিলাগৰাকীৰ ঋতুস্ৰাৱ নহয়। ইয়াৰ পৰা এটা কথা পৰিষ্কাৰ হয় যে মাহেকীয়া প্ৰক্ৰিয়াটো প্ৰকৃততে প্ৰজনন প্ৰক্ৰিয়াৰে এটা অংশ।

যিদৰে এই মাহেকীয়া প্ৰক্ৰিয়াটো এজনী ছোৱালীৰ এটা নিৰ্দিষ্ট বয়সত আৰম্ভ হয়, সেইদৰে এই প্ৰক্ৰিয়াটো এক নিৰ্দিষ্ট বয়সত বন্ধও হৈ যায়; ইয়াক ৰজোনিবৃত্তি বুলি জনা যায়। এই ৰজোনিবৃত্তি কোনো বেমাৰ বা বিসংগতি নহয়, বয়স বাঢ়ি যোৱাৰ লগে লগে দৈহিক পৰিৱৰ্তন ঘটি হোৱা এক স্বাভাৱিক প্ৰক্ৰিয়া। ৰজোনিবৃত্তিৰ পাছত এগৰাকী মহিলাৰ গৰ্ভৱতী হোৱাৰ সম্ভাৱনা নাথাকে। গতিকে মাহেকীয়া প্ৰথম আৰম্ভ হোৱাৰ পৰা ৰজোনিবৃত্তিলৈকে এই সময়খিনিক প্ৰজননৰ বয়স বোলা হয়। সাধাৰণতে ৪৫ বছৰৰ পৰা ৫৫ বছৰৰ ভিতৰত ৰজোনিবৃত্তি হয়। এই গোটেই প্ৰক্ৰিয়াটো হৰমন নামৰ কিছুমান ৰাসায়নিক যৌগই পৰিচালন কৰে। এই হৰমনবোৰক দেহত থকা কিছুমান গ্ৰন্থিয়ে নিঃসৰণ কৰে আৰু ই ৰক্তৰ লগত প্ৰবাহিত হৈ বিশেষ অংগলৈ সঞ্চালন হৈ তাত কাৰ্য সম্পাদন কৰে।

আজি এই লেখাটোত প্ৰধানকৈ ৰজোনিবৃত্তিৰ বিষয়েই আলোচনা কৰিবলৈ লোৱা হৈছে।

প্ৰজনন বয়সৰ শেষৰ ফালৰ সময়খিনিক চাৰিটা মুখ্য ভাগত ভাগ কৰা হৈছে -

প্ৰথম স্তৰটোক ইংৰাজীত premenopause বুলি কোৱা হয়। ৰজোনিবৃত্তিৰ লক্ষণসমূহ দেখা দিয়াৰ ভালে কিছু বছৰ আগৰ পৰাই এই স্তৰ আৰম্ভ হয়। এই সময়ত হৰমনবোৰৰ সমতা লাহে লাহে বিনষ্ট হ'বলৈ আৰম্ভ কৰে। ৰজোনিবৃত্তিৰ প্ৰায় ৮-১০ বছৰ আগতেই এই স্তৰটো আৰম্ভ হয়।

দ্বিতীয় স্তৰটোক perimenopause স্তৰ বোলা হয়। এই স্তৰটো ৰজোনিবৃত্তিৰ ঠিক আগৰ অৱস্থা। এই অৱস্থাত মহিলাগৰাকীয়ে

তেওঁৰ দেহত যে কিবা এটা বৈসাদৃশ্য ঘটি আছে সেইটো অনুভৱ কৰিব পৰা হয়। এই স্তৰৰ সময়ৰ দৈৰ্ঘ্য প্ৰায় চাৰি বছৰ। এই স্তৰটোলৈকেও কিন্তু এগৰাকী মহিলাৰ গৰ্ভধাৰণৰ ক্ষমতা থাকে।

তৃতীয় স্তৰটো হৈছে ৰজোনিবৃত্তি বা menopause যেতিয়া এগৰাকী মহিলাৰ ১১/১২ মাহ পৰ্যন্ত একেলেথাৰিয়ে মাহেকীয়া বন্ধ হৈ থাকে তেতিয়া বুজা যায় যে তেওঁৰ ৰজোনিবৃত্তি হৈছে। এই সময়ত ডিম্বাশয়ে ডিম্ব উৎপাদন কৰে আৰু এষ্ট্ৰ'জেনৰ নিঃসৰণো বন্ধ হয়।

চতুৰ্থ স্তৰটো হৈছে ৰজোনিবৃত্তিৰ পাছৰ অৱস্থা। ইয়াক postmenopause স্তৰ বুলিও জনা যায়।

এই ৰজোনিবৃত্তিক পাঁচটা হৰমনে নিয়ন্ত্ৰণ কৰে। FSH (Follicle Stimulating Hormone, LH (Luteinising Hormone), GnRH (Gonadotropin Releasing Hormone, প্ৰজেষ্টেৰন (Progesteron) আৰু এষ্ট্ৰ'জেন (Estrogen)।

FSH নামৰ হৰমনবিধে ঋতুচক্ৰটো নিয়ন্ত্ৰণ কৰে। ই ডিম্বাশয়ত থকা ডিম্বৰ বৃদ্ধিত উত্তেজক হিচাপে কাম কৰে। মাহেকীয়া হোৱাৰ আগে আগে তেজত FSH ৰ মাত্ৰা বহু বাঢ়ি থাকে।

LH নামৰ হৰমন বিধে ঋতুচক্ৰ নিয়ন্ত্ৰণ কৰাৰ ওপৰিও ডিম্বাশয়ৰপৰা ডিম্বটো নিঃসৰণ হোৱাত সহায় কৰে।

FSH আৰু LH দুয়োটা হৰমনেই এষ্ট্ৰ'জেন উৎপন্ন হোৱাত অৰিহণা যোগায়।

GnRH হৰমন আমাৰ মগজুত অৱস্থিত হাইপ'থেলামাছৰ পৰা উৎপন্ন হৈ ওলাই আহি পিটুইটেৰি গ্ৰন্থিক FSH আৰু LR নিঃসৰণ কৰিবৰ বাবে উত্তেজনা জনায়।

প্ৰজেষ্টেৰন হৰমনে এণ্ড'মেট্ৰিয়ামখনে যাতে নিষেচিত ডিম্বটো ধৰি ৰাখিব পাৰে তাৰ বাবে সাজু কৰি তোলে আৰু ই জৰায়ুৰ সংকোচনো ৰোধ কৰে। যদি মহিলাগৰাকীয়ে গৰ্ভাৱস্থা পায়, তেতিয়া এই হৰমনৰ মাত্ৰা তেজত বেছি হৈয়েই থাকে আৰু সেয়েহে ডিম্বাশয়ত ডিম্ব পূৰঠ হোৱাত ই বাধা দিয়ে আৰু এণ্ড্ৰ'মেট্ৰিয়ামখন জৰায়ুৰ পৰা এৰি আহিবলৈ নিদিয়ে। কিন্তু যদি মহিলাগৰাকীয়ে গৰ্ভাৱস্থা নাপায়, তেতিয়া এই হৰমনৰ মাত্ৰা কমি যায়, লগে লগে এণ্ড্ৰ'মেট্ৰিয়ামখন জৰায়ুৰ পৰা এৰাই আহে আৰু মাহেকীয়া হয়।

এষ্ট্ৰ'জেন প্ৰধানকৈ ডিম্বাশয়ৰপৰাই নিঃসৰিত হয়। অৱশ্যে খুব কম পৰিমাণৰ এষ্ট্ৰ'জেন এড্ৰিনেল গ্ৰন্থি আৰু চৰ্বিযুক্ত কলায়ো নিঃসৰিত কৰে। এষ্ট্ৰ'জেনে প্ৰধানতঃ যৌন সম্পৰ্কীয় গৌণ লক্ষণসমূহ প্ৰকট কৰে। ইয়াৰ ওপৰি ঋতুচক্ৰৰ আৰম্ভণি আৰু নিয়ন্ত্ৰণ, কলেষ্টেৰলৰ মাত্ৰা নিয়ন্ত্ৰণ, হাড়ৰ গঠন, মগজু, হৃদপিণ্ড, ছাল আদিৰ গঠন আৰু কাৰ্যক্ষমতা অটুট ৰখাত সহায় কৰে।

ৰজোনিবৃত্তি স্তৰটো আৰম্ভ হোৱালৈকে এই হৰমনবোৰৰ মাত্ৰা সুস্থিৰভাৱেই চলি থাকে। ৰজোনিবৃত্তি স্তৰৰ শেষৰ ফাললৈ এষ্ট্ৰ'জেন আৰু প্ৰজেষ্টেৰনৰ মাত্ৰা কমি যায়। এই সময়ত এষ্ট্ৰ'জেন নিঃসৰণ প্ৰক্ৰিয়াকে উত্তেজিত কৰিবৰ বাবে FSH আৰু LH ৰ নিঃসৰণ অধিক মাত্ৰাত হ'বলৈ ধৰে আৰু এগৰাকী মহিলাৰ ৰজোনিবৃত্তিৰ পাছত জীৱনৰ বাকী সময়ছোৱাত FSH আৰু LH অধিক মাত্ৰাত থাকে। এই সময়ত ডিম্বাশয়ত ডিম্ব ধাৰণ কৰিব পৰা জুলীয়া পদাৰ্থ থকা থৈলীবোৰ (Ovarian Follicle) পৰিশ্ৰান্ত হৈ পৰে। লাহে লাহে এই থৈলীবোৰৰ সংখ্যাও কমি আহে। তাৰ পাছত ডিম্ব পূৰঠ হোৱা কাৰ্যটো সম্পূৰ্ণৰূপে বন্ধ হৈ যায়।

ৰজোনিবৃত্তিৰ সন্মুখীন হোৱা এগৰাকী মহিলাই যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়।

(১) প্ৰধানত এষ্ট্ৰ'জেন নামৰ হৰমনটোৱে মূত্ৰবাহী নলী আৰু মূত্ৰথলী মাংসপেশীবোৰ মজবুত কৰি ৰাখে। ৰজোনিবৃত্তিৰ সময়ত এই হৰমনৰ মাত্ৰা বাঢ়ি অহাৰ লগে লগে মূত্ৰবাহী নলী আৰু মূত্ৰথলীৰ বেৰবোৰ পাতল হৈ যায়। ফলত কোঁচ খোৱা ছালৰ দৰে এই অংগসমূহত কিছুমান ভাঁজৰ সৃষ্টি হয়, য'ত কিছুমান জীৱাণুৱে বাহ ল'বলৈ সুবিধা পায়; আৰু খুব সঘনাই মহিলাগৰাকীয়ে প্ৰস্ৰাৱৰ অসুখত ভোগে। ফলত প্ৰস্ৰাৱ জ্বলাপোৰা কৰাৰ লগতে প্ৰস্ৰাৱ কৰোঁতে বিষো অনুভৱ হ'ব পাৰে।

(২) দ্বিতীয়তে ৰজোনিবৃত্তিৰ দ্বিতীয় স্তৰৰ পৰাই লাহে লাহে যোনি আৰু যোনিদ্বাৰৰ বেৰ পাতল হ'বলৈ ধৰে, যোনিস্ৰাৱৰ পৰিমাণ কমি যোনিৰ শুষ্কতা বৃদ্ধি পায় আৰু স্থিতিস্থাপকতা গুণো হেৰাই যায়। সেয়েহে সংগমৰ সময়ত কষ্ট অনুভৱ কৰে। এই সকলোবোৰৰ পৰিঘটনা এষ্ট্ৰ'জেনৰ পৰিমাণ কমি যোৱাৰে ফল।

(৩) মগজুত বহু পৰিমাণে এষ্ট্ৰ'জেন গ্ৰাহক কোষ আছে। যেতিয়া এষ্ট্ৰ'জেনৰ মাত্ৰা কমি যায় তেতিয়া মগজুৰ এই কোষবোৰে সংকেত পোৱাও কমি যায়। লাহে লাহে মগজুৰ এই কোষবিলাক অকামিলা হৈ যায়। ফলত মূৰৰ বিষ, সঘনাই মানসিক অৱস্থাৰ পৰিবৰ্তন, স্মৃতিশক্তি কমি যোৱা, অৱসাদবোধ আৰু উদ্বিগ্নতা বৃদ্ধি পায়।

(৪) চতুৰ্থতে মহিলাগৰাকীয়ে সকলোতকৈ আমনি পোৱা অশান্তিকৰ পৰিঘটনাটো হৈছে - 'হট ফ্লাছ' অৰ্থাৎ হঠাৎ দেহৰ ওপৰ অংশ গৰম লাগি ঘামি যোৱাৰ দৰে অনুভৱ হোৱা। ইয়াৰ লগে লগে বুকুৰ ধপধপনি, উদ্বিগ্নতা আদিও বাঢ়ি যায়। হট ফ্লাছ হৈ যোৱাৰ পাছতে গাটো ঠাণ্ডা অৰ্থাৎ চেঁচা চেঁচা লগা এটা অনুভূতি আহে। ৰাতি হোৱা এই হট ফ্লাছ আৰু ঘমাৰ বাবে ৰাতি টোপনিত ব্যাঘাত জন্মে।

ৰজোনিবৃত্তিৰ পাছত যেতিয়া ডিম্বাশয়ে এষ্ট্ৰ'জেন নিঃসৰণ বন্ধ কৰে, তেতিয়া এড্ৰিনেল গ্ৰন্থি আৰু কিছুমান চৰ্বিযুক্ত কোষে কম পৰিমাণে এষ্ট্ৰ'জেন নিঃসৰণ কৰি থাকে। সেয়েহে, দেহৰ কিছুমান বিশেষ অংশত চৰ্বি গোট খাবলৈ ধৰে। ফলত মহিলগৰাকীৰ দেহৰ ওজন বৃদ্ধি পায়। এই বৰ্ধিত ওজনৰ ভৰ ভৰি কেইটাত পৰে। আনহাতে কিছু পৰিমাণে হাড়ৰ ক্ষয়িষ্ণুতা বৃদ্ধি হৈ হাড়ৰ ঘনত্বও কমি আহিবলৈ ধৰে। গতিকে গাঁঠিবোৰত বিষ হ'বলৈ আৰম্ভ হয়। এষ্ট্ৰ'জেনে যিদৰে হাড় মজবুত কৰি ৰাখে সেইদৰে কলেষ্ট্ৰেলৰ মাত্ৰা নিয়ন্ত্ৰণ কৰাতো সহায় কৰে। সেয়ে দেখা যায় যে ৰজোনিবৃত্তিৰ পাছত প্ৰায়সংখ্যক মহিলাৰে হৃদযন্ত্ৰৰ সমস্যা বাঢ়ি যায়। ধীৰে ধীৰে বয়স বাঢ়ি যোৱাৰ লগে লগে উচ্চ ৰক্তচাপ, মধুমেহ আদিৰ সমস্যা বৃদ্ধি হয়।

এই সময়ত থাইৰড গ্ৰন্থিৰ কাৰ্যক্ষমতাও কমি আহিবলৈ ধৰে। সেই কাৰণেও দেহৰ ওজন বৃদ্ধি হয়।

গতিকে দেখা যায় যে ৰজোনিবৃত্তিৰ লগত সংগতি থকা অসুবিধাসমূহ হৰমনসমূহৰেই বিসংগতিৰ ফল। সেইবাবে এই অসুবিধাসমূহ কম-বেছি পৰিমাণে প্ৰতিগৰাকী মহিলাই ভুগিব লগা হয়।

বিঃ দ্ৰঃ - প্ৰৱন্ধটো প্ৰস্তুত কৰোঁতে বিভিন্ন উৎসৰ পৰা সহায় লোৱা হৈছে।

# ড০ আম্বেদকাৰৰ চিন্তাত নাৰীৰ অধিকাৰ

ড° হিমা হাজৰিকা দাস
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

***"I measure the progress of community by the degree of progress which women have achieved"***

- Dr. B. R. Ambedkar

কেৱল মাত্ৰ ভাৰততে নহয়, সমগ্ৰ বিশ্বৰ বুকুত বৰেণ্য ব্যক্তি হিচাপে পৰিচিত ভাৰত মাতৃৰ সুযোগ্য সন্তান তথা ভাৰত ৰত্ন ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জীৱন, চিন্তা আৰু কৰ্ম সঁচাই অতুলনীয়। ব্ৰিটিছ ভাৰতত ১৮৯১ চনৰ ১৪ এপ্ৰিলত সেই সময়ত দলিত তথা অস্পৃশ্য হিচাপে পৰিচিত এটি মহাৰ পৰিয়ালত জন্ম লাভ কৰা আম্বেদকাৰে জীৱনত বহু তিক্ত অভিজ্ঞতাৰ সন্মুখীন হ'বলগীয়া হৈছিল। অৱশ্যে পাশ্চাত্য শিক্ষাৰে শিক্ষিত ড০ আম্বেদকাৰে তেওঁৰ জীৱনৰ তিক্ত অভিজ্ঞতাসমূহক সকাৰাত্মক দৃষ্টিৰে গ্ৰহণ কৰি জাতি, বৰ্ণ, ধৰ্ম বা লিংগৰ উৰ্দ্ধত মানৱতাক জীয়াই ৰখাৰ অপ্ৰাণ চেষ্টা কৰিছিল। এজন হিন্দু হৈ জন্ম হোৱা সত্বেও ড০ আম্বেদকাৰে জীৱনৰ শেষৰ ফালে স্বইচ্ছাই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি ১৯৫৬ চনৰ ৬ ডিচেম্বৰত বৌদ্ধ ধৰ্মীয় এজন লোক হিচাপে মৃত্যুবৰণ কৰা কথাটোৱে তেওঁৰ জীৱনৰ বহু কথাই অকপটে ব্যক্ত কৰে।

ভাৰতীয় সংবিধানৰ পিতৃ হিচাপে খ্যাত ড০ আম্বেদকাৰক প্ৰধানকৈ দলিতৰ ত্ৰাণকৰ্তা বুলি জনা যায় যদিও প্ৰকৃতাৰ্থত তেওঁক বুজিবলৈ হ'লে তেওঁৰ জীৱনৰ আন দিশসমূহো ফঁহিয়াই চোৱাৰ প্ৰয়োজন আছে। ভাৰতীয় সমাজ ব্যৱস্থাৰ একেবাৰে নিম্ন স্থানত অৱস্থান কৰা অস্পৃশ্য হিচাপে পৰিচিত দলিতসকলৰ মুক্তিৰ সন্ধান কৰা ড০ আম্বেদকাৰক সাংবাদিক, লেখক, ৰাজনৈতিক নেতা, আইনবিদ আৰু সমাজ সংস্কাৰক হিচাবেও জনা যায়। সংবিধানৰ খচৰা সমিতিৰ সভাপতি হিচাপে বা স্বাধীন ভাৰতৰ প্ৰথমজন আইন মন্ত্ৰী হিচাপেও তেওঁ লোৱা ভূমিকা আছিল অতিকৈ গুৰুত্বপূৰ্ণ। জ্যোতিবা ফুলে বা সাৱিত্ৰীবাই ফুলেৰ দৰে বাবা চাহেব ভীমৰাও ৰামজী আম্মেদকাৰো আছিল নাৰীমুক্তিৰ পথ প্ৰদৰ্শক। ধৰ্মৰ ভিত্তিত প্ৰতিষ্ঠিত তথা জাত-পাতত বিভক্ত ভাৰতীয় সমাজ ব্যৱস্থাত পিতৃতান্ত্ৰিকতাৰ শিকলি ছিঙি নাৰীৰ সম অধিকাৰৰ সপক্ষে থিয় দিয়া ড° আম্বেদকাৰৰ চিন্তা আৰু কৰ্ম উভয়তে লিংগ সমতাৰ ছবি বিদ্যমান। সেয়ে আধুনিক মনু হিচাপে পৰিচিত ড° আম্বেদকাৰৰ চিন্তাধাৰাক ভালদৰে বুজিবলৈ হ'লে নাৰীৰ অধিকাৰৰ বিষয়টোও চালিজাৰি চোৱাৰ প্ৰয়োজন আছে।

অৱশ্যে আম্বেদকাৰৰ চিন্তাত নাৰীৰ অধিকাৰৰ বিষয়ে জানিবলৈ চেষ্টা কৰাৰ আগতে বৈদিক যুগ, বৌদ্ধ যুগ আৰু ইয়াৰ পৰৱৰ্তী মনুৰ সময়ত সমাজত নাৰীৰ স্থান কেনেকুৱা আছিল তাক জনাৰ প্ৰয়োজন। ইতিহাসবিদসকলৰ লেখাত এই কথা প্ৰমাণিত হৈছে যে বৈদিক যুগত সমাজত নাৰীৰ স্থান আছিল উচ্চমানৰ। আম্বেদকাৰে 'হিন্দু মহিলাৰ উত্থান আৰু পতন' নামৰ গ্ৰন্থত উল্লেখ কৰা মতেও সেই সময়ত

শিক্ষাৰ ক্ষেত্ৰৰ লগতে ধৰ্মীয় দিশতো নাৰীয়ে অধিকাৰ উপভোগৰ সুবিধা পাইছিল। বিবাহৰ ক্ষেত্ৰত নাৰীয়ে পচন্দৰ স্বাধীনতা লাভ কৰিছিল। একেদৰে বৌদ্ধ যুগতো নাৰীয়ে সমাজত এক সন্মানজনক আৰু উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু মনুৰ সময়ত সমাজত নাৰীৰ স্থান অৱনমিত হৈছিল। আম্বেদকাৰৰ দৃষ্টিত হিন্দু ধৰ্মগ্ৰন্থ বিশেষকৈ মনুৰ 'মনুস্মৃতি' নাৰীৰ অধিকাৰৰ ক্ষেত্ৰত এক বিৰাট প্ৰাচীৰ স্বৰূপ। অন্যায় অসমতাৰ প্ৰতীক স্বৰূপ মনুস্মৃতি নামৰ গ্ৰন্থখনত নাৰীক সমাজৰ দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰি প্ৰাপ্য অধিকাৰ তথা স্বতন্ত্ৰতাৰ পৰা বঞ্চিত কৰা হৈছে। উচ্চ শিক্ষিত উদাৰ চিন্তাৰ গৰাকী ড০ আম্বেদকাৰে কিন্তু নাৰীক সমাজত নিম্নস্থান দি তেওঁলোকক পুৰুষৰ অধীন কৰি ৰখা বা স্বতন্ত্ৰতাৰ পৰা বঞ্চিত কৰাটো একেবাৰে সহ্য কৰিব পৰা নাছিল। হিন্দু সমাজ ব্যৱস্থাত বৰ্ণৰ ভিত্তিত সমাজখনক বিভক্ত কৰাৰ লগতে সমাজত নাৰীৰ স্থান অৱনমিত কৰাৰ প্ৰতিবাদ স্বৰূপে তেওঁ আনকি ১৯২৭ চনত মাহাদত হোৱা নিপীড়িত শ্ৰেণীৰ অধিৱেশনত মনুৰ মনুস্মৃতি নামৰ গ্ৰন্থখন ৰাজহুৱা ভাৱে পুৰি পেলাবলৈও কুণ্ঠাবোধ কৰা নাছিল। এই দিশৰ পৰা এটা কথা স্পষ্টকৈ ক'ব পাৰি যে ড০ আম্বেদকাৰৰ নাৰীৰ অধিকাৰ সম্পৰ্কীয় ধাৰণা ধৰ্মীয় দিশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

হিন্দু ধৰ্মৰ ভিত্তিত প্ৰতিষ্ঠিত ভাৰতীয় সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা কু সংস্কাৰবোৰ আঁতৰ কৰি নাৰী মুক্তিৰ পথ সুগম কৰিব খোজা ড০ আম্বেদকাৰে বাল্য বিবাহ, যৌতুক প্ৰথা আদি কু প্ৰথাৰ বিৰোধে থিয় দিছিল। সমাজত প্ৰচলিত দেৱদাসী প্ৰথা, লিংগ নিৰ্ধাৰণৰ যোগেদি কন্যা সন্তানৰ ভ্ৰুণ হত্যা কৰা, সতী প্ৰথা আদি অমানৱীয় কাৰ্য্যৰো তেওঁ বিৰোধিতা কৰিছিল। একেদৰে বেশ্যা বৃত্তিৰ দৰে অপমানজনক বৃত্তিত জড়িতসকলক এনে বৃত্তি ত্যাগ কৰিবলৈও পৰামৰ্শ আগবঢ়াইছিল। ভাৰতীয় সমাজব্যৱস্থাৰ পটভূমিত আম্বেদকাৰে এটা কথা স্পষ্টকৈ বুজি উঠিছিল যে লিংগজনিত বা নাৰীজনিত অপৰাধ জন্মৰ প্ৰাকমুহূৰ্ততে আৰম্ভ হৈ গোটেই জীৱনজুৰি ই চলি থাকে আৰু নাৰীগৰাকীৰ মৃত্যুৰ পিচতহে ইয়াৰ অন্ত পৰে। লিংগভেদে সকলোৰে বাবে সম অধিকাৰ আৰু সম-মৰ্যাদাত গুৰুত্ব দিয়া ড০ আম্বেদকাৰে প্ৰচলিত সমাজ ব্যৱস্থাত নাৰীক সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰো বিৰোধিতা কৰিছিল। পৈতৃক সম্পত্তিৰ ক্ষেত্ৰত মহিলাৰ সম অধিকাৰক স্বীকৃতি দি পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ অন্য এক দুৰ্গ তেওঁ ভাঙি পেলাব বিচাৰিছিল। ড০ আম্বেদকাৰে আন্তঃবৰ্ণৰ বিবাহৰ ব্যৱস্থা, মহিলাৰ আইনসংগত বিবাহ বিচ্ছেদৰ অধিকাৰ, বিধৱাৰ পুনৰ বিবাহৰ অধিকাৰ, নাৰীৰ প্ৰজনন অধিকাৰ, দত্তক গ্ৰহণৰ অধিকাৰ আদিৰো পোষকতা কৰিছিল। ভাৰতীয় হিন্দু সমাজ ব্যৱস্থাৰ ৰক্ষণশীলতা তথা পুৰুষতান্ত্ৰিকতাৰ দুৰ্গ ভাঙি সমাজত নাৰী নিৰ্যাতনৰ বিৰুদ্ধাচৰণ কৰাৰ লগতে লিংগ সমতাৰ পোষকতা কৰা ড০ আম্বেদকাৰৰ চিন্তা আৰু কৰ্ম উভয়তে নাৰীবাদৰ প্ৰতিফলন ঘটা দেখা যায়। মানৱীয় দৃষ্টিৰে আৰু বাস্তৱসন্মত বিশ্লেষণেৰে হিন্দু সমাজখনৰ এনেদৰে সংস্কাৰ কৰিবলৈ বিচৰা আম্বেদকাৰৰ চিন্তাধাৰা তেখেতৰ যুক্তিনিষ্ঠতা আৰু দূৰদৃষ্টিসম্পন্ন মনৰ পৰিচায়ক। তেওঁৰ এনে চিন্তাই পৰৱৰ্তী সময়ত বহু লোকক অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছে। অৱশ্যে আম্বেদকাৰৰ আগতেও সমাজত নাৰীৰ অৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত ৰাজা ৰামমোহন ৰায়, জ্যোতিবা ফুলে আদি সমাজ সংস্কাৰকেও বহু সংস্কাৰকামী পদক্ষেপ গ্ৰহণ কৰিছিল।

নাৰীৰ শিক্ষাৰ অবিহনে যে এখন সুস্থ সমাজ গঢ় দিব নোৱাৰি সেই কথা তেওঁ অন্তঃকৰণেৰে উপলব্ধি কৰিব পাৰিছিল। ভাৰত প্ৰগতিৰ দিশত আগুৱাবলৈ হ'লে পুৰুষৰ শিক্ষাৰ লগতে যে নাৰী শিক্ষাৰ ওপৰতো গুৰুত্ব দিব লাগিব সেই কথা তেওঁ বুজিব পাৰিছিল। সেয়ে তেওঁ মহিলাসকলক শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ উৎসাহিত কৰিছিল। আম্বেদকাৰৰ মতে শিক্ষালাভৰ অধিকাৰ সকলোৰে জন্মগত অধিকাৰ। সেয়ে পুৰুষৰ দৰে নাৰীৰো শিক্ষা আহৰণৰ সমান অধিকাৰ আছে। নাৰীক শিক্ষিত কৰিব পাৰিলেহে পৰিয়ালজনিত বহু সমস্যা সমাধা কৰিব পৰা যাব বুলি তেওঁ বিশ্বাস কৰিছিল। সাংবাদিকতাৰ লগত জড়িত থকাৰ সময়ত আম্বেদকাৰে মূকনায়ক, বহিষ্কৃত ভাৰত আদি কাকতত নাৰী শিক্ষাৰ বিষয়ত অধিক গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ মহিলাৰ ধৰ্মগ্ৰন্থ পঢ়াৰ অধিকাৰৰো পোষকতা কৰিছিল।

ড০ আম্বেদকাৰে নাৰীৰ কেৱল ব্যক্তিগত আৰু আইনগত অধিকাৰৰ ওপৰতে যে গুৰুত্ব দিছিল এনে নহয়, তেওঁ নাৰীৰ অৰ্থনৈতিক অধিকাৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছিল। নাৰীৰ সম মজুৰিৰ অধিকাৰ, মহিলা শ্ৰমিকৰ প্ৰসূতিকালীন ছুটীৰ অধিকাৰ আদিৰ ওপৰতো তেওঁ গুৰুত্ব দিছিল। একেদৰে মহিলাৰ ৰাজনৈতিক অধিকাৰৰ ওপৰতো তেওঁ গুৰুত্ব দিছিল। ব্ৰিটিছ শাসন কালতে ড০ আম্বেদকাৰে চাইমন কমিচনৰ আগত পুৰুষৰ লগতে মহিলাকো সমানে ভোটাধিকাৰ দিয়াৰ প্ৰস্তাৱ দাঙি ধৰিছিল। দেশে স্বাধীনতা লাভ কৰাৰ আগতেই মহিলাৰ ভোটদানৰ অধিকাৰৰ সপক্ষে মাত মাতি তেওঁ গণতান্ত্ৰিক চিন্তাৰ পৰিচয় দিছিল। আম্বেদকাৰে প্ৰচলিত সমাজ ব্যৱস্থাৰ সংস্কাৰ কৰিবলৈ যাওঁতে আন্দোলনৰ নেতৃত্বও বহন কৰিছিল। বিশেষকৈ ১৯২৭ চনৰ মাহাদ সত্যাগ্ৰহ আৰু ১৯৩০ চনৰ কালাৰাম মন্দিৰত প্ৰৱেশক লৈ কৰা আন্দোলন এই ক্ষেত্ৰত উল্লেখযোগ্য। নাৰীমুক্তিৰ পথ সুগম কৰি নাৰীৰ অধিকাৰ সাব্যস্ত কৰিব খোজা ড০ আম্বেদকাৰে এনেবোৰ আন্দোলনত মহিলাকো অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল আৰু বহু মহিলাই এনেবোৰ আন্দোলনত অংশগ্ৰহণো কৰিছিল। ১৯৫৬ চনত ড০ আম্বেদকাৰ আৰু তেওঁৰ বহু অনুগামীৰ ধৰ্মান্তৰকৰণৰ সভাতো বহু মহিলাৰ অংশগ্ৰহণে প্ৰকৃততে নাৰীশক্তিক প্ৰকট কৰি তুলিছিল। নাৰীৰ অংশগ্ৰহণ অবিহনে যে আন্দোলন অসম্পূৰ্ণ হ'ব সেই কথা তেওঁ ভালকৈয়ে বুজিব পাৰিছিল।

সংবিধান প্ৰণয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ড০ আম্বেদকাৰে স্বাধীন ভাৰতৰ সংবিধানখনৰ যোগেদি জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে সকলোৰে বাবে সম অধিকাৰৰ পোষকতা কৰিছিল। গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষতাৰ চৰিত্ৰ বহন কৰা আমাৰ দেশৰ সংবিধানখনে পুৰুষ মহিলা উভয়ৰে বাবে সম অধিকাৰৰ সুবিধা প্ৰদান কৰি একে সময়তে লিংগ সমতাৰ ছবিকো প্ৰতিফলিত কৰিছে। সংবিধানৰ তৃতীয় ভাগত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহে তাকেই প্ৰতিপন্ন কৰিছে। সংবিধানৰ ১৪, ১৫ আৰু ১৬ নং অনুচ্ছেদৰ জৰিয়তে সকলোৰে বাবে সমান অধিকাৰ প্ৰদান কৰিছে। অনুচ্ছেদ ২৩ আৰু ২৪ ৰ জৰিয়তে শোষণৰ বিৰোধিতা কৰা হৈছে। একেদৰে সংবিধানৰ চতুৰ্থ ভাগত পুৰুষ-মহিলা নিৰ্বিশেষে সকলো নাগৰিকৰ জীৱনধাৰণৰ বাবে সমান আৰু যথোপযুক্ত সুবিধা কৰা, ৬-১৪ বছৰলৈ সকলো ল'ৰা ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা, শিশু আৰু মহিলাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা আদি ব্যৱস্থা সন্নিৱিষ্ট কৰিছে। দেশখনক এক কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা

কৰিবলৈ যাওঁতে ৰাষ্ট্ৰখনে এই নিৰ্দেশনাসমূহ মানি চলাৰ প্ৰয়োজন। সেইদৰে সংবিধানৰ ৩২৬ নং অনুচ্ছেদৰ জৰিয়তে পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৰে বাবে প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থা কৰিছে। জাতি, বৰ্ণ, ধৰ্ম বা লিংগ নিৰ্বিশেষে সকলোকে সমান অধিকাৰ দিব খোজা ড০ আম্বেদকাৰৰ চিন্তাই সংবিধানৰ পাতত এইদৰে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। সেয়েহে এই কথা ক'ব পৰা যায় যে ভিন্ন জাতি-জনগোষ্ঠী, ভাষা, ধৰ্মৰ মিলনভূমি আমাৰ দেশ ভাৰতবৰ্ষক বিশ্ববাসীৰ সন্মুখত সৰ্ববৃহৎ এখন গণতান্ত্ৰিক দেশ হিচাপে পৰিচয় কৰাই দিয়াত সংবিধান প্ৰণয়নৰ যোগেদি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা অন্যান্য মহান ব্যক্তিসকলৰ লগতে ড০ আম্বেদকাৰৰো ভূমিকা আছিল অতিকৈ গধুৰ।

উল্লেখযোগ্য যে পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বাধীন স্বাধীন ভাৰতৰ প্ৰথমখন মন্ত্ৰীসভাত প্ৰথমজন আইন আৰু ন্যায় মন্ত্ৰী হিচাপে ড০ আম্বেদকাৰে নাৰীৰ অধিকাৰ সুৰক্ষিত কৰিবৰ বাবে আইনী প্ৰক্ৰিয়াৰে আগবাঢ়িব বিচাৰিছিল। সেয়েহে তেওঁ ১৯৪৭ চনতে হিন্দু বিধি বিধেয়কখনৰ খচৰা সংসদত উত্থাপন কৰিছিল। এই বিধেয়কখনত লিংগজনিত অসমতা আঁতৰ কৰি নাৰী মুক্তিৰ পথ সুগম কৰাৰ লগতে নাৰীৰ অধিকাৰ সুৰক্ষিত কৰিবৰ বাবে কেইবাটাও বিষয়ত গুৰুত্ব প্ৰদান কৰিছিল। বিলখনে হিন্দু সমাজত শাস্ত্ৰীয় বিবাহৰ লগতে বিধায়নিক বিবাহতো গুৰুত্ব দিছিল। বিধায়নিক বিবাহত প্ৰধানকৈ অসবৰ্ণ বিবাহ, এগৰাকী পত্নীৰ স্বীকৃতিৰ বিধান, নাৰীৰ বিবাহ বিচ্ছেদৰ অধিকাৰক গুৰুত্ব দিয়া হৈছিল। হিন্দু বিধি বিধেয়কখনৰ অন্য এটা গুৰুত্বপূৰ্ণ বিষয় আছিল মহিলাৰ সম্পত্তিৰ অধিকাৰ। সম্পত্তিৰ উত্তৰাধিকাৰীৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন আনিব খোজা ড০ আম্বেদকাৰে পৈতৃক সম্পত্তিৰ অংশ কেৱল পুত্ৰক দিয়াৰ পৰিৱৰ্তে আইনগত ভাৱে কন্যা সন্তানকো সমানে অংশ দিয়াৰ পোষকতা কৰে। এইদৰে ড০ আম্বেদকাৰে ঐতিহাসিক হিন্দু বিধি বিধেয়কৰ যোগেদি ভাৰতীয় সমাজত প্ৰচলিত পিতৃতান্ত্ৰিকতাবাদক প্ৰত্যাহ্বান জনোৱাৰ লগতে সমাজত প্ৰচলিত অন্যায় অসমতা আদি আঁতৰ কৰি নাৰীমুক্তিৰ পথ প্ৰশস্ত কৰিব বিচাৰিছিল। অৱশ্যে হিন্দু বিধি বিধেয়কখন সংসদত গৃহীত নহ'ল। কংগ্ৰেছ দল, হিন্দু মহাসভা আদিয়ে ইয়াৰ ঘোৰ বিৰোধিতা কৰিলে। এনে কাৰণতে ১৯৫১ চনত ড০ আম্বেদকাৰে আইনসভাৰ পৰা পদত্যাগ কৰিছিল। যদিও তেওঁ এই বিলখন পাছ কৰাৰ ক্ষেত্ৰত বিফল হ'বলগীয়া হৈছিল সমাজত মহিলাৰ প্ৰতি থকা অন্যায় অসমতাই যে তেওঁৰ মন মগজুত জোকাৰণিৰ সৃষ্টি কৰিছিল আৰু তাক যে তেওঁ আইনী প্ৰক্ৰিয়াৰে অন্ত পেলাই নাৰীমুক্তিৰ পথ সুগম কৰিব বিচাৰিছিল এই কথা ইয়াৰ পৰা সহজেই অনুমান কৰিব পাৰি।

অৱশ্যে এটা কথা এইখিনিতে স্বীকাৰ কৰিব লাগিব যে ভাৰতীয় সমাজত প্ৰচলিত লিংগ ভিত্তিক অন্যায়, অসমতা আৰু বৈষম্যৰ প্ৰত্যাহ্বান জনাব খোজা হিন্দু বিধি বিধেয়কত সাঙুৰি লোৱা বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়সমূহে সময়ৰ গতিত বিভিন্ন আইনৰ ৰূপ লয়। উদাহৰণস্বৰূপে হিন্দু বিবাহ আইন (১৯৫৫), হিন্দু উত্তৰাধিকাৰী আইন (১৯৫৬), হিন্দু নাবালক আৰু অভিভাৱকত্ব আইন (১৯৫৬) আৰু হিন্দু দত্তক আৰু চোৱাচিতা আইন (১৯৫৬)ৰ কথা উল্লেখ কৰিব পাৰি। গতিশীল সময়ে কঢ়িয়াই অনা এনে আইনসমূহৰ বীজ যে ড০ আম্বেদকাৰৰ মনৰ মাজতে সৃষ্টি হৈছিল আৰু হিন্দু বিধি বিধেয়কৰ অংশ হিচাপে ভাৰতীয় ৰক্ষণশীল সমাজব্যৱস্থাত গঢ় লৈ উঠা লিংগ ভিত্তিক কিছুমান সমস্যাৰ অন্ত পেলাই সমাজত যে তেওঁ অন্তঃকৰণে লিংগভেদে সমতা প্ৰতিষ্ঠাৰ পথ সুগম কৰিব বিচাৰিছিল সেই কথা আমি একে

মুখেই স্বীকাৰ কৰিব লাগিব।

এইখিনিতে উল্লেখযোগ্য যে ড০ আম্বেদকাৰৰ নাৰীৰ অধিকাৰ সম্পৰ্কীয় চিন্তা সময়ৰ গতিত আন কিছুমান আইনৰ ৰূপতো প্ৰতিফলিত হৈছিল। প্ৰসূতিজনিত লাভালাভ আইন, ১৯৬১; যৌতুক ৰোধকৰণ আইন ১৯৬১; চিকিৎসাৰ দ্বাৰা গৰ্ভাৱস্থাৰ পৰিসমাপ্তি আইন ১৯৭১; শিশু শ্ৰম ৰোধ আৰু নিয়ন্ত্ৰণ আইন ১৯৮৬; গাৰ্হস্থ্য হিংসা আইন ২০05; কৰ্ণাটকা দেৱদাসী ৰোধকৰণ আইন ১৯৮২; অন্ধ্ৰপ্ৰদেশ দেৱদাসী ৰোধকৰণ আইন ১৯৮৯ আদি উল্লেখযোগ্য। একেদৰে ভাৰত চৰকাৰে ১৯৭৬ চনত প্ৰণয়ন কৰা সমপাৰিশ্ৰমিক আইনখনৰ কথা উল্লেখও কৰিব পাৰি। অৰ্থনৈতিক ক্ষেত্ৰত লিংগ ভিত্তিক বৈষম্যৰ বিৰোধিতা কৰি নাৰীক সমপাৰিশ্ৰমিক দিয়াৰ পোষকতা কৰা ড০ আম্বেদকাৰৰ চিন্তাই এইদৰে আন এখন আইনৰ যোগেদি স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। সময়ৰ দাবীত ভাৰত মাতৃৰ বুকুত বিভিন্ন সময়ত প্ৰণীত এনেবোৰ আইনৰ জৰিয়তেও যে ড০ আম্বেদকাৰৰ মানৱীয় চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছে সেই কথা সৰ্বজনবিদিত।

আম্বেদকাৰৰ লিংগজনিত যোগাত্মক চিন্তাৰ ভেটিতে যে সময়ৰ গতিত বহুকেইখন আইন প্ৰণয়ন কৰা হ'ল সেয়া নিশ্চয়কৈ প্ৰশংসনীয়। অৱশ্যে এইবিলাকৰ বাদেও দেশত আন কিছুমান আইন বা অন্য ব্যৱস্থা আছে যাৰ জৰিয়তে নাৰীৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ বিচৰা হৈছে। কিন্তু দেশত লিংগ সমতাৰ ওপৰত প্ৰতিষ্ঠিত এখন গণতান্ত্ৰিক সংবিধানৰ লগতে বহু বিলাক আইন বা মহিলা আয়োগৰ দৰে ব্যৱস্থা থকা সত্বেও ভাৰতীয় সমাজ ব্যৱস্থাত আজিও বহু নাৰী লিংগ ভিত্তিক বিভিন্ন সমস্যাৰ বলি হ'ব লগা হৈছে। আপোন ঘৰখনৰ ভিতৰতেই হওক বা বাহিৰতেই হওক লিংগ জনিত অপৰাধৰ অন্ত নাই। কণমানি ছোৱালীজনীৰ পৰা বৃদ্ধা মহিলালৈকে বা সন্তান সম্ভৱা মাতৃলৈকে ধৰ্ষণৰ বলি হোৱা বহু ঘটনাই মানুহক লজ্জিত কৰিছে। ৮ মাৰ্চত সমগ্ৰ বিশ্বজুৰি আন্তৰ্জাতিক নাৰীবৰ্ষ উদযাপন কৰাৰ দিনতো সংঘটিত নাৰী নিৰ্যাতনৰ বাতৰিয়ে মানৱতাৰ নগ্ন ৰূপকে উদঙাই দেখাইছে। বিশ্বজুৰি কভিড-১৯ য়ে ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তো ভাৰতৰ দৰে দেশত লিংগজনিত অপৰাধৰ বাতৰিয়ে বাতৰিৰ শিৰোনাম দখল কৰিছিল। অসমৰ দৰে ৰাজ্যতো কভিড আক্ৰান্ত মহিলা ৰোগীক যৌন নিৰ্যাতন চলোৱাৰ বাতৰি প্ৰকাশ পাইছিল। একেদৰে দেশত যৌতুক জনিত অপৰাধ, লিংগ ভিত্তিক স্ত্ৰী ভ্ৰূণ হত্যা আদি আজিও অন্ত পৰা নাই। বাল্য বিবাহ বিৰোধী আইন প্ৰণয়ন কৰা হৈছে যদিও এই সমস্যাৰো এশ শতাংশই অন্ত পৰা বুলি ক'ব নোৱাৰি। সংবিধানৰ বাধা সত্বেও মহিলাক অনৈতিক ভাৱে বেচা-কিনা কৰা কাৰ্য বিভিন্ন সময়ত চলি আছে। এনে এক প্ৰেক্ষাপটত এই কথা ক'ব পৰা যায় যে সংবিধান বা আইনৰ কেৱল মাত্ৰ লিখিত শব্দই সমাজত পৰিৱৰ্তন আনিব নোৱাৰে যদিহে আমি মানুহ বিলাকে সেইসমূহৰ অৰ্থ বুজি সেইমতে আচৰণ বা কাম কৰিব নোখোজো। কেৱল সংবিধানৰ পাতত বা বিভিন্ন আইনৰ ৰূপত নাৰীৰ সমঅধিকাৰ বা নাৰীৰ সুৰক্ষাৰ ব্যৱস্থা থাকিলেই নহ'ব, উপযুক্ত শিক্ষা ব্যৱস্থাৰ জৰিয়তে লিংগভেদে সকলোৰে মনত আমি সঁচা অৰ্থত নাৰীৰ অধিকাৰক সন্মান জনাব পৰা মানসিকতাও গঢ়ি তুলিব পাৰিব লাগিব। এখোজ আগুৱাই গৈ আমি এই কথাও বুজিব লাগিব যে সমাজত এগৰাকী নাৰীক নাৰী বুলি প্ৰথম পৰিচয় দিয়াতকৈ প্ৰথমতে তেওঁক আমি মানুহ বুলি পৰিচয় আৰু সন্মান দিবলৈ শিকিব লাগিব, তেতিয়াহে সকলো নাৰীয়ে মানুহ হিচাপে কোনো বৈষম্য নোহোৱাকৈ অধিকাৰ উপভোগ কৰিবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত সমাজৰ সদস্য হিচাপে আমাৰ সকলোৰে কৰণীয় নিশ্চয়কৈ আছে।

# বৈষম্যৰ পৃথিৱীত লেখিকাৰ সংগ্ৰাম

অঞ্জনা গোস্বামী
প্ৰাক্তন উপাধ্যক্ষ
তিনিচুকীয়া মহাবিদ্যালয়

অতীতৰ পৰাই লিখা-পঢ়া কৰি জ্ঞান আহৰণৰ ক্ষেত্ৰত মহিলাসকল পুৰুষতকৈ পিছপৰা আছিল। শিক্ষাৰ অধিকাৰ কেৱল পুৰুষৰহে বুলি সমাজখনে বিবেচনা কৰিছিল। গতিকে সাহিত্যৰ ক্ষেত্ৰখনত মহিলাসকলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিব লগা হৈছিল। বিশ্বজুৰি হোৱা এনে প্ৰত্যাহ্বান ভাৰতীয় মহিলা সকলৰ ক্ষেত্ৰতো দেখা পোৱা যায়। আটাইতকৈ ডাঙৰ কথা শিক্ষাগ্ৰহণৰ বাবে যি মানসিক শক্তি আৰু বুদ্ধিবৃত্তিৰ আৱশ্যক সেয়া কন্যাসকলৰ মাজত নাথাকে বুলি প্ৰচাৰ চলোৱা হৈছিল। স্ত্ৰী শিক্ষা লোৱা মানে লোকাচাৰ আৰু শাস্ত্ৰৰ বিৰুদ্ধে যোৱা বুলি কোৱা হৈছিল। অন্ধবিশ্বাসৰে ভৰা সমাজত ছোৱালীয়ে শিক্ষা ল'লে স্বামীৰ মৃত্যু হ'ব, দুৰ্ভাগ্যই লগ নেৰা হ'ব, ঘৰ গুচি বাঁহতল হ'ব, বিদ্যাৱতী মহিলা অহংকাৰী আৰু স্বেচ্ছাচাৰিনী হয় আদি অনেক কথাৰ প্ৰচলন আছিল। অৱশ্যে ইয়াৰ মাজতো কিছুলোকে ছোৱালী শিক্ষাৰ সপক্ষে দৃঢ়তাৰে ঠিয় দিছিল। ইংৰাজ সমাজতো পঢ়া-শুনা কৰা মহিলাক ভাল চকুৰে চোৱা নাছিল আৰু নানা ঠাট্টা-মস্কৰা কৰিছিল। মেৰী উলষ্টন ক্ৰাফ্টৰ দৰে সাহসী লেখিকাক "হায়েনা লেডী" উপাধি দিছিল। মুঠতে লিঙ্গ বৈষম্যৰ সন্মুখীন হোৱা লেখিকাসকলৰ কাহিনী বিষ্ময়কৰ।

ইংলণ্ডত ভিক্টোৰিয়া যুগত তাচ্ছিল্য আৰু সমালোচনাৰ ভয়ত মহিলাই নিজৰ নাম নিদিয়াকৈ কিতাপ প্ৰকাশ কৰিছিল। বহুত লেখিকাই পুৰুষৰ ছদ্মনামত গ্ৰন্থ লিখিছিল। লেখিকা মেৰী অ্যান ইভান্সে জৰ্জ এলিয়ট নামেৰে কিতাপ লিখি বিখ্যাত হৈ পৰিছিল। তেনেকৈ ব্ৰন্টী ভগ্নীত্ৰয়ে পুৰুষৰ নামত বেছিভাগ কিতাপ লিখিছিল। কেতিয়াবা কোনো কোনোৱে "অজান লেখিকা", কেতিয়াবা আগতে লিখা কিতাপখনৰ নাম দি একেগৰাকী লেখিকা বুলিও গ্ৰন্থ প্ৰকাশ কৰিছিল। চাৰ্লট ব্ৰন্টীয়ে "জেন আয়াৰ" গ্ৰন্থখন লিখাৰ আগতে কিছু সংখ্যক কবিতা লিখি ৰবাৰ্ট চাওডিক মন্তব্য আৰু উপদেশ দিবলৈ পঠাই দিছিল। প্ৰখ্যাত কবি গৰাকীয়ে চাৰ্লটলৈ এনেদৰে লিখি পঠাইছিল - "Literature cannot be the business of womens' life"। এয়াই প্ৰকৃত সত্য।

সাধাৰণতে মহিলাই লেখা বুলি গম পালে প্ৰকাশকে প্ৰকাশ কৰিবলৈ টান পাইছিল। লেখিকাক সমালোচনাৰে থকা-সৰকা কৰিছিল, মহিলা সংক্ৰান্তীয় বিষয়ত লিখিলে বহুতে আপত্তি নকৰিলেও পুৰুষে লিখা বহল পৰিসৰত মহিলাই লিখিলে আপত্তি কৰিছিল। পুৰুষসকলে মহিলাৰ লেখা তৰল, গতানুগতিক, আৱেগ সৰ্বস্ৰ বুলি উপহাস কৰিছিল। বাতৰি কাকতত আগস্থান পোৱা কথাত লিখিলে সংবাদ ধৰ্মী লিখা বুলি ক'বলৈ কুণ্ঠাবোধ নকৰিছিল। শাৰীৰিকভাৱে সৌন্দৰ্য্যশালী (মানে দেখাত ধুনীয়া) আৰু বৌদ্ধিকভাৱে শক্তিশালী হ'লে মহিলা গৰাকীয়ে নিজে লিখিছেনে নাই সন্দেহ কৰে। নাৰীৰ

নিজস্বতা আৰু আত্মবিশ্বাসত বেছিভাগ লোকেই বিশ্বাস নকৰাৰ দৰে। অইন নালাগে গুণবাচক শব্দ যিবোৰে এজন পুৰুষ লিখকৰ স্থানত মহিলাৰ ব্যৱহাৰ কৰে এগৰাকীৰ ক্ষেত্ৰত তেনে শব্দ নাইকিয়াৰ দৰে। উদ্দেশ্য প্ৰণোদিতভাৱেই এনে কৰা দেখা যায়। নোবেল বা বুকাৰ পুৰস্কাৰ দিয়া হয় সাহিত্যিক গৰাকীৰ কৰ্মৰ আধাৰত, লিঙ্গৰ ওপৰত নহয়। কিন্তু অৰুন্ধতী ৰয়ে "বুকাৰ" পুৰস্কাৰ পাওঁতে কোৱা হ'ল লেখক তথা সকীয়কৰ্মী বুলিহে। অসাধাৰণ, মধুফুটা আদি শব্দ যেন তেওঁৰ বাবে নহয়। "হেৰি পটাৰ" নামৰ এলানি উপন্যাস লিখা জোৱান ৰাওলিঙক প্ৰকাশকে লেখকৰ নাম জে. কে. ৰাওলিং বুলি লিখিবলৈ বাধ্য কৰিছিল যাতে তেওঁ লেখিকা বুলি গম নাপায়। তৰুণ চামে মহিলাই লিখা বুলি গম পালে পঢ়িবলৈ আগ্ৰহ নকৰিব বুলি ভাৱিয়েই প্ৰকাশকে তেনে ধাৰণা কৰিছিল। কিয়নো সমীক্ষামতে মহিলাই লিখা কিতাপ বেছিভাগ মহিলাৰ মাজতহে জনপ্ৰিয়।

ভাৰ্জিনিয়া উলফে "অখ্যাতৰ কাহিনী" উদ্ধাৰত গুৰুত্ব দি বহুত মহিলাৰ কাহিনী লিপিবদ্ধ কৰাত সহায় কৰিছিল। ব্যাপক সীমাপ্ৰান্ত নোহোৱা মহিলাসকলে ঘৰুৱা পৰিৱেশকে কলাত্মক ৰূপ দি সাহিত্যৰ ক্ষেত্ৰত এক নতুন চেতনা আৰু ন সাহিত্যৰ সৃষ্টি কৰি দেখুৱালে। যি সময়ত টলষ্টয়ে ইউৰোপ ভ্ৰমণ কৰি সাহিত্যৰ সমল গোটাইছিল, তেওঁৰ সমসাময়িক লেখিকা মেৰী অ্যান ইভান্সে এফালে ঘৰতে জাম-জেলী বনাই আনফালে কোঠালীত কিতাপ পঢ়ি অভিজ্ঞতা বুটলি পুৰুষৰ নাম জৰ্জ এলিয়ট লৈ গ্ৰন্থ প্ৰকাশ কৰিছিল। এইয়াই সত্য।

আমাৰ ভাৰততো লেখিকাসকলৰ দুৰ্দশা কম নহয়। বাংলা ভাষাত লিখা ৰাসসুন্দৰী দাসীৰ "আমাৰ জীৱন" (মোৰ জীৱন) ১৮৭৬ চনত ছপা হোৱা এখন পূৰ্ণাঙ্গ আত্মজীৱনী। কি কষ্টেৰে গাৱলীয়া পৰিবেশত সমাজৰ গোড়া বান্ধোনৰ মাজত থাকি লুকাই লুকাই আখৰ লিখি মানে আখৰক জয় কৰি "জিতাক্ষৰা" হৈ নিজৰ কথাৰে জীৱনী লিখিলে, পঢ়িলে বিস্মিত নহৈ নোৱাৰি। শিক্ষাহীনতাৰ অসহায়তাৰ কথা, মহিলাৰ জীৱন আৰু পুৰুষতান্ত্ৰিক সমাজৰ কথাখিনি পঢ়িলে চকু পানীৰ ঢল যে আহিবই সি নিশ্চিত। অৱশ্যে তেওঁৰ কেইজনমান পুত্ৰ আৰু তিনিগৰাকী বিধবা নন্দেকৰ এই ক্ষেত্ৰত উৎসাহ নিসন্দেহে উল্লেখযোগ্য।

কমলা দাস নামৰ মালয়ালম আৰু ইংৰাজী ভাষাত সাহিত্য চৰ্চা কৰা মহিলা গৰাকীয়ে এবাৰ কৈছিল যে তেওঁ লেখাৰ মাজেৰে নিজৰ পাৰ্গতালিখিনি সম্পূৰ্ণ প্ৰকাশ নকৰি পৰিয়ালৰ সুখ-শান্তিৰ কথা চিন্তাক কৰিহে লিখিব লগা হৈছিল - উপন্যাসৰ দৰে লিখা আত্মজীৱনী "My Story" খন লিখাৰ পিছত তেওঁক সমালোচনাৰে থকা সৰকা কৰিছিল। পৰিয়ালৰ লোকে কিতাপখনৰ প্ৰকাশ বন্ধ কৰিবলৈ প্ৰকাশকক অনুৰোধ কৰিছিল। কিন্তু বৰ্তমানলৈকে এইখনেই ভাৰতত আটাইতকৈ বেছি বিক্ৰী হোৱা মহিলাৰ আত্মজীৱনী।

এতিয়া আহো আমাৰ অসমৰ কথালৈ। আধুনিক শিক্ষাৰে শিক্ষিত ২৯ বছৰ বয়সতে মৃত্যু হোৱা আনন্দৰাম ঢেকিয়াল ফুকনৰ জীয়ৰী আছিল পদ্মাৱতীদেৱী ফুকননী। ৯ বছৰ বয়সতে নন্দীশ্বৰ বৰুৱা নামৰ লোকজনক বিয়া কৰোৱাৰ বাবে তেওঁৰ স্বামীৰ পৰিয়ালে তেওঁলোকক বৰ্জন কৰিছিল। কাৰণ ঢেকিয়াল ফুকনৰ পৰিয়ালৰ মহিলায়ো আধুনিক শিক্ষা গ্ৰহণ কৰা কথাটো সমাজে ভাল পোৱা নাছিল। পদ্মাৱতীক তেওঁৰ স্বামীয়ে অৱশ্যে বৰ উৎসাহ যোগাইছিল। অসমীয়া আদিভাগৰ আধুনিক উপন্যাস "সুধৰ্মাৰ

উপাখ্যান” লিখি তেওঁ কাললৈ কীৰ্ত্তি ৰাখি গৈছে। আনুষ্ঠানিক শিক্ষা নথাকাকৈয়ো তেখেতে মহিলাৰ অধিকাৰ সম্বন্ধে সচেতন হৈ “অৰুণোদয় বাৰ্ত্তা” আলোচনীত “স্ত্ৰীসকলৰ কৰ্তব্য কৰ্ম” নামেৰে এটা প্ৰবন্ধ লিখিছিল। সেই সময়ৰ শিক্ষিত বহুত লোক যেনে ৰত্নেশ্বৰ মহন্ত, বিলাত ফেৰৎ ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰা আদিয়ে স্ত্ৰীশিক্ষাৰ বিষয়ত যি ৰক্ষণশীলতা দেখুৱাইছিল তাৰ বিপৰীতে এইগৰাকী মহিলাই নাৰীৰ অধিকাৰ সপক্ষে নিজ লিখাৰে যুক্তি ডাঙি ধৰিছিল। “ফাটেকৰ দৰে গৃহতে” সদায় সোমাই থকা “চকু মুদা কুলিৰ দৰে সামাজিকতাৰ শিকলি ভৰিত লগাই লজ্জাৰ অধীন হোৱা আদি বাক্যবাণেৰে নিজৰ ক্ষোভ প্ৰকাশ কৰি লিখিছিল “আমাৰ হতবুদ্ধি বহুদৰ্শি পুৰুষে আমাক কিয় সজ শিক্ষাৰ উপদেশ নিদিয়ে?” লেখাৰ মাজেৰে তেওঁ সংকীৰ্ণ মানসিকতাৰ পুৰুষক চুঙা চাই সোপা দিলে যেন লাগে।

প্ৰথম মহিলা আলোচনী “ঘৰ জেউতি” আছিল অসমীয়া মহিলাৰ উত্তৰণৰ এক দৃঢ় পদক্ষেপ। সেই সময়ত পুৰুষ অবিহনে এখন আলোচনী উলিওৱা কথাটো মুঠেই সহজ নহয়। দুগৰাকী নন্দেক নবৌৱেক কমলালয়া কাকতি আৰু কনকলতা চলিহাই যি উদ্যমেৰে আলোচনীখনৰ গুৰি ধৰিছিল সি অসমীয়া মহিলাৰ বাবে নিঃসন্দেহে অনুপ্ৰেৰণাৰ উৎস। কিন্তু এইখন প্ৰকাশ পাওঁতে বেনুধৰ শৰ্মাই সেইখনত (ঘৰ-জেউতিত) দুৰ্গা প্ৰসাদ (মজিন্দাৰ বৰুৱা) প্ৰধান লেখক, আঁৰে আৰে থকা সম্পাদক আৰু পৃষ্ঠপোষক আছিল বুলি মন্তব্য কৰিছিল। অথচ আলোচনীখন ওলোৱাৰ পিছৰ বছৰতে দুৰ্গা প্ৰসাদৰ মৃত্যু হৈছিল আৰু আলোচনীখন তাৰ পিছতো ওলাই আছিল। ঠিক তেনেদৰে অসম ছাত্ৰ সন্মিলনীয়েও “ঘৰ-জেউতিক” প্ৰশংসা কৰি তাৰা প্ৰসাদ চলিহা আৰু দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাকহে কৃতজ্ঞতা জনাইছিল সম্পাদিকা দুগৰাকীক নহয়। লিঙ্গ বৈষম্যৰ ই এক জ্বলন্ত ছবি। সেই কাৰণেই চন্দ্ৰপ্ৰভা শইকীয়ানী, কমলালয়া কাকতি আদিয়ে “ঘৰ-জেউতি”ৰ পাতত লিঙ্গ বৈষম্যৰ যুক্তিপূৰ্ণ সমালোচনা কৰা দেখা গৈছিল।

কেইবাখনো মৌলিক গ্ৰন্থ আৰু অনুবাদ গ্ৰন্থৰে বন্দিত হোৱা শিক্ষয়িত্ৰী ঁ হেমপ্ৰভা দাসক তেওঁৰ “জ্ঞান মালা” নামৰ গ্ৰন্থখনৰ বাবে পদ্মনাথ দাসে ব্যক্তিগতভাৱে নাম লৈ বিৰূপ আৰু ব্যঙ্গাত্মক মন্তব্য দিছিল। উত্তৰত হেমপ্ৰভাই “বাঁহী” আলোচনীত লিখিলে “যি আলোচনাৰ মূল উপাদান ঠাট্টা আৰু বিদ্ৰূপ তেনে আলোচনাত ...... ভদ্ৰ মহিলাৰ নাম উল্লেখ কৰি তেওঁক অপদস্থ কৰা বৰ দুখৰ বিষয়”।... আলোচনা আৰু মতদ্বৈধৰ দ্বাৰাই কোনো বিষয়ৰে অৱনতিৰ সম্ভাৱনা নাই বৰং উন্নতিহে সম্ভৱ। “তিৰোতাই লিখা কিতাপ বুলি মোকো অনুগ্ৰহ প্ৰাৰ্থী ভাবি অনুগ্ৰহ দেখুৱালেহে মোকো অপমান কৰা বুলি ভাবিলোহেঁতেন।” এইদৰে মন্তব্য কৰি হেমপ্ৰভা নিজৰ স্থানত দৃঢ় হৈ থাকিল। ঁআনন্দ চন্দ্ৰ আগৰৱালাদেৱে এই গৰাকী মহিলাক “বিদুষী” আখ্যা দি “সাহিত্য সন্মিলনীৰ” সভানেত্ৰী হিচাপে দেখিবলৈ পোৱাৰ আশা কৰিছিল। কিন্তু “অসম সাহিত্য সভা” এতিয়াও পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত এক মঞ্চহে। এতিয়ালৈকে ইয়াত দুগৰাকী মহিলাহে সভাপতি হৈছে। কম যোগ্যতাৰ পুৰুষে কিন্তু সদম্ভে ইয়াৰ সভাপতি হোৱা দেখা যায়। প্ৰকৃত স্থান প্ৰাপ্ত নোহোৱা মহিলাই সেয়েহে “সদৌ অসম লেখিকা সমাৰোহ সমিতি”, “অসম লেখিকা সন্থা” আদিৰ দৰে অনুষ্ঠানৰ জন্ম দি মহিলাই কৰা কামবোৰ, জীৱনী আদি উলিয়াবলৈ বাধ্য হৈছে।

ইমানবিলাক নেতিবাচক কথা থাকিলেও মহিলাসকল কিন্তু বৈ থকা নাই। অসমীয়া লেখিকাই গল্প, উপন্যাস আদি লিখাৰ ক্ষেত্ৰত বিশেষ দক্ষতা দেখুৱাব পাৰিছে কিন্তু মৌলিক গ্ৰন্থ লিখাৰ ক্ষেত্ৰত পুৰুষৰ স্থান প্ৰাপ্ত এতিয়াও হোৱা নাই বুলিয়েই ক'ব পাৰি। বৌদ্ধিকভাৱে শক্তিশালী হ'বলৈ মহিলাসকল প্ৰচুৰ অধ্যয়নশীল হ'ব লাগিব। কেৱল আৱেগেৰে স্থায়ী, নান্দনিক গ্ৰন্থ সৃষ্টি কৰিব নোৱাৰি। আজিকালি সুন্দৰকৈ দুই তিনিটা ভাষাত লিখা পঢ়া কৰা মানুহৰ সংখ্যা কমি আহিছে। গতিকে পৃথিৱীৰ বহুত উচ্চ স্তৰৰ গ্ৰন্থৰ অসমীয়া অনুবাদ নোপোৱা হৈ আহিছে। লেখিকা সকলে এই ক্ষেত্ৰত মনোযোগ দিলে ভাল। যিবোৰ বিষয়ৰ গ্ৰন্থৰ অভাৱ তেনে গ্ৰন্থ যেনে বিজ্ঞানভিত্তিক লিখা, ক্ৰীড়া, পৰিৱেশ আদিৰ ওপৰতো লিখাৰ প্ৰচেষ্টা লেখিকাসকলে ললে ভাল হয়। তদুপৰি সকলোৱে লেখিকা হওঁ বুলিও হ'ব নোৱাৰে। কিন্তু এচাম পঢুৱৈ সৃষ্টিত লেখিকাসকল সচেষ্ট হ'ব লাগে। তৰল, গতানুগতিক নহয় যি লিখাৰে চিন্তাৰ কৰ্ষণ হয় তেনে লিখা বিশেষকৈ বিশ্লেষণাত্মক, সমালোচনাত্মক গ্ৰন্থ লিখাৰো অভ্যাস কৰিব লাগে। "Vindication of the Rights of Women" নামৰ গ্ৰন্থখনত মহিলাক তলশ্ৰেণী বুলি কোৱাৰ মূলতে শিক্ষাহীনতাই দায়ী বুলি মেৰী উলষ্টন ক্ৰাফ্‌টে অভিহিত কৰিছে। গতিকে লেখিকাসকলে উচ্চস্তৰীয় অৰ্হতা গোটাব পাৰিলেহে লিঙ্গ বৈষম্যৰ পৰা সাহিত্য জগতত নিজৰ সবল স্থিতি প্ৰতিপন্ন কৰিব পাৰিব।

**প্ৰসঙ্গ পুথি ঃ**


ক) ঘৰ জেউতি - সম্পাদনা - ডঃ অপৰ্ণা মহন্ত

খ) নাৰী আৰু নৱজাগৰণ - সন্ধ্যা দেৱী

গ) ঘৰ-জেউতি আৰু তৎকালীন নাৰী সমাজ - সন্ধ্যা দেৱী

ঘ) ভাৰতীয় নৱজাগৰণ আৰু ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ - ডঃ দীপ্তি দত্ত দাস।

ঙ) লেখিকাৰ জীৱনী - সম্পাদনা - শীলা বৰঠাকুৰ

চ) তগৰৰ দুখ/দোষ আৰু অন্যান্য প্ৰৱন্ধ - অৰ্পণা মহন্ত।

# মাতৃ বন্দনা - এক নাৰীবাদী বিশ্লেষণ

- ৰশ্মিতা বৰকটকী
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ

আমাৰ সমাজত নাৰী সম্পৰ্কীয় বহুলভাৱে প্ৰচলিত এটি বাক্য হৈছে - 'নাৰী সৃষ্টিৰ আধাৰ'। নাৰী যুগে যুগে মাতৃৰূপে, দেৱীৰূপে বন্দিতা হৈ আহিছে। মাতৃবন্দনা ভাৰতীয় সংস্কৃতিৰ এটি গৌৰৱোজ্বল বৈশিষ্ট্য বুলি বহুতেই সগৌৰৱে ঘোষণা কৰে। স্বামী বিবেকানন্দই কৈছে - "ভাৰতীয় নাৰীৰ বিভিন্ন আদৰ্শৰ মাজত মাতৃৰ আদৰ্শই শ্ৰেষ্ঠ"। আনকি মনু সংহিতায়ো আমাক কয় যে - 'পিতৃতকৈ হেজাৰ গুণ শ্ৰেষ্ঠা মাতৃ'। এইখিনিতে উল্লেখযোগ্য যে মনু সংহিতাৰ দৰে গ্ৰন্থৰ প্ৰভাৱত নাৰীক আজীৱন পুৰুষৰ পদদলিত কৰি ৰাখি পৰনিৰ্ভৰশীল জীৱন অতিবাহিত কৰাৰ লগতে (নাৰীৰে) দুখ-কষ্ট সহ্য কৰিবলৈ বাধ্য কৰোৱা হ'ল। এই ধৰ্মশাস্ত্ৰত (?) উল্লেখ আছে যে "কোনো ছোৱালী, কোনো যুৱতী, আনকি কোনো বৃদ্ধা মহিলাই স্বতন্ত্ৰভাৱে একো কৰিব নোৱাৰে, আন নালাগে নিজৰ ঘৰতও।" (৫-৯৪৭)

যি কি নহওঁক, এনে ধৰণৰ মাতৃ বন্দনা হিন্দু ঐতিহ্যত আমি সততে দেখিবলৈ পাওঁ। অৱশ্যে কেৱল হিন্দু ধৰ্মতেই নহয় আন আন ধৰ্মতো অনুৰূপ চিন্তা প্ৰতিফলিত হৈছে। "মাতৃত্বৰ আদৰ্শ ইছলামীয় মৌলবাদতো স্বীকৃত। পৰ্দাপ্ৰথাৰ সমৰ্থনত ৰচিত এখন পুস্তিকাত এগৰাকী লেখিকাই কৈছে যে মাতৃত্বৰ দায়িত্ব পালন কৰাৰ কাৰণে ইছলামে নাৰীক কেৱল পুৰুষৰ সমানেই মৰ্যাদা দিয়া নাই, কোনো কোনো ক্ষেত্ৰত পুৰুষতকৈ অধিক মৰ্যাদা প্ৰদান কৰিছে নাৰীক।" (নাৰী ঃ বন্ধন আৰু মুক্তি, পৃষ্ঠা ৪২)।

মাতৃবন্দনা বেয়া কথা নিশ্চয় নহয়। কিন্তু এইখিনিতে প্ৰশ্ন হয় সঁচাকৈয়ে মাতৃসকলে সমাজত এনে এক উচ্চ স্থান পাইছিলনে বা বৰ্তমানেও পাইছেনে? ড০ সন্ধ্যা দেৱীয়ে তেখেতৰ গ্ৰন্থ 'নাৰীঃ বন্ধন আৰু মুক্তি'ত উল্লেখ কৰিছে "মাতৃত্ব লাভেই নাৰীত্বৰ একমাত্ৰ সাৰ্থকতা বুলি শাস্ত্ৰকাৰসকলে জয়ঢোল বজাইছিল। একমাত্ৰ উদ্দেশ্য নহ'লেও, এই নিৰ্দেশৰ আঁৰত থকা এটা উদ্দেশ্য আছিল নাৰীসকলক গোটেই জীৱন অন্তঃপুৰত বন্দী কৰি ৰখা। ধাৰণা হয়, মাতৃত্বক আদৰ্শায়িত কৰাৰ এটা ঘাই উদ্দেশ্য আছিল উচ্ছসিত মাতৃ বন্দনাৰ দ্বাৰা শাস্ত্ৰকাৰসকলৰ পীড়নমূলক পুৰুষতান্ত্ৰিক ভাবাদৰ্শৰ প্ৰকৃত স্বৰূপ ঢাকি ৰখা। কেৱল মাতৃত্বৰ মাজতেই নাৰীৰ পৰিপূৰ্ণতা - এই আদৰ্শ প্ৰচাৰিত আৰু জনপ্ৰিয় হোৱাৰ ফলত নাৰীয়ে নিজৰ বিকাশৰ সম্ভাৱনা, স্বাধীনতা আৰু আত্মশক্তি বহু পৰিমাণে হেৰুৱালে। যিহেতু পুত্ৰ সন্তান ইহলোক আৰু পৰলোক দুয়ো লোকতে প্ৰয়োজনীয় সেই হেতুকে সন্তৰ পুত্ৰ-উৎপাদনৰ যন্ত্ৰ হিচাপে নাৰীক ব্যৱহাৰ কৰাৰ সুচলাৰ্থে চলন্তি কৰা হৈছিল মাতৃ বন্দনাৰ।" (পৃষ্ঠা ৪২)। ড০ সন্ধ্যা দেৱীৰ যুক্তিক আমিও পূৰ্ণ সমৰ্থন জনাব বিচাৰিছোঁ তথা আধুনিক সমাজ ব্যৱস্থাতো মাতৃ বন্দনাৰ আলম লৈ নাৰীসকলক গৃহবন্দী কৰি ৰখাৰ প্ৰচেষ্টা আজিও অব্যাহত আছে। সেয়ে হয়তো মহাত্মা গান্ধীৰ দৰে ব্যক্তিয়েও মন্তব্য দিছিল - "পত্নীয়ে স্বাধীনভাৱে জীৱিকা অৰ্জন কৰাৰ কথা মই সাধাৰণতে ভাবিব নোৱাৰোঁ। তিৰোতাৰ সকলো শক্তি নিয়োগ কৰিবৰ কাৰণে ল'ৰা-ছোৱালীৰ যত্ন আৰু ঘৰখন চলোৱাৰ কামেই যথেষ্ট। এই প্ৰসংগত তিৰোতাৰ অধিকাৰ কাঢ়ি লোৱা বা তিৰোতাৰ স্বাধীনতা দমন কৰা হৈছে বুলিও মই নাভাবো।" গান্ধীজীৰ মতে "ঘৰুৱা জীৱনটো হৈছে সম্পূৰ্ণভাৱে তিৰোতাৰ গণ্ডীত। সেইকাৰণে ঘৰুৱা কামত, ল'ৰা-

ছোৱালী ডাঙৰ-দীঘল কৰি শিক্ষা দিয়াৰ কামত তিৰোতাৰ অধিক জ্ঞান থকা উচিত।" প্ৰখ্যাত দাৰ্শনিক ৰুছোৰ মতেও "Women needed to rely on men for their well being because they are less rational than man." তেওঁ যুক্তি প্ৰদৰ্শন কৰিছিল যে - "Men might have desired women but didn't need them to survive, while women both desired men and needed them"......."since the main purpose in life is for a woman to be a wife and mother, she doesn't deed to be educated to the extent that men traditionally have. The whole education of women ought to be relative to men, to please them, to be useful to them, to make theselves loved and honoured by them."

এনে ধ্যান ধাৰণাৰপৰা আজিৰ সমাজ ব্যৱস্থাও সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই। 'লাউ যিমানে ডাঙৰ নহওঁক পাতৰ তল' জাতীয় ধাৰণা আমাৰ সমাজত আজিও বিদ্যমান।

মাতৃবন্দনাক আমি অন্য এটা দৃষ্টিকোণৰ পৰাও বিশ্লেষণ কৰি চাব পাৰোঁ। পুৰুষতান্ত্ৰিক সমাজত নাৰীক বিভিন্ন ধৰণে অৱদমন কৰাৰ ক্ষতিপূৰণ হিচাপে সৃষ্টি কৰা হৈছে এই মাতৃ বন্দনাৰ। "সমাজত নাৰীৰ স্থানহীন অৱস্থাৰেই এক ওলোটা প্ৰতিফলন মাতৃ বন্দনা।" (নাৰী আৰু মৌলবাদ, ড০ সন্ধ্যা দেৱী) প্ৰথিতযশা লেখিকা, গৱেষক সুকুমাৰী ভট্টচাৰ্যৰ ভাষাৰে "পিছে (মাতৃত্বৰ) মহিমান্বয়নে দৰাচলতে সমাজত নাৰীৰ মৰ্যাদাৰ বাস্তৱ অৱস্থাৰ প্ৰতিফলন নঘটাবও পাৰে। ই হ'ব পাৰে ক্ষতিপূৰণমূলক।.... মাতৃৰ প্ৰতি সমাজৰ নিৰ্লিপ্ততাৰ বাবদ আগবঢ়োৱা এক প্ৰকাৰৰ ক্ষতি পূৰণ।" (সুকুমাৰী ভট্টাচাৰ্য, Women and Society in Ancient India, পৃষ্ঠা ১৬) যদিও এনেধৰণৰ মনস্তাত্বিক ব্যাখ্যাই মাতৃ বন্দনাৰ ধাৰণাক সম্পূৰ্ণৰূপে ব্যাখ্যা কৰিব নোৱাৰে, তথাপি মনত প্ৰশ্নৰ উদয় হয় যে 'ক্ষতিপূৰণ হিচাপে যি প্ৰশস্তি গোৱা হয়, তাক জানো বাস্তৱৰ প্ৰতিফলন বুলিব পাৰি।'

এই কথাও সত্য যে সামাজিক, সাংস্কৃতিক পৰম্পৰাক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ লৈ যোৱাত মাতৃজাতিৰ ভূমিকা অপৰিসীম। এই ভূমিকাত যাতে মাতৃসকলে নিষ্ঠাৰে পালন কৰে তাৰ বাবে শাস্ত্ৰকাৰসকলে মাতৃ বন্দনাৰ অৱতাৰণা কৰিছিল বুলিও ভাবিব পাৰি। কিন্তু এইখিনিতে প্ৰশ্ন হয় কেনেধৰণৰ ধাৰণাক মাতৃসকলে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ লৈ যাব। যদি নাৰীক মুক্তভাৱে চিন্তা কৰিবলৈ দিয়া নহয়, নিৰ্দিষ্ট সীমাৰ ভিতৰত ৰখা হয়, উপযুক্ত মৰ্যাদা দিয়া নহয়, তেন্তে তেনে নাৰীয়ে ভৱিষ্যত প্ৰজন্মলৈ উপযুক্ত বাৰ্তা প্ৰেৰণ কৰিব পাৰিবনে? প্ৰকৃতাৰ্থত সাংস্কৃতিক ঐতিহ্যৰ দোহাই দি নাৰীক সুমাতৃ আৰু সুগৃহিণী হ'বলৈ নিৰ্দেশ আৰু উদ্‌গনি দিয়া হয়। নাৰী পূজিতা হৈছে কেৱল মাতৃৰূপেহে, ব্যক্তি হিচাপে নহয়। ফলশ্ৰুতিত পুৰুষ প্ৰধান সমাজৰ ইচ্ছা অনিচ্ছাৰ ভিত্তিতহে নিৰ্ধাৰিত হ'ল নাৰীৰ সামাজিক অৱস্থান।

বৰ্তমানৰ প্ৰেক্ষাপটত বা ঊনবিংশ শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশক মানত সমগ্ৰ বিশ্বত নাৰী জীৱনৰ নৱ মূল্যায়নৰ সূত্ৰপাত হোৱাৰ পৰিপ্ৰেক্ষিতত নাৰীৰ সামাজিক মৰ্যাদা বহুখিনি পৰিৱৰ্তন হৈছে যদিও ভাৰতকে ধৰি তৃতীয় বিশ্বৰ বহুতো দেশত নাৰীৰ সামাজিক অৱস্থান আজিও নিৰ্ধাৰণ কৰিছে পুৰুষতান্ত্ৰিক সমাজৰ ধ্যান ধাৰণাইহে। সেয়ে নাৰীৰ ন্যায্যতা বিচাৰি, প্ৰাপ্য অধিকাৰ বিচাৰি আজিও অৱধাৰিত ভাৱে চলি আহিছে নাৰী জাগৰণৰ আন্দোলন। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী শোষিত হৈছে বুলি হাত সাৱতি বহি নাথাকি প্ৰগতিশীল চিন্তাৰে আমি সকলো আগবাঢ়ি যাবই লাগিব। এয়া সময়ৰ আহ্বান। ইয়াতেই জড়িত হৈ আছে নাৰী সৱলীকৰণৰ প্ৰাসংগিকতা।

# মৰণশীলতাত লিংগ পক্ষপাতিত্ব আৰু নিৰুদ্দিষ্ট নাৰী

ড০ মণিকা দাস
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

১৯৭৯ চনত চীন দেশৰ চৰকাৰে উচ্চ জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণৰ অৰ্থে এক সন্তান নীতি ঘোষণা কৰে আৰু ১৯৮২ চনত আইনগত ভাৱে এই নীতি গৃহীত হয়। উদ্দেশ্য আছিল জনসংখ্যা বৃদ্ধিৰ ঋণাত্মক প্ৰভাৱ নিৰাময়ৰ যোগেদি অৰ্থনৈতিক বৃদ্ধিৰ হাৰ ত্বৰান্বিত কৰা। সামগ্ৰিক দৃষ্টিৰ প্ৰেক্ষাপটত ৰচা এই নীতিয়ে তাৎপৰ্য্যপূৰ্ণভাৱে যদিও জন্ম হাৰ হ্ৰাস কৰি জনসংখ্যাৰ অধিক বৃদ্ধিৰ হাৰ ৰোধ কৰিছিল, কিন্তু ইয়াৰ পৰিণাম হিচাপে চীনত লিংগ বৈষম্যৰ হাৰ লক্ষণীয়ভাৱে বৃদ্ধি হৈছিল। চীন দেশৰ এই পৰিৱৰ্তনৰ পটভূমিতে প্ৰকাশ হৈছিল লিংগ বৈষম্যৰ বিভিন্ন ৰূপ। নবেল বঁটা বিজয়ী ড° অৰ্মত্য কুমাৰ সেনে চীন দেশৰ এই প্ৰেক্ষাপটত মৃত্যু হাৰত লিংগ পক্ষপাতিত্ব বিষয়ৰ অধ্যয়নৰ আধাৰতে পোন প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰিছিল নিৰুদ্দিষ্ট মহিলাৰ (Missing Women) ধাৰণা, যি ধাৰণাত তেওঁ উল্লেখ কৰিছিল প্ৰকৃত জন্মজাত কন্যা সন্তান আৰু জন্ম হ'লহেঁতেন কন্যা সন্তানৰ মাজৰ পাৰ্থক্য। ড° সেনৰ ভাষাত "Missing women is the additional number of females of all ages who would be alive if there had been equal treatment of the sexes among the cohorts that are alive today"। তেখেতৰ অধ্যয়নত প্ৰকাশ কৰিছিল ১৯৮০ ৰ পৰা ১৯৯০ দশকৰ ভিতৰত চীনত প্ৰায় ৫০ মিলিয়ন আৰু এছিয়া আৰু উত্তৰ আফ্ৰিকাত প্ৰায় ১০০ মিলিয়নতকৈ অধিক মহিলা বিভিন্ন প্ৰকাৰৰ লিংগ পক্ষপাতিত্বৰ ফলত নিৰুদ্দিষ্ট হোৱাৰ তথ্য। ইয়াৰ প্ৰত্যক্ষ কাৰণ আছিল নিৰ্বাচিত গৰ্ভপাত আৰু লিংগ ভেদে থকা আদৰ যত্নৰ ভিন্নতা আৰু ইয়াৰ আঁৰৰ কাৰণ পুত্ৰ সন্তানৰ প্ৰতি থকা অধিক দুৰ্বলতা।

পুৰুষ প্ৰধান সমাজত পুত্ৰৰ পৰম্পৰাগত পছন্দ আৰু ছোৱালীৰ প্ৰত্যাখ্যান ভাৰতৰ পুৰণি গ্ৰন্থসমূহত চিত্ৰিত আছে আৰু আজিও তাৰ প্ৰভাৱ কম বেছি পৰিমাণে অটুট আছে। পুত্ৰই বংশ ৰক্ষা কৰে বিশ্বাস, লিংগ নিৰ্দিষ্ট খৰচ (যিবোৰ ল'ৰা ছোৱালীৰ প্ৰাপ্তবয়স্ক বয়সত ভিন্ন হয়, যেনে - ছোৱালীৰ বিয়া, যৌতুক প্ৰথাৰ বাবে হোৱা খৰচ বৃদ্ধি ইত্যাদি), লিংগনিৰ্দিষ্ট আয় - যেনে পুৰুষৰ তুলনাত মহিলাৰ নিম্ন অৰ্থনৈতিক মূল্য, পুৰুষৰ অনুকুলে থকা সম্পত্তিৰ অধিকাৰ, পুত্ৰ সন্তানৰ পৰা আশা কৰা শাৰীৰিক, আৰ্থিক, মানসিক নিৰপত্তা ইত্যাদি উপাদানে ল'ৰা সন্তান নিৰ্বাচনত অৰিহনা যোগায়। ফলত প্ৰতিটো বয়সৰ ছোৱালীৰ বা মহিলাৰ নিৰুদ্দেশৰ পৰিমাণ বৃদ্ধি হয়।

অতীতৰ বিভিন্ন সমাজত দেখা যায় যেতিয়ালৈকে ল'ৰা সন্তান জন্ম নহয়, তেতিয়ালৈকে মহিলাগৰাকীৰ প্ৰজনন নিয়ন্ত্ৰণ লেহেমীয়া হয়। ফলত বৰ্ধিত পৰিয়ালৰ আকাৰে পৰিয়ালটো অৰ্থনৈতিকভাৱে দুৰ্বল কৰাত বিভিন্ন পৰ্য্যায়ত, বিভিন্ন বয়সত মহিলাৰ মৃত্যু হয়।

বৰ্তমান উন্নত লিংগ নিৰ্ণয়ৰ যন্ত্ৰৰ সহায়ত ভ্ৰূণ নিৰ্বাচন কৰি গৰ্ভপাত কৰোৱাৰ ফলস্বৰূপত ছোৱালীৰ মৃত্যুৰ সংখ্যা ল'ৰাতকৈ অধিক। বিভিন্ন গৱেষকে ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ মাধ্যমত প্ৰকাশ কৰিছে কন্যা শিশুৰ ভ্ৰূণহত্যাৰ বাবে মৃত্যু হাৰত লিংগ বৈষম্য বৃদ্ধি পোৱাৰ তথ্য। এই ক্ষেত্ৰত ঝা আৰু অন্যান্যই (২০০৬) উল্লেখ কৰে যে ১৯৯১ ৰ পৰা ২০১১ চনলৈ ২০ বছৰৰ ভিতৰত ভাৰতত এক কোটি ছোৱালী ভ্ৰূণৰ গৰ্ভপাত হৈছে। তেওঁলোকে আৰু অনুমান কৰিছিল যে যদি প্ৰথম সন্তান ছোৱালী হয় তেতিয়া পাছৰ দ্বিতীয় বা তৃতীয় ছোৱালী সন্তানৰ মৰণশীলতাৰ সম্ভাৱনা বেছি হয়। বিশ্ব বেংকৰ বিশ্ব উন্নয়ন প্ৰতিবেদন ২০১২ তো অভিভাৱকৰ পছন্দ তুলনামূলকভাৱে ল'ৰা হোৱাৰ ফলত শিশুৰ মৃত্যুৰ হাৰত লিংগ বৈষম্য বৃদ্ধিৰ কথা উন্মোচিত হয়। তদুপৰি বিভিন্ন চিকিৎসালয়ত দেখিবলৈ পোৱা ফলক য'ত লিখা থাকে "লিংগ নিৰ্ণয় আইনৰ চকুত অপৰাধ আৰু দণ্ডনীয়" ইত্যাদিয়েও পৰোক্ষ ভাৱে ইয়াৰ সাক্ষী বহন কৰে। নিৰুদ্দিষ্ট মহিলাৰ প্ৰকৃত কাৰণ যদিও নিৰ্বাচিত গৰ্ভপাত, কিন্তু ইয়াৰ তথ্য আহৰণত জটিলতা থকাৰ বাবে ইয়াৰ সম্পূৰ্ণ হিচাপ পোৱা নাযায়।

এই ক্ষেত্ৰত চৰকাৰীভাৱে গণনা কৰা প্ৰতিটো বয়সৰ লিংগ হাৰৰ তথ্যত মৰণশীলতাত লিংগ বৈষম্যৰ ছবিখন দেখা যায়। ভাৰতত ২০১১ চনৰ লোকপিয়ল অনুসৰি শিশু লিংগ হাৰ ৯১৮ অৰ্থাৎ প্ৰতি ১০০০ ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা আছিল ৯১৮ গৰাকী। কিন্তু ২০২৩ চনত ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য জৰীপ - ৫ ৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ লিংগ হাৰ যদিও প্ৰতি হাজাৰ ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা বৃদ্ধি পোৱা বুলি উল্লেখ কৰিছে (১০২০), কিন্তু জন্মৰ বয়সত গণনা কৰা ছোৱালীৰ সংখ্যা প্ৰতি হাজাৰৰ বিপৰীতে ৯২৯ বুলি প্ৰকাশ পাইছে। আনহাতে গাঁও অঞ্চলৰ তুলনাত নগৰ অঞ্চলত লিংগ বৈষম্যৰ হাৰ বেছি দেখা যায়।

বাসস্থান অনুসৰি লোকপিয়ল বৰ্ষ

| ০-৬ বছৰ বয়সৰ | ১৯৬১ | ১৯৭১ | ১৯৮১ | ১৯৯১ | ২০০১ | ২০১১ |
|---|---|---|---|---|---|---|
| শিশুৰ লিংগ | ৯৭৬ | ৯৬৪ | ৯৬২ | ৯৪৫ | ৯২৭ | ৯১৮ |
| অনুপাত | ৯৫৭ | ৯৬৮ | ৯৬৩ | ৯৪৮ | ৯৩৪ | ৯১৯ |
| | ৯৫১ | ৯৪৮ | ৯৫৯ | ৯৩৫ | ৯০৬ | ৯০২ |
| | ৬ | ২০ | ৪ | ১৩ | ২৮ | ১৭ |

উৎস ঃ ভাৰতীয় লোকপিয়ল ২০১১

মৰণশীলতা হাৰত দেখা দিয়া লিংগ বৈষম্যৰ কাৰণ নৱজাতকৰ পৰা বয়স্কলৈ থকা আদৰ যত্নৰ লিংগ অনুসৰি থকা ভিন্নতা। সাধাৰণতে বহু সময়ত বহু সমাজত ছোৱালী নৱজাত শিশুৰ প্ৰতি থকা অৱহেলা বা অৱজ্ঞাৰ ফলস্বৰূপেও ল'ৰা শিশুৰ তুলনাত ছোৱালী শিশুৰ মৃত্যুৰ সংখ্যা অধিক হয়। ৰিধী কাশ্যপ আৰু জুলীয়াবে হৰমান (2020), "Gender Discrimination and Excess Female Under-5 Mortality in India" শীৰ্ষক লেখাত লিংগ অনুসৰি স্তনপান, খাদ্যৰ যতন, স্বাস্থ্যৰ যতন, টীকাকৰণৰ আদি ক্ষেত্ৰত লিংগ পক্ষপাতিত্বৰ কথা উল্লেখ কৰি ছোৱালী শিশুৰ উচ্চ মৃত্যুৰ হাৰৰ কাৰণ দৰ্শায়। এচ এনডাৰচন আৰু দেৱৰাজ ৰয়ে (২০১২) ভাৰতত নিৰুদ্দিষ্ট মহিলাৰ ১২ শতাংশ জন্মৰ সময়ত, ২৫ শতাংশ শৈশৱত, ১৮ শতাংশ প্ৰজনন বয়সত আৰু ৪৫ শতাংশ বেছি বয়সত মৃত্যুবৰণ কৰে বুলি উল্লেখ কৰে।

ভাৰতৰ জন্মত লিংগ হাৰ (প্ৰতি হাজাৰ ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা

(Sex Ratio at Birth) NFHS-5 তথ্য, ২০১৯-২০২১

| রাজ্য | ছোৱালীৰ সংখ্যা | ৰাজ্য | ছোৱালীৰ সংখ্যা |
|---|---|---|---|
| আন্দামান | ৯১৪ | মধ্যপ্রদেশ | ৯৫৬ |
| অন্ধ্রপ্রদেশ | ৯৩৪ | মহাৰাষ্ট্র | ৯১৩ |
| অৰুণাচল | ৯৭৯ | মণিপুৰ | ৯৬৭ |
| অসম | ৯৬৮ | মেঘালয় | ৯৮৯ |
| বিহাৰ | ৯০৮ | নাগালেণ্ড | ৯৪৫ |
| চণ্ডিগড় | ৮৩৮ | ত্রিপুৰা | ১০২৮ |
| চত্তিশগড় | ৯৬০ | মিজোৰাম | ৯৬৯ |
| গোৱা | ৮৩৮ | পাঞ্জাব | ৯০৪ |
| গুজৰাট | ৯৫৫ | ৰাজস্থান | ৮৯১ |
| হাৰিয়ানা | ৮৯৩ | তামিলনাডু | ৮৭৮ |
| হিমাচল | ৮৭৫ | উত্তৰ প্রদেশ | ৯৪১ |
| জম্মু কাশ্মীৰ | ৯৭৬ | পশ্চিমবংগ | ৯৭৩ |
| ঝাড়খণ্ড | ৮৯৯ | কেৰেলা | ৯৫১ |
| কর্ণাটক | ৯৭৮ | ভাৰত | ৯২৯ |

ভাৰতৰ লগতে সকলো অনুন্নত বা উন্নয়নশীল দেশত ইন্ধন যোগোৱা নিৰুদ্দিষ্ট মহিলাৰ কাৰক লিংগ বৈষম্যৰ ফলত বৃদ্ধি পোৱা মহিলাৰ দৰিদ্ৰতা। পুৰুষৰ তুলনাত মহিলাসকল তুলনামূলকভাৱে বেছি দৰিদ্র। বিশ্বৰ নিম্ন আৰু মধ্য আয়ৰ ৮৩ খন দেশৰ বহুবিমিয় দৰিদ্ৰতা গণনাত মহিলাৰ দৰিদ্ৰতা পুৰুষতকৈ ৫৭ ৰ পৰা ৭৬ শতাংশ বেছি বুলি প্রকাশিত হৈছে। দৰিদ্ৰতাৰ এই বৈষম্যত সহজে অনুমেয় হয় মৰণশীলতা হাৰত থকা লিংগ বৈষম্যৰ কাৰণ। নিম্ন আয়ৰ দেশসমূহত দৰিদ্ৰতাৰ বাবে মহিলা HIV/ AIDS বেমাৰত আক্রান্ত, মহিলা সৰবৰাহ ঘটনা, ঘৰুৱা আৰু সামাজিক হিংসা ইত্যাদিৰ বাবে মৰণশীলতাৰ হাৰত লিংগ বৈষম্য পৰিলক্ষিত হয়।

ঠিক তেনেদৰে শিক্ষাৰ সুবিধাৰ ক্ষেত্ৰটো লিংগ বৈষম্যৰ বাবে জীৱিত ছোৱালীৰ সংখ্যা নিম্ন। বৰ্তমান যদিও দেখা যায় পুৰুষৰ দৰে মহিলাৰো শিক্ষিতৰ বৰ্ধিত হাৰ, তৎসত্বেও কিন্তু পুৰুষ আৰু মহিলাৰ শিক্ষিতৰ হাৰত বৈষম্য পোৱা যায়। ২০১৪-১৫ বৰ্ষৰ তথ্য অনুযায়ী প্রাথমিক, মাধ্যমিক আৰু উচ্চতৰ শিক্ষাত নামভৰ্তিৰ ক্ষেত্ৰত প্ৰতি ১০০ জন ল'ৰাৰ বিপৰীতে ছোৱালীৰ সংখ্যা ক্রমে ৯৩, ৯৫, ৯১ জনী। দৰিদ্ৰতা আৰু শিক্ষা লাভৰ সুবিধাত থকা এই বৈষম্যই ছোৱালী এজনীক অৰ্থনৈতিক ভাৱে সক্ষম হোৱাত বাধা প্রদান কৰে, ফলত ছোৱালী বা মহিলাৰ সিদ্ধান্ত গ্ৰহণত অসুবিধা হয় আৰু সেয়ে নিৰুদ্দিষ্ট মহিলাৰ সংখ্যাও বৃদ্ধি হয়। ড০ অৰ্মত্য কুমাৰ সেনে তেখেতৰ সমবায় সংঘাতৰ আৰ্হিত উল্লেখ কৰিছিল যে ঘৰৰ ভিতৰত পৰিয়ালৰ মাজত সম্পদ সংযোজনত সহযোগিতা আৰু পৰিয়ালৰ মাজত সম্পদ বিভাজনত হোৱা সংঘাতৰ ফলত প্রাপ্তবয়স্ক বয়সৰ মহিলাৰ নিৰুদ্দেশৰ পৰিমাণ বেছি হয়।

মহিলাৰ নিম্ন আয়, নিম্ন শিক্ষাৰ লগত সংযোগিত আন এটা উপাদান হল নিম্ন স্বাস্থ্য। সমগ্ৰ বিশ্বত মহিলাসকল বেছি পুষ্টিহীনতাত ভোগে। দৰাচলতে দীৰ্ঘদিনীয়া পুষ্টিহীনতাত আক্রান্ত ৮২ কোটি লোকৰ ভিতৰত ৬০ শতাংশই মহিলা আৰু ছোৱালী। এই অমিলৰ কাৰণ হ'ল পুষ্টি আৰু লিংগ বৈষম্যৰ গভীৰ সম্পৰ্ক। খাদ্য কেনেকৈ উৎপাদন কৰা হয়, কোন উৎসৰ পৰা আহৰণ কৰা হয়, বিতৰণ কৰা হয় আৰু লগতে পুষ্টি সেৱা কেনেকৈ প্রদান কৰা হয় আৰু কেনেকৈ লাভ কৰা হয় দুয়োটাৰে দ্বাৰা মহিলা আৰু ছোৱালীৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে। উদাহৰণস্বৰূপে, জৰুৰীকালীন অৱস্থাত যেতিয়া খাদ্যৰ যোগান প্ৰায়ে প্ৰভাৱিত হয়, পুৰুষ আৰু ল'ৰাতকৈ মহিলা আৰু ছোৱালীয়ে অপুষ্টি বা পুষ্টিহীনতাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা বেছি হয়। সম্ভৱতঃ তেওঁলোকক

খাবলৈ কম খাদ্য আৰন্টন দিয়া হ'ব বা তেওঁলোকৰ খাদ্য খোৱাত বাধা দিয়া হ'ব। তদুপৰি চিকিৎসা সেৱাৰ সুবিধা লাভৰ ক্ষেত্ৰটো ভিন্নতা আছে। বয়স্ক মহিলাৰ ক্ষেত্ৰত সম্পদ আহৰণ বা নিয়ন্ত্ৰণ বা পৰিয়ালৰ আয়লৈ যোগোৱা বৰঙণি বয়সৰ লগে লগে কম হোৱাৰ বাবে চিকিৎসা সেৱাৰ ব্যয়ত পক্ষপাত্বিতৰ সন্মুখীন হয়। ইফালে লিংগ বৈষম্য সৃষ্টি কৰা নিপীড়নকাৰী লিংগ নীতি আৰু লিংগ ভিত্তিক হিংসাই মহিলা আৰু ছোৱালীৰ দুৰ্বল স্বাস্থ্য আৰু পুষ্টি আৰু তেওঁলোকৰ সহায় লাভ কৰাৰ ক্ষমতা স্থায়ী কৰি ৰাখে।

লিংগ বৈষম্যৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক উপাদানৰ উপৰিও, অৰ্থনৈতিক উন্নয়নৰ বাবে সামগ্ৰিক দৃষ্টিভংগীত প্ৰণয়ন কৰা নীতি মহিলাৰ বাবে পৰিপন্থী নহবও পাৰে। চীন দেশৰ দৰে একসন্তান নীতি, ভাৰতে গ্ৰহণ কৰা গোলকীকৰণ নীতি, নিয়োগ সম্পৰ্কীয় নীতি, নগৰীকৰণ নীতি, উন্নত বৈজ্ঞানিক কৌশলৰ আৱিষ্কাৰ ইত্যাদিৰ যদিও দেশৰ অৰ্থনৈতিক ভেটি সবল কৰাত অৰিহনা আছে, কিন্তু দীৰ্ঘকালীন উন্নয়নৰ বাবে এই নীতি সমূহ লিংগ সমতা দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। নিৰুদ্দিষ্ট মহিলাৰ ধাৰণা আৰু ইয়াৰ বিশ্লেষণৰ দুয়োটা পদ্ধতি বয়স অনুযায়ী নিৰ্ণীত আৰু ড০ সেনে ব্যৱহাৰ কৰা সকলো বয়সৰ মুঠ প্ৰকৃত আৰু প্ৰত্যাশিত মহিলাৰ সংখ্যাৰ পাৰ্থক্য, যদিও কিছুমান সীমাবদ্ধতা আছে, কিন্তু এই পদ্ধতিয়ে লিংগ বৈষম্যৰ বিভিন্ন মুখ উন্মোচন কৰাত সফলতা লাভ কৰিছে।

**সহায়ক উৎস ঃ**


Klasen, S. (2003), "Missing Women" : Revisiting the debate, https://www.researchgate.net

Probst, W. (2009), The Missing Women Phenomenon in India : Causes and Effects, Journal of Young Investigators, November.

Anderson, S. & Ray, D. (2012) The Age Distribution of Mission Women in India, https://www.researchgate.net

Calvi, R. (2017), Why Are Older Women Missing in India ? The Age Profile of Bargaining Power and Poverty, https://economics.ucr.edu/pacdev/pacdev-papers.

Sen, A. K. (1992), Missing women : Social inequality outweighs women's survival advantage in Asia and north Africa, BMJ, VOLUME 304

Census, (2011), Sex Ratio and Child Sex Ratio In India, Office of the Registrar General & Census Commissioner, India

National Family Health Survey (2019-21), Ministry of Health and Family Welfare

# নাৰী মুক্তি; এক মাৰ্ক্সীয় বিশ্লেষণ

বৈকুণ্ঠ দাস
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

সমাজত মহিলাসকলে সন্মুখীন হোৱা বিভিন্ন দুখ-দুৰ্দশাৰ বিষয়ে আমি অৱগত। মহিলাসকলৰ ক্ষেত্ৰত উপলব্ধ নানান দুৰ্ভোগক বিষয়বস্তু হিচাপে লৈ নানান বিদ্যায়তনিক ব্যাখ্যাৰো প্ৰত্যক্ষ কৰা যায়। এনে বিদ্যায়তনিক ব্যাখ্যাসমূহে মূলত মহিলাসকলে সন্মুখীন হোৱা দুখ-দুৰ্দশাৰ কাৰণ আৰু ইয়াৰ নিৰাময়ৰ উপায়ৰ সন্দৰ্ভতে ব্যাখ্যা দাঙি ধৰে।

উল্লিখিত বিদ্যায়তনিক ব্যাখ্যাসমূহৰ অন্তৰ্গত এক অন্যতম ব্যাখ্যা হৈছে মাৰ্ক্সীয় ব্যাখ্যা। কাল মাৰ্ক্স আৰু তেখেতৰ অনুগামীসকলে সমাজত মহিলাসকলে সন্মুখীন হৈ অহা দুখ-দুৰ্দশাৰ কাৰণৰ সন্ধান কৰি আৰু লগতে দুখ-দুৰ্দশাৰ পৰিত্ৰাণৰ উপায়ৰ পৰামৰ্শাৱলীক তুলি ধৰি যি ব্যাখ্যা আগবঢ়াইছে সেই ব্যাখ্যাই হৈছে মাৰ্ক্সীয় ব্যাখ্যা - এই মাৰ্ক্সীয় ব্যাখ্যাৰ আলমতেই আমাৰ সমাজৰ মহিলাসকলৰ দুখ-দুৰ্দশাৰ কাৰণ আৰু পৰিত্ৰাণৰ উপায়সমূহক উজাগৰ কৰা চেষ্টাৰেই আজিৰ এই আলোচনা যুগুত কৰা গৈছে।

মাৰ্ক্সীয় ব্যাখ্যা অনুসৰি সমাজত মহিলাই যি দুৰ্ভোগৰ সন্মুখীন হৈছে তাৰ মূলতে হৈছে "ব্যক্তিগত সম্পত্তি" (Private Property) ধাৰণা। মানৱ সমাজত যেতিয়াৰ পৰাই ব্যক্তিগত সম্পত্তি ধাৰণাই প্ৰচাৰ আৰু প্ৰসাৰ লভিলে তেতিয়াৰ পৰাই ক্ৰমান্বয়ে মহিলাসকলৰ দুখ-দুদৰ্শাৰ আৰম্ভণি ঘটিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণাই অধিক বিকাশ লাভ কৰাৰ সমান্তৰালকৈ মহিলাসকলৰ দুখ-দুৰ্দশাৰ পৰিমাণতো বৃদ্ধি ঘটা পৰিলক্ষিত হয়।

মাৰ্ক্সীয় ব্যাখ্যাই ইয়াৰ চিৰাচৰিত ৰীতি অনুসৰিয়েই ব্যক্তিগত সম্পত্তি ধাৰণাই কেনেদৰে মহিলাসমাজৰ দুখ-দুৰ্দশাৰ পৰিমাণত বৃদ্ধি ঘটাইছে তাৰ এক বস্তুবাদী (বাস্তৱিক) ব্যাখ্যা আগবঢ়াইছে। মানৱ ইতিহাসৰ বিৱৰ্তনৰ বিভিন্ন পৰ্যায়ত পৰিয়াল আৰু সম্পত্তি অধিকাৰৰ প্ৰসঙ্গক প্ৰাধান্য দি কেনেদৰে সমাজত ব্যক্তিগত সম্পত্তিৰ ধাৰণাই বিকাশ লভিলে আৰু ইয়াৰ ফলশ্ৰুতিত কিদৰে মহিলাসকলে সম্পত্তিৰ অধিকাৰ হেৰুৱাই নিঃকিন হৈ পৰিল সেই বিষয়ে যুক্তিসঙ্গত ব্যাখ্যা দাঙি ধৰিছে। তলত এই বিষয়ত বিস্তৃত বিৱৰণ আগঢ়োৱাৰ চেষ্টা কৰা হৈছে।

মাৰ্ক্সৰ সহযোগী Friedrich Engles য়ে তেখেতৰ উল্লেখনীয় গ্ৰন্থ "The Origin of the Family, Private Property and the State" ত সুবিস্তাৰে মহিলাই সন্মুখীন হোৱা দুৰ্ভোগ আৰু ইয়াৰ নিৰাময়ত সন্দৰ্ভত ব্যাখ্যা দিছে। তেখেতৰ মতে মানৱ সমাজৰ যি আদিমতম পৰ্য্যায় (Savagery) সেই পৰ্য্যায়ত ব্যক্তিগত পৰিয়াল বুলি কোনো ব্যৱস্থা নাছিল। সমূহীয়া বিবাহৰ এক ব্যৱস্থা (Group Marriage)ৰ প্ৰচলন আছিল। এনে ব্যৱস্থাত বিবাহত আৱদ্ধ পুৰুষ সদস্যজনে মহিলাগৰাকীৰ

তুলনাত কিছুসংখ্যক বিশেষ অধিকাৰ উপভোগত সক্ষম হৈছিল। তেনে অধিকাৰৰ অন্যতম আছিল তেখেতে ইচ্ছানুসৰি আন মহিলাৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপন কৰিব পাৰিছিল। অন্যহাতে মহিলাগৰাকীয়ে ইচ্ছা থাকিলেও পৰপুৰুষৰ লগত শাৰীৰিক সম্পৰ্ক স্থাপনত অধিকাৰ নাছিল। এনে নিয়ম অমান্য কৰা মহিলাক কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা আছিল। বিবাহত আৱদ্ধ পুৰুষ অথবা মহিলাগৰাকীৰ সন্মতিত বিবাহৰ অন্ত পেলোৱা ব্যৱস্থা আছিল। বিবাহৰ অন্ত পেলোৱাৰ পৰৱৰ্তী পৰ্য্যায়ত অৱশ্যেই বিবাহৰ ফলত উপজা সতি-সন্ততিৰ অধিকাৰ মহিলাগৰাকীয়ে লাভ কৰিছিল। সন্তানৰ অধিকাৰ পুৰুষৰ পৰিৱৰ্তে মহিলাৰ হাতত অৰ্পণৰ ব্যৱস্থা আছিল আৰু ইয়াৰ কাৰণ হিচাপে সন্তান আৰু মাতৃৰ মাজৰ Biological Relation ক চিহ্নিত কৰিছিল। Engles ৰ ভাষাত ইয়াৰ ব্যাখ্যা এনে ধৰণৰ -

One man lives with one woman, but the relationship is such that polygamy and ocasional infidelity remain the right of the man, even though for economic reasons polygamy is rare, while from the woman the strictest fidelity is generally demanded throughout the time she lives with the man and adultery on her part is cruelly punished. The marriage can however be easily dissolved by either partner after separation the children still belong as before to the mother alone.

Engles ৰ মতে মানৱ সমাজে যেতিয়া ইয়াৰ আদিমতম পৰ্য্যায় (Savagery) অতিক্ৰমি পৰৱৰ্তী পৰ্য্যায়ত উপনীত হয় (Barbarism), সেই পৰ্য্যায়তো ব্যক্তিগত পৰিয়ালৰ ধাৰণাই গা কৰি উঠা নাছিল। আদিমতম পৰ্য্যায়ত প্ৰত্যক্ষ কৰা সমূহীয়া বিবাহৰ এক ব্যৱস্থাৰ বিপৰীতে Pairing Marriage ৰ দৰে বিবাহ পদ্ধতিৰ আৰম্ভণি ঘটিছিল। এই ব্যৱস্থাৰ মতে পুৰুষ অথবা মহিলাই বহুপুৰুষ অথবা বহুপত্নীৰ লগত অবাধৰূপত বৈবাহিক সম্পৰ্ক স্থাপনৰ সুযোগ লাভ নকৰিছিল। অৱশ্যেই সীমিত পৰিসৰত কিছুসংখ্যক পুৰুষ অথবা পত্নীৰে বৈবাহিক সম্পৰ্ক স্থাপনৰ সুযোগ আছিল। এনে বিবাহ ব্যৱস্থাৰ আওঁতাত পুৰুষজনে খাদ্যৰ সন্ধানৰ ব্যৱস্থা কৰিব লাগিছিল। খাদ্যৰ সন্ধানৰ সহায়ক সজুঁলিৰো যোগান নিশ্চিত কৰিবলগীয়াত পৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত পুৰুষ সদস্যজনে শ্ৰমৰ আহিলাসমূহৰ ওপৰত নিয়ন্ত্ৰণৰো সুযোগ লভিছিল। জীৱন ধাৰণৰ উপকৰণ যেনে পশুধনসমূহৰ ওপৰত তেখেতৰ বিস্তৰ নিয়ন্ত্ৰণ সাব্যস্ত হৈছিল।

এই বিবাহ ব্যৱস্থাৰ আওঁতাত যিহেতুকে পুৰুষজনেই খাদ্যৰ সন্ধান কৰিব লাগিছিল সেইবাবে খাদ্য যোগানৰ সহায়ক উপকৰণৰো ব্যৱস্থা নিজাকৈ কৰিবলগীয়াত পৰিছিল। ইয়াৰ প্ৰয়োজনতে পুৰুষজনে কেতবোৰ ব্যক্তিক সহায়ক হিচাপে লগত ৰাখিছিল। খাদ্যৰ অন্যতম উৎস মাংসৰ বাবে পশুপালনৰ ব্যৱস্থা কৰিছিল আৰু এনে কাৰ্য্য সহায়ৰ হেতু কিছুসংখ্যক ব্যক্তিক নিযুক্তি দিছিল যিসমূহক পৰৱৰ্তী সময়ত দাস (Slave) হিচাপে জনা গৈছিল।

উল্লেখিত বিবাহ ব্যৱস্থাৰ অন্তৰ্গত এনে এক নিয়মৰ ব্যৱস্থা আছিল যে যদি পুৰুষ বা মহিলা গৰাকীয়ে বিবাহৰ অন্ত পেলাব খোজে তেতিয়া মহিলাগৰাকীয়ে কেৱল খাদ্যদ্ৰব্যৰ

বাহিৰে অন্যান্য একোৰে ওপৰত অধিকাৰ সাব্যস্ত নকৰে। আনহে নালাগে সতি-সন্ততিৰ ওপৰতো অধিকাৰ হেৰুৱাই পেলায়। অন্যহাতে পুৰুষজনে সতি-সন্ততিৰ অধিকাৰ লাভ কৰে আৰু সতি-সন্ততিক পশুপালনৰ হেতু শ্ৰমৰ উপকৰণ হিচাপে ব্যৱহাৰত গুৰুত্ব দিয়ে।

Englesৰ ভাষাত ইয়াৰ ব্যাখ্যা এনেধৰণৰ -

It was the man's part to obtain food and the instruments of labour necessary for the purpose. He therefore also owned the instruments of labour and in the event the husband and wife separating, he took them with him, just as she retained her household goods. Therefore, according to the social custom of the time, the man was also the owner of the new source of subsistence, the cattle and the latter of the new instrument of labour, the slaves. But according to the custom of the same society, his children could not inherit from him.

Engles ৰ মতে সমাজৰ বিৱৰ্তনৰ এই পৰ্যায়তে মহিলা সকলৰ বাবে বিপৰ্যয়ৰ সূচনা আৰম্ভ হয়। কিয়নো মহিলাই নিজৰ সন্তানৰ ওপৰত থকা অধিকাৰো হেৰুৱাবলগীয়াত পৰে। অন্যহাতে পুৰুষৰ বাবে এনে পৰিৱেশ উপলব্ধ হয় যাৰ সুবাদত পুৰুষে সন্তানৰ ওপৰত অধিকাৰ লাভেৰে শ্ৰমৰ আহিলাৰ ওপৰত নিয়ন্ত্ৰণৰ সুযোগ লাভ কৰে। লগতে পৰিয়ালৰ পৰ্য্যায়তো পুৰুষৰ প্ৰভুত্ব প্ৰতিষ্ঠাৰ বাট সুগম হৈ পৰে।

Engles য়ে ইয়াৰ ব্যাখ্যা তলত দিয়াধৰণে আগবঢ়াইছে -

The overthrow of mother right was the world historical defeat of the female sex. The man took command in the home also; the woman was degraded and reduced to servitude, she become the slave of his lust and a mere instrument for the production of children.

Engles ৰ মতে Barbarism যুগৰ উল্লিখিত ব্যৱস্থাৱলীৰ মাজেদিয়েই সময়ত মানৱ সমাজে সভ্যতাৰ যুগত পদাৰ্পণ কৰে (Civilization)। এই যুগৰ বিবাহ ব্যৱস্থাৰ বৈশিষ্ট্য আছিল যে এজন পুৰুষে এগৰাকী মহিলাৰে বিবাহত বহিব লাগিছিল (Monogamous Marriage) ইচ্ছা কৰিলেই বিবাহ বিচ্ছেদৰ সুবিধা নাছিল। বিশেষকৈ বিচ্ছেদৰ ক্ষেত্ৰত মহিলাগৰাকীৰ ইচ্ছাক সন্মান দিয়া নগৈছিল। অৱশ্যেই পুৰুষ সদস্যজনে এই ক্ষেত্ৰত বিশেষ অধিকাৰ পাইছিল আৰু তেখেতৰ ইচ্ছাতে বিচ্ছেদ কাৰ্যকৰী কৰা গৈছিল।

Monogamous Marriage ৰ ব্যৱস্থা এই বাবেই সূত্ৰপাত ঘটোৱা হৈছিল যে সন্তানৰ পিতৃৰ পৰিচয় নিশ্চিত কৰিব পৰা যায়। কাৰণ পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰ সাব্যস্ত কৰাৰ বাবে সন্তানৰ পিতৃৰ পৰিচয় স্পষ্ট হোৱাটো জৰুৰী বিবেচিত হৈছিল। মুঠৰ ওপৰত সকলোতে পুৰুষৰ প্ৰভুত্বৰ এক পৰিৱেশ আহি পৰিছিল।

Engles ৰ মতামত এনেধৰণৰ -

Monogamous Marriage is based on the supremacy of the man, the express purpose being to produce children of undisputed paternity; such paternity is demanded because these

children are later to come into their father's property as his natural heirs. It is distinguished from Pairing Marriage ties, which can no longer be dissolved at either partner's wish. As a rule, it is how only the man who can dissolve it and put away his wife.

উল্লেখিত দৰেই Engles ৰ মতে, মানৱ সমাজত সকলোবোৰ বিষয়তে পুৰুষৰ প্ৰভুত্বৰ (Patriarchy) এক ব্যৱস্থাৰে সূত্ৰপাত ঘটে। জীৱনধাৰণৰ উপকৰণ, সেই উপকৰণৰ যোগাৰ কৰা সহায়ক সঁজুলি আদিৰ ওপৰত পুৰুষৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ ফলশ্ৰুতিতে সমাজত পুৰুষৰ প্ৰভুত্ব পৰিৱেশ আহি পৰে। সন্তানৰ ওপৰত পুৰুষৰ অধিকাৰে এনে প্ৰভুত্বক অধিকতৰ শক্তিশালী কৰে। পুৰুষেই স্থাৱৰ - অস্থাৱৰ সম্পত্তিৰ মালিকানা হিচাপে এনেদৰেই সময়ত ভূমিষ্ঠ হোৱাৰ বাট মুকলি হয়। সভ্যতাৰ যুগৰ Monogamous Marriage ব্যৱস্থাই এনেদৰেই সময়ত ব্যক্তিগত পৰিয়ালত এক ধাৰণাক প্ৰতিষ্ঠা দিলে আৰু পৰিয়ালত মূল পুৰুষ সদস্যজনৰ প্ৰভুত্ব সকলোবোৰ বিষয়তে প্ৰতিপন্ন কৰিলে। লগতে সম্পত্তিৰ উত্তৰাধিকাৰো পুৰুষ সন্তানৰ হাততে ন্যস্ত কৰা এক ব্যৱস্থাৰ সূত্ৰপাত ঘটালে। মহিলা সদস্যৰ তুলনাত পুৰুষ সদস্যৰ প্ৰতিপত্তি এনেকৈয়ে সময়ত নিশ্চিত হৈ পৰিল।

Engles ৰ মতে ব্যক্তিগত পৰিয়ালৰ এক ব্যৱস্থাই সময়ত পৰিয়ালৰ ভৰণ-পোষণৰ স্বাৰ্থত ব্যক্তিগত সম্পত্তিৰ এক ধাৰণাক প্ৰচাৰ আৰু প্ৰসাৰ দিয়ে। ব্যাক্তিগত উপাৰ্জন বৃদ্ধিৰে নিজস্ব পৰিয়ালৰ সমৃদ্ধিক নিশ্চিত কৰা এক ব্যৱস্থাৰ সূত্ৰপাত ঘটে এনেকৈয়ে। পৰিয়ালৰ মূৰব্বী পুৰুষ সদস্যজনে নিজস্ব পৰিয়ালৰ ভৰণ-পোষণৰ বাবে বিস্তৰ উপাৰ্জনত গুৰুত্ব দিয়া আৰম্ভ কৰে।

ব্যক্তিগত সম্পত্তি (ব্যক্তিগত উপাৰ্জন বৃদ্ধি) এনেদৰেই প্ৰত্যেকৰে বাবে সময়ত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হিচাপে প্ৰতিপন্ন হৈ পৰিল। ইয়াৰ পৰিপ্ৰেক্ষিততে পৰিয়ালৰ মূল পুৰুষ সদস্যসকলে নিজস্ব পৰিয়ালৰ ভালৰ বাবে অধিকতৰ উৎপাদনত গুৰুত্ব দিয়া আৰম্ভ কৰে। অধিক পশুধনৰ গৰাকী হোৱাৰ বাবে মন মেলে।

অধিক পশুধনৰ গৰাকী হোৱাৰ চেষ্টাৰে সময়ত বিভিন্ন পৰিয়ালৰ মূৰব্বীসকলৰ মাজত প্ৰতিযোগিতা (যুদ্ধ, টনা-আঁজোৰা) আৰম্ভ হয়। ইয়াৰ পৰিণতিস্বৰূপে শাৰীৰিকভাৱে শক্তিশালীসকলে উপলব্ধ সকলোবোৰ পশুধনৰ গৰাকী হোৱাৰ সুযোগ লভে। এনেদৰেই সমাজৰ অন্য সদস্য (পুৰুষ - মহিলা উভয়ৰে) তুলনাত শক্তিশালী পুৰুষ সদস্য এচামে (কিছুসংখ্যকে) অধিক সম্পত্তিৰ গৰাকী হিচাপে প্ৰতিপন্ন হৈ পৰিল।

পৰৱৰ্তী সময়ত এনেদৰে অধিক সম্পদৰ গৰাকী হোৱা পুৰুষসকলে নিজস্ব পৰিয়ালৰ সমৃদ্ধিৰ স্বাৰ্থত সমাজৰ অন্যান্য পুৰুষ, মহিলা সকলোৰে ওপৰত প্ৰভুত্ব খটোৱাই অধিক পশুধনৰ লালন-পালনৰ বাবে তেওঁলোকক ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। এনেদৰে ব্যৱহৃত পুৰুষ, মহিলাৰ শ্ৰমৰ ফলত সময়ত উল্লিখিত পুৰুষচামৰ পশুধনৰ (সম্পত্তি) পৰিমাণত উত্তৰণ ঘটি তেওঁলোকে অধিকতৰ সম্পত্তি গৰাকী হিচাপে আত্মপ্ৰকাশ কৰে।

উল্লিখিত দৰেই সমাজ বিৱৰ্তনৰ সভ্যতাৰ যুগত সমাজৰ এচামে (পুৰুষ সদস্য) সকলোবোৰ উপাৰ্জনৰ আহিলাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰি (পুৰুষ, মহিলা শ্ৰমশক্তি) অধিকতৰ সম্পত্তিৰ গৰাকীলৈ ৰূপান্তৰিত হৈ পৰিল। অন্যহাতে গৰিষ্ঠসংখ্যক পুৰুষ, মহিলাই নিজস্ব

শ্ৰম শক্তিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই একেবাৰেই নিঃকিন হিচাপে আত্মপ্ৰকাশ কৰিলে। Engles ৰ ভাষাত এনেদৰেই সময়ত মানৱ সমাজে শ্ৰেণীবিভক্ত সমাজ (Class Society) ৰ এক ৰূপ পৰিগ্ৰহণ কৰিলে। সমাজত সম্পদৰ গৰাকী হিচাপে এটা শ্ৰেণী আৰু সম্পদহীন হিচাপে বাকীসকল জনগণে আন এটা শ্ৰেণী হিচাপে দুভাগত বিভক্ত হৈ পৰিল।

Engles ৰ শ্ৰেণীবিভক্ত সমাজক তিনিটা বিভিন্ন পৰ্য্যায়ত বিবেচনা কৰিছে। শ্ৰেণীবিভক্ত সমাজে প্ৰথমতে "দাস সমাজ" (Slave Society)ৰ ৰূপ পৰিগ্ৰহণ কৰি পৰৱৰ্তী সময়ত "সামন্ত সমাজ" (Feudal Society) আৰু শেষত "পুঁজি সমাজ" (Capitalist Society) হিচাপে আত্মপ্ৰকাশ কৰে বুলি মন্তব্য দিছে। এনে প্ৰত্যেক সমাজতে সমাজৰ এচামে অৰ্থাৎ সম্পদশালী শ্ৰেণী (মূলত পুৰুষ প্ৰধান)টোৱে সকলোবোৰ শ্ৰমৰ আহিলাৰ (Means / Instrument of Production) ওপৰত একচেটিয়া (Monopoly) অধিকাৰ সাব্যস্ত কৰে আৰু ইয়াক ব্যৱহাৰ কৰি পুনৰায় নিজস্ব সম্পদৰ পৰিমাপত বৃদ্ধি ঘটায়। এনে কৰাৰ উদ্দেশ্য হৈছে নিজস্ব পৰিয়ালৰ সমৃদ্ধিক অধিক গতি দিয়া।

Engles য়ে এইখিনিতে মন্তব্য কৰিছে যে - শ্ৰেণীবিভক্ত এক সমাজে ইয়াৰ সৰ্বোচ্চ ৰূপত "পুঁজি সমাজ" হিচাপে আত্মপ্ৰকাশ কৰে আৰু এই পৰ্য্যায়ত ই সমাজৰ উপলব্ধ সকলোবোৰ শ্ৰমৰ আহিলা (পুৰুষ, মহিলাৰ শ্ৰমশক্তি)ৰ ওপৰত সৰ্বোচ্চ নিয়ন্ত্ৰণ সাব্যস্ত কৰণৰ এক পৰিৱেশ উপলব্ধ কৰায়। ই এহাতেদি সম্পদশালী শ্ৰেণীটোৰ (পুঁজি মালিকানা) সম্পত্তিৰ পৰিমাণত সৰ্বোচ্চ বৃদ্ধি ঘটায় আৰু আনহাতে সমাজৰ অন্যান্যসকলক অধিক নিঃকিন হিচাপে প্ৰতিপন্ন কৰোৱাৰ পৰিৱেশ নিৰ্মাণ কৰে।

Engles য়ে লগতে মন্তব্য কৰিছে যে উল্লিখিত শ্ৰেণীবিভক্ত সমাজতে মহিলাসকলৰ দুখ-দুৰ্দশাই চৰম ৰূপ পৰিগ্ৰহণ কৰে। শ্ৰেণীবিভক্ত সমাজৰ চৰম পৰ্য্যায় "পুঁজি সমাজ"ত মহিলাসকলৰ দুৰ্ভোগে সৰ্বোচ্চ বিন্দুত উপনীত হয়। নিজস্ব শ্ৰম শক্তিৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই মহিলাসকলে আনহে নালাগে জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় ন্যূনতম আৱশ্যকতাৰ পৰাও বঞ্চিত হোৱাৰ উপক্ৰম হয়।

এই "পুঁজি সমাজ"ত সম্পদশালী শ্ৰেণী (পুঁজি মালিকানাই) টোৱে নিজস্ব সম্পত্তি বৃদ্ধি তাড়নাত উদ্যোগিক উৎপাদন কাৰ্য্যৰ মাধ্যমেৰে অধিক মুনাফাৰ সন্ধান কৰে। ইয়াৰ প্ৰয়োজনতে তেওঁলোকে শ্ৰমিকৰ শ্ৰমৰ অধিকতৰ শোষণৰ এক ব্যৱস্থা কাৰ্য্যকৰী কৰাৰ আৱশ্যকতা আহে। পুৰুষ শ্ৰমিকৰ তুলনাত মহিলা শ্ৰমিকৰ শ্ৰমৰ অধিকতৰ শোষণত গুৰুত্ব দিয়া, অধিক শ্ৰমৰ পৰিপ্ৰেক্ষিততো মহিলা শ্ৰমিকক ন্যূনতম পাৰিশ্ৰমিকৰ ব্যৱস্থা ৰাখে। নামমাত্ৰ পাৰিশ্ৰমিকৰ দ্বাৰা মহিলা শ্ৰমিকে জীৱন যাপনৰ প্ৰাথমিক প্ৰয়োজনীয়তাসমূহেৰে মোকাবিলা কৰিবলগীয়া পৰে।

সমাজত মহিলাসকলৰ এনে চৰম দুৰ্দশাৰ পৰিপ্ৰেক্ষিততে Engles য়ে মন্তব্য কৰিছে যে "ব্যক্তিগত সম্পত্তি"ৰ এক ব্যৱস্থা আৰু এই ব্যৱস্থাই সূত্ৰপাত ঘটোৱা শ্ৰেণীবিভক্ত সমাজৰ ধাৰণাই হৈছে মহিলাসকলৰ নিঃকিন অৱস্থাৰ বাবে প্ৰধানকৈ দায়ী। ব্যক্তিগত সম্পত্তিক অধিকতৰ পৰ্য্যায়ত আহৰণৰ সুযোগ প্ৰদান কৰা পুঁজি সমাজৰ উদ্যোগিক উৎপাদন (পুঁজি উৎপাদন) ব্যৱস্থাক তেখেতে মহিলাসকলৰ সাম্প্ৰতিক দুখ-দুৰ্দশাৰ অন্যতম প্ৰধান কাৰণ হিচাপে চিহ্নিত কৰিছে।

Engles য়ে এনেদৰেই সমাজত মহিলাসকলে সন্মুখীন হৈ অহা দুখ-দুৰ্দশাৰ কাৰণ হিচাপে ব্যক্তিগত সম্পত্তি ব্যৱস্থাক চিহ্নিত কৰিছে। আৰু লগতে ব্যক্তিগত সম্পত্তি আহৰণৰ বাবে সৰ্বোচ্চ সুযোগ উপলব্ধ কৰোৱা পুঁজিবাদী উৎপাদন ব্যৱস্থা যি ব্যৱস্থাৰ আওঁতাত মহিলাসকলৰ শ্ৰমশক্তিৰ সৰ্বোচ্চ শোষণৰ দ্বাৰা তেওঁলোকক অধিকতৰ নিঃকিন হিচাপে পৰিগণিত কৰাই সেই উৎপাদন ব্যৱস্থাকো মহিলাসকলৰ চূড়ান্ত দুৰ্ভোগৰ এক অন্যতম প্ৰধান কাৰণ হিচাপে প্ৰক্ষেপ কৰিছে।

Engles য়ে সমান্তৰালভাৱে মন্তব্য কৰিছে যে সমাজত মহিলাসকলক দুখ-দুৰ্দশাৰ পৰা মুক্তি দিয়াৰ প্ৰয়োজনত পুঁজি উৎপাদন ব্যৱস্থাক উৎখাত কৰাৰ প্ৰসঙ্গক দোহাৰিছে। পুঁজি উৎপাদন ব্যৱস্থাক নাইকিয়া কৰাত সক্ষম হলে ব্যক্তিগত সম্পত্তিৰ ব্যৱস্থাই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব। সমাজৰ পৰা ব্যক্তিগত সম্পত্তিৰ ব্যৱস্থাৰ অৱসান ঘটিলে সময়ত সকলোৱে (পুৰুষ, মহিলা উভয়েই) নিজৰ শ্ৰমশক্তিৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্তকৰণৰ এক সুযোগ পাব। ইয়াৰ ফলশ্ৰুতিত প্ৰত্যেকেই নিজস্ব প্ৰয়োজনীয়তাবোৰ পূৰণৰ বাবে নিজৰ শ্ৰমশক্তি ব্যৱহাৰত সক্ষম হ'ব আৰু লগতে সুখ-স্বাচ্ছন্দৰে জীৱন অতিবাহিত কৰিব।

সমাজত মহিলাসকলে সন্মুখীন হৈ অহা দুখ-দুৰ্দশা সমূহক নিৰাময় কৰাৰ প্ৰয়োজনত মাৰ্ক্সীয় চিন্তাবিদ Zedong য়েও ব্যাখ্যা দাঙি ধৰিছে। তেখেতে সমাজত মহিলাসকলৰ দুৰ্ভোগৰ পৰিত্ৰাণৰ উপায়ক সৰ্বহাৰা মুক্তি সংগ্ৰামেৰে যুক্ত কৰিছে (Liberation of Proletariat) সমাজত মহিলাই স্বাচ্ছন্দেৰে জীৱন নিৰ্বাহৰ সুযোগ লাভ কৰিবলৈ হ'লে প্ৰাথমিকভাৱে পুঁজি উৎপাদক উৎসাহ যোগোৱা শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থাক উৎখাত কৰাৰ আৱশ্যকতা আৰু ইয়াৰ প্ৰয়োজনত সম্পদৰ গৰাকী পুঁজিমালিকানা শ্ৰেণীৰ বিৰুদ্ধে সৰ্বহাৰা শ্ৰেণী (পুঁজিমালিকানা শোষণৰ ফলত লাওলোৱাত পৰিণত হোৱা সমাজৰ গৰিষ্ঠসংখ্যক পুৰুষ, মহিলা) য়ে সংগ্ৰামত লিপ্ত হ'ব লাগিব। এই সংগ্ৰামত পুঁজিমালিকানা শ্ৰেণীক পৰাভূত কৰি শ্ৰেণীহীন এক সমাজবাদী সমাজৰ বুনিয়াদ নিৰ্মাণ সম্ভৱ কৰি তুলিব লাগিব। এই শ্ৰেণীহীন সমাজবাদী সমাজ নিৰ্মাণৰ বেলিকা অন্যান্যসকলৰ লগতে সমাজৰ মহিলাসকলেও নিজস্ব শ্ৰমৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাত সক্ষম হ'ব আৰু নিজৰ শ্ৰমৰ ব্যৱহাৰেৰে নিজৰ লগত সমাজৰ আনৰো প্ৰয়োজনীয়তা পূৰণৰ দ্বাৰা এক অৰ্থপূৰ্ণ জীৱনৰ গৰাকী হৈ পৰিব।

Mao য়ে নিজৰ ভাষাত ইয়াক এনেদৰে তুলি ধৰিছে - "The emancipation of women is an integral part of the liberation of the proletariat. Genuine equality between the sexes can only be realized in the process of the socialist transformation of sociey as a whole."

Mao ৰ দৰে আন এগৰাকী মাৰ্ক্সীয় চিন্তাবিদ V.I. Lenin য়েও মহিলাসকলৰ দুখ-দুৰ্দশাৰ পৰিত্ৰাণৰ উপায়ৰ সন্ধান দিছে। তেখেতৰমতে মহিলাসকলেই নিজে নিজৰ মুক্তিৰ ব্যৱস্থা কাৰ্যকৰী কৰিব লাগিব। যেনেদৰে পুঁজি উৎপাদন ব্যৱস্থাক পৰাভূত কৰাৰ বাবে এই ব্যৱস্থাৰ দ্বাৰা শোষিত, বঞ্চিত শ্ৰমিক শ্ৰেণীয়ে নিজেই নিজৰ মুক্তিৰ বাবে সংগ্ৰামত লিপ্ত হোৱাৰ আৱশ্যকতা সেই একেদৰেই মহিলাসকলেও নিজকে দুখ-দুৰ্দশাৰ পৰা মুক্তি লাভৰ প্ৰয়োজনত সংগবদ্ধভাৱে সংগ্ৰাম কৰাটো

জৰুৰী হিচাপে তেখেতে চিহ্নিত কৰিছে। সেয়েহে তেখেতে পুঁজি উৎপাদন ব্যৱস্থাক উৎখাতৰ বাবে কাৰ্যকৰী কৰা সংগ্ৰামত মহিলাসকলৰ অংশগ্ৰহণৰ পোষকতা কৰিছে। এনে সংগ্ৰামৰ নেতৃত্ব লোৱাৰো আহ্বান কৰিছে। সৰ্বহাৰাৰ নেতৃত্বত শ্ৰেণীহীন সমাজৰ সম্ভাৱনীয়তাক দোহাৰিছে। সৰ্বহাৰাই শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাত সক্ষম হলে আপোনা আপুনি মহিলাসকলে সমাজ সুযোগ-সুবিধা অৰ্থপূৰ্ণ জীৱন নিৰ্বাহত সক্ষম হ'ব বুলি মন্তব্য কৰিছে।

লেনিনৰ নিজৰ ভাষাত ইয়াৰ ব্যাখ্যা এনেধৰণৰ-

"We say that emancipation of workers must be brought about by the workers themselves and similarly the emanipation of women workers must be brought by the women workers themselves."

উল্লিখিত দৰেই মাৰ্ক্সীয় ব্যাখ্যাই মহিলাসকলৰ দুখ-দুৰ্দশাৰ প্ৰসঙ্গত (Women Question) নিজস্ব মতামত ব্যক্ত কৰিছে। মাৰ্ক্সীয় ব্যাখ্যাই প্ৰাথমিকভাৱে মহিলাসকলৰ দুখ-দুৰ্দশাৰ কাৰণৰ সন্ধান কৰিছে আৰু পৰৱৰ্তী সময়ত মহিলাসকলক সকলোধৰণৰ দুৰ্ভোগৰ পৰা মুক্তি দিয়া উপায়ৰ দিহা দিছে। মাৰ্ক্সীয় ব্যাখ্যাই ইয়াৰ পুৰাতন ৰীতি ইতিহাসৰ বস্তুবাদী বিশ্লেষণ (Materialistic Interpretation of History or Historical Materialism) ৰ সহায়ত সমাজ বিৱৰ্তনৰ ভিন্ন পৰ্য্যায়ৰ উল্লেখেৰে প্ৰত্যেক পৰ্য্যায়ত মহিলাসকলে সন্মুখীন হৈ অহা দুৰ্ভোগৰ দাঙি ধৰিছে আৰু এনে দুৰ্ভোগেৰ কাৰণৰো উল্লেখ কৰিছে। অন্যহাতে, প্ৰত্যেক পৰ্য্যায়তে দুৰ্ভোগৰ কাৰণ হিচাপে চিহ্নিত কৰা বিষয়সমূহৰ মাজত এক সম্বন্ধ সূত্ৰ স্থাপন কৰি তাক মুখ্য কাৰণ হিচাপে (Root Cause) প্ৰক্ষেপ কৰিছে। ব্যক্তিগত সম্পত্তিৰ ব্যৱস্থাকে মাৰ্ক্সীয় ব্যাখ্যাই শেষ বিচাৰত মহিলাসমাজৰ দুখ-দুৰ্দশাৰ প্ৰধান কাৰণ হিচাপে এনেদৰেই চিহ্নিত কৰিছে। সমান্তৰালকৈ মহিলাসকলক দুখ-দুৰ্দশাৰ পৰা মুক্তি (Emancipation) দিয়াৰ প্ৰসঙ্গকো সমান গুৰুত্বসহকাৰে বিবেচনা কৰিছে। কেৱল কাৰণৰ সন্ধানতে বিশ্লেষণ সীমাৱদ্ধ নকৰি সমাধান সূত্ৰৰো দিহা দি এক সম্পূৰ্ণ বিশ্লেষণত (Complete analysis) গুৰুত্ব দিছে। সমাধানৰ সূত্ৰ হিচাপে পুঁজি উৎপাদনক উৎখাত আৰু ইয়াক বাস্তবায়িত কৰাৰ বাবে সৰ্বহাৰাৰ সংগবদ্ধ সংগ্ৰামক স্বীকৃতি দিছে। এনে সংগ্ৰামত মহিলাসকলক সম্পূৰ্ণ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথা কৈছে। সৰ্বহাৰাৰ নেতৃত্বত শ্ৰেণীহীন সমাজবাদী সমাজ উপলব্ধ কৰাই সমাজৰ প্ৰত্যেকৰে বাবে সমান সুযোগ-সুবিধা ব্যৱস্থা ৰাখিছে। এনে এক পৰিৱেশত সমাজত অন্যান্যসকলৰ সহিতে মহিলাসকলৰো স্বাচ্ছন্দে জীৱন নিৰ্বাহৰ সুযোগ আহি পৰিব বুলি দোহাৰিছে। বিশেষ মন কৰিবলগীয়া কথা হ'ল যে মাৰ্ক্সীয় ব্যাখ্যাই মহিলাৰ বাবে মুক্তি প্ৰসঙ্গক (Emancipation) তুলি ধৰিছে। বিভিন্ন উদাৰবাদী ব্যাখ্যাই (Liberal Interpretation) প্ৰক্ষেপ কৰাৰ দৰে সংস্কাৰবাদী (Reformist) ব্যৱস্থাৰ পোষকতা কৰা নাই। ইয়াৰ পটভূমিতে মাৰ্ক্সীয় ব্যাখ্যা আনবোৰ ব্যাখ্যাৰ পৰা পৃথক হিচাপে প্ৰতিপন্ন হৈছে। মুঠৰ ওপৰত মাৰ্ক্সীয় ব্যাখ্যাই মহিলাৰ প্ৰসঙ্গক অধিক যুক্তিসঙ্গতভাৱে উপস্থাপন কৰিছে আৰু মহিলাসকলৰ মুক্তিৰ প্ৰয়োজনত বাস্তৱসন্মত ব্যৱস্থাৱলীৰ পোষকতা কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে মহিলাৰ বিষয়ক প্ৰসঙ্গত মাৰ্ক্সীয় ব্যাখ্যা অধিক প্ৰাসঙ্গিক হিচাপে বিবেচিত হৈ অহাটো পৰিলক্ষিত হয়।

# ক্ৰীড়াক্ষেত্ৰত অসমীয়া নাৰী

ড° পংকজ শইকীয়া
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

ক্ৰীড়াই যুৱ সমাজৰ শাৰীৰিক আৰু মানসিক শ্ৰীবৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সাম্প্ৰতিক সময়ত কোনো এক খেলক কেৰিয়াৰ হিচাপে গ্ৰহণ কৰি সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰি। বিশ্বত অনুষ্ঠিত হৈ থকা বিভিন্ন ক্ৰীড়াসমাৰোহ তথা প্ৰতিযোগিতাসমূহে জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে বিভিন্ন দেশৰ মানুহৰ মাজত ভাতৃত্ববোধ জগাই তোলাৰ লগতে সমাজখনক একতাৰ দোলেৰে বান্ধ খুওৱাত সহায় কৰে। বহুতো মহান ক্ৰীড়াবিদে খেলৰ জৰিয়তে সমগ্ৰ বিশ্বতে খ্যাতি অৰ্জন কৰাৰ লগতে বিশ্বৰ সকলো শ্ৰেণীৰ মানুহৰ হৃদয়ত স্থান লাভ কৰিছে।

অসমতো অতীজৰ পৰা বিভিন্ন খেল প্ৰচলিত হৈ আহিছে যদিও স্বাধীনতাৰ পিছতহে ভালেসংখ্যক অসমীয়া ক্ৰীড়াবিদে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত সফলতা লাভ কৰিছে। ড° টালিমেৰন আও, ভোগেশ্বৰ বৰুৱা আদি খেলুৱৈয়ে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত যথেষ্ট খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। আজিৰ তাৰিখত অসমীয়া মহিলা ক্ৰীড়াবিদেও বিশ্বজয় কৰিবলৈ সক্ষম হৈছে। সীমিত সা-সুবিধা আৰু অনুন্নত আন্তঃগাঠনি স্বত্বেও নিজস্ব প্ৰতিভা আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰা আজি অসমীয়া নাৰীয়ে বিভিন্ন ক্ৰীড়াত শ্ৰেষ্ঠত্ব উজাৰি দিবলৈ সক্ষম হৈছে। অসমৰ কেইগৰাকীমান মহিলা ক্ৰীড়াবিদৰ বিষয়ে সংক্ষেপে এই লেখাত আলোকপাত কৰা হৈছে।

তৈবুন নিছা ঃ

শিৱসাগৰত জন্ম গ্ৰহণ কৰা তৈবুন নিছাই দৰিদ্ৰতা তথা সামাজিক বাধা অতিক্ৰম কৰি সীমিত সুবিধাৰে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত সফল এথলিট হিচাপে উজলি উঠিবলৈ সক্ষম হৈছিল। ১৯৭৬ চনত জয়পুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় এথলিট সমাৰোহত ডিস্কাছ থ্ৰ' প্ৰতিযোগিতাত ২৯.২৩ মিটাৰ দলিয়াই ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰিবলৈ সক্ষম হৈছিল। ১৯৮২ চনত নতুন দিল্লীত অনুষ্ঠিত 'এছিয়ান গেমছ'ত ভাৰতক প্ৰতিনিধিত্ব কৰি এছিয়ান গেমছত প্ৰতিনিধিত্ব কৰা প্ৰথম মহিলা ক্ৰীড়াবিদ হিচাপে পৰিগণিত হৈছিল।

মনালিচা বৰুৱা মেহতা ঃ

অৰ্জুন বঁটা লাভ কৰা অসম তথা উত্তৰপূৰৰ প্ৰথম মহিলা ক্ৰীড়াবিদ হৈছে মনালিছা বৰুৱা। তেখেতে ১৯৭৬ চনত চনত টেবুল টেনিচৰ চাব জুনিয়ৰ, ১৯৭৯ চনত জুনিয়ৰ আৰু ১৯৮৫ চনত চিনিয়ৰ ৰাষ্ট্ৰীয় খিতাপ অৰ্জন কৰি দেশৰ এগৰাকী অন্যতম সফল টেবুল টেনিচ খেলুৱৈ হিচাপে পৰিগণিত হৈছিল। মনালিচা বৰুৱাই নতুন দিল্লী (১৯৮২) আৰু ছিউল (১৯৮৬) এছিয়ান গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ লগতে এছিয়ান টেবুল টেনিচ চেম্পিয়ানশ্বিপ, বিশ্ব চেম্পিয়নশ্বিপ আৰু ছাফ গেমছতো ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।

মিঠু বৰুৱা ঃ

১৯৭৪ চনত গুৱাহাটীত জন্ম গ্ৰহণ কৰা মিঠু বৰুৱা অসমৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ সাঁতোৰবিদ। মিঠু বৰুৱাই ১৯৯৩ চনত হংকংত অনুষ্ঠিত সপ্তম এছিয়া পেছিফিক চেম্পিয়নশ্বিপত ভাৰতক প্ৰতিনিধিত্ব কৰি ২ টা স্বৰ্ণ, ২ টা ৰূপ আৰু ১ টা ব্ৰঞ্জৰ পদক জয় কৰিবলৈ সক্ষম হৈছিল। তেখেতে এছিয়ান চেম্পিয়নশ্বিপ আৰু ছাফ গেমছতো সাঁতোৰত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।

হিমা দাস ঃ

'ধিং এক্সপ্ৰেছ' নামেৰে জনাজাত অসমৰ অন্যতম শ্ৰেষ্ঠ দৌৰবিদ হিমা দাসৰ জন্ম ২০০০ চনত ধিংৰ কান্ধুলিমাৰী গাঁৱত। তেখেতে ২০১৮ চনত ফিনলেণ্ডত অনুষ্ঠিত ২০ বছৰ অনুৰ্ধ বিশ্ব চেম্পিয়নশ্বিপত ৪০০ মিটাৰ ট্ৰেকত স্বৰ্ণ পদক জয়ৰে যিকোনো আন্তৰাষ্ট্ৰীয় দৌৰ প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰা প্ৰথম ভাৰতীয় দৌৰবিদ হিচাপে পৰিগণিত হয়। ২০১৮ চনৰ জাকাৰ্তা এছিয়ান গেমছত ৪০০ মিঃ দৌৰৰ ব্যক্তিগত শাখাতো ৰূপ, ৪X৪০০ মিটাৰ মহিলা ৰিলেত স্বৰ্ণ আৰু ৪০০X৪০০ মিটাৰ মিশ্ৰিত ৰিলেত ৰূপৰ পদক জয়েৰে অসমৰ ক্ৰীড়াক্ষেত্ৰত এক ইতিহাস ৰচনা কৰে। ২০১৮ চনত হিমা দাসে অৰ্জুন বঁটা লাভ কৰে। হিমা দাস আমাৰ যুৱ সমাজৰ বাবে এক অনুপ্ৰেৰণা।

লাভলীনা বৰগোহাঁই ঃ

গোলাঘাটৰ বৰপথাৰৰ ওচৰৰ বাৰমুখীয়া গাৱঁত জন্মগ্ৰহণ কৰা লাভলীনাই ২০২০ চনত টকিঅ' অলিম্পিকত বক্সিংত ব্ৰঞ্জৰ পদক জয়েৰে অসমৰ ক্ৰীড়াক্ষেত্ৰক একক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে এক ইতিহাস ৰচে। তেখেত অলিম্পিকত বক্সিং প্ৰতিযোগিতাত পদক লাভ কৰা মেৰী কম'ৰ পিছত দ্বিতীয় গৰাকী মহিলা বক্সাৰ। ২০২৪ চনৰ অলিম্পিকত প্ৰতিনিধিত্ব কৰাৰ বিৰল কৃতিত্ব লাভ কৰে। লাভলীনাই ২০২৩ চনত নতুন দিল্লীত অনুষ্ঠিত 'আই.বি.এ' মহিলা বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ, ২০২৩ ৰ হাংজৌ এছিয়ান গেমছত ৰূপৰ পদক লাভ কৰে। ইয়াৰ উপৰিও ২০১৭ ৰ মহিলাৰ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জ, ২০১৮ ত মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদ অৰ্জন কৰে। লাভলীনাই ২০২০ চনত অৰ্জুন বঁটাৰ লগতে ২০২১ চনত ভাৰত চৰকাৰৰ সৰ্বোচ্চ ক্ৰীড়া সন্মান 'মেজৰ ধ্যানচান্দ খেলৰত্ন' সন্মানেৰে সন্মানিত হয়। লাভলীনা অসম তথা ভাৰতৰ গৌৰৱ লগতে যুৱসমাজৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস।

নয়নমণি শইকীয়া ঃ

গোলাঘাটৰ জীয়ৰী নয়নমণি শইকীয়া ভাৰতৰ এগৰাকী শ্ৰেষ্ঠ ল'নবল খেলুৱৈ আৰু শেহতীয়াভাৱে ২০২২ চনত অৰ্জুন বঁটা লাভ কৰে। ২০২২ চনত বাৰ্মিংহাম কমনৱেলথ খেল সমাৰোহত মহিলাৰ দলীয় শাখাত ল'নবলত স্বৰ্ণ পদক জয় কৰে। তেখেতে এছিয়ান লন বল চেম্পিয়নশ্বিপতো স্বৰ্ণ জয় কৰে।

উমা ছেত্ৰী ঃ

ভাৰতীয় জাতীয় ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথম গৰাকী খেলুৱৈ। তেখেত এগৰাকী উইকেটৰক্ষকৰ লগত নিৰ্ভৰযোগ্য বেটাৰ। ২০২৩ চনৰ এচিয়ান গেমছৰ স্বৰ্ণজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সদস্য। বৰ্তমানো তেখেত ভাৰতীয় জাতীয় মহিলা ক্ৰিকেট দলৰ সদস্য।

উপৰোক্ত ক্ৰিড়াবিদ সকলৰ উপৰিও অংকুশিতা বড়ো (বক্সিং), যমুনা বড়ো (বক্সিং), জিন্টিমনি কলিতা (ক্ৰিকেট), শিবাংগী শৰ্মা

(সাঁতোৰ), পপী হাজৰিকা (ভাৰোত্তোলন) আদি বহুতো প্ৰতিভাবান তথা সম্ভাৱনাপূৰ্ণ খেলুৱৈয়ে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় স্তৰত সফলতা তথা পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

সীমিত সুবিধা, আন্তঃগাঁথনিৰ অভাৱ, দৰিদ্ৰতা আদিকো নেওচি অসমীয়া নাৰীয়ে বিভিন্ন খেলত দেখুওৱা পাৰদৰ্শিতাৰ বাবে সঁচাই তেওলোক বহুতৰে বাবে প্ৰেৰণা আৰু আদৰ্শ। অসমত প্ৰতিভাৰ অভাৱ নাই, ভৱিষ্যতে অসমৰ পৰা আৰু অধিক ক্ৰীড়াবিদ অলিম্পিকৰ দৰে প্ৰতিযোগিতাত আৰু সফলতা অৰ্জন কৰক। যাৰ বাবে নিশ্চয় লাগিব, আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে নিজস্ব অধ্যাৱসায়।

*"Men can only think. Women have a way of understanding without thinking. A woman was created out of God's own fancy. Man, he had to hammer into shape."*

**Rabindranath Tagore**

# 'ত'ত্তচ্চান'
# খিড়িকী মুখত অকণিজনী

ড° ৰুবী বৰুৱা
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

ত'ত্ত-চ্চান হৈছে এজনী অকণমানি জাপানী ছোৱালী। দুষ্ট অকণমানি জাপানী ছোৱালজনী দুই তিনিবাৰ বিদ্যালয়ত দুষ্টামি কৰাৰ বাবে বিদ্যালয়ৰ পৰা বহিস্কৃত হৈছিল। অৱশেষত অকণমানিজনীৰ মাকে তাইৰ বাবে বিচাৰি পাইছিল এখন অতি উপযুক্ত বিদ্যালয়। বিদ্যালয়খনৰ নাম আছিল 'ত'মৈ'' আৰু 'ত'মৈ'ৰ প্ৰতিষ্ঠাপক তথা পৰিচালক আছিল ছ'ছাক ক'বায়াস্বি। এই বিদ্যালয়খন আৰু 'ত'ত্ত-চ্চান' দুয়োটা এক বিশেষ বৈশিষ্টপূৰ্ণ যিয়ে ইমানকৈ আকৰ্ষণ কৰে যে একেই দুয়োটা বিষয়লৈ আকৌ এবাৰ লিখিবলৈ মন গ'ল।

এই কিতাপখনিত পৰিপূৰ্ণ ত'ত্ত-চ্চান গৰাকীয়ে বহুকেইটা অধ্যায় লিখিছে। ইয়াৰে মাত্ৰ চাৰিটা অধ্যায়ৰ বিষয়ে চমুকৈ আলোচনা কৰিম। প্ৰথম আলোচনা কৰিবলগীয়া অধ্যায়টো হৈছে-

"সাগৰীয় খাদ্য আৰু মাটিৰ খাদ্য"।

'ত'মৈ'ত হেডমাষ্টাৰ ছ'ছাকু ক'বায়শ্বিয়ে কণকণ বিদ্যাৰ্থীসকলে কি কি খাদ্য 'টিফিন বক্স'ত লৈ আনিব তাৰ বাবে এক সুন্দৰ নিয়ম বান্ধি দিছিল। ল'ৰা-ছোৱালীৰ আহাৰৰ টেমাত থাকিব লাগিব 'মহাসাগৰৰ পৰা কিবা অলপ আৰু পাহাৰৰ পৰা কিবা অলপ"।

"মহাসাগৰৰ পৰা কিবা অলপ" মানে সাগৰীয় খাদ্য। যেনে - মাছ আৰু সাগৰীয় কেঁকোৰা, শামুক আদি। আকৌ পাহাৰৰ পৰা কিবা অলপ মানে বুজায় মাটিত উৎপন্ন হোৱা আহাৰ।

আহাৰৰ টেমাত মহাসাগৰৰ পৰা অলপ আৰু পাহাৰৰ পৰা অলপ ল'ৰা-ছোৱালীবোৰে আনিছেনে নাই সেই অনুসন্ধান তেওঁ সদায়েই কৰে। এনেদৰে কণ কণ শিশুসকলে কি খাদ্য ক'ৰ পৰা কেনেকৈ উৎপন্ন হ'ল সেই বিষয়ে বৰ সহজতে শিকিবলৈ সুযোগ পালে। কিতাপখনৰ দুটিমান শাৰী তুলি দিয়া হ'ল -

"সেই প্ৰথম দিনাৰ আহাৰৰ সময়ত ত'ত্ত-চ্চান কিছু বিব্ৰত হৈছিল, কিন্তু তাইৰ বৰ স্ফুৰ্তি লাগিছিল। কোনবিধ আহাৰ সাগৰৰ পৰা অহা আৰু কোনবিধ মাটিৰ পৰা অহা সেইটো ভাৰি উলিওৱাটো বেছ মজাৰ কথা। তাই আৰু শিকিলে যে 'ডে'নবু মাছুৰ পৰা তৈয়াৰী আৰু মাকে মনত ৰাখি সাগৰৰ পৰা কিবা অলপ আৰু পাহাৰৰ পৰা কিবা অলপ দিছে! দেখা গ'ল যে সকলো ঠিকেই আছে। তাই সন্তুষ্ট চিত্তে ভাবিলে আৰু তাৰ পিছৰ যিটো কথাত 'ত'ত্ত'-চ্চানৰ মন ভাল লাগিল সেইটো হৈছে মাকে ৰন্ধা বস্তুখিনি খাবলৈ আৰম্ভ কৰি তাই বৰ উৎকৃষ্ট সোৱাদ পালে।

এই অধ্যায়টিৰ পৰা হেডমাষ্টৰ ক'বায়াশ্বিৰ শিশু শিক্ষাৰ শিক্ষণ পদ্ধতিৰ সূক্ষ্ম পৰ্যবেক্ষণৰ এটি আভাস পোৱা যায়। কেনেদৰে নিজৰ নিত্য প্ৰয়োজনীয় কৰ্মখিনিৰে পৰা নানান কথা শিশুসকলক শিকাব পাৰি সেই কথাৰ এক সুন্দৰ নিদৰ্শন তেওঁৰ কৰ্মৰ পৰা বুজা যায়।

দ্বিতীয় অধ্যায়টো হৈছে -

"ভালকৈ চোবোঁৱা!"

জাপানী লোকসকলে খাদ্য খোৱাৰ আগতে সদায় 'ইটাডাকিমাছ' (Itadakimas) অৰ্থাৎ 'এইখিনি আহাৰ খাই মই বৰ সুখী হ'ম।" বুলি কয়। কিন্তু বিদ্যালয়খনত ক'বায়াশ্বি মহাশয়ে অলপ বেলেগ ধৰণেৰে ল'ৰা-ছোৱালীক খাবলৈ শিকাইছিল। তেওঁ ল'ৰা-ছোৱালীকেইটাক এক বিশেষ গীত গাবলৈ দিছিল। গানটোৰ শব্দখিনি তেওঁ নিজে ৰচনা কৰি বিখ্যাত "ৰো ৰো ৰো ইয়োৰ বোট" গানটোৰ সুৰত বহুৱাই দিছিল তেখেতে বহুৱাই দিয়া শব্দবোৰ আছিল ঃ

চোবোঁৱা চোবোঁৱা ভালকৈ চোবোৱা<br>
তুমি যি খাইছা সকলো<br>
চোবাই খোঁৱা, চোবাই খোঁৱা, চোবাই খোঁৱা<br>
চোবাই খোঁৱা<br>
তোমাৰ ভাত আৰু মাছ-মঙহ।

তেনেই সাধাৰণ শব্দকেইটাৰ যোগেদি তেওঁ সকলোকে আহাৰ চোবাই ভালদৰে খোৱাৰ অভ্যাস কৰাইছিল।

তৃতীয় অধ্যায়টো হৈছে -

"সেই গোটেইবোৰ আকৌ ভৰাই থ'বা"

'ত'ত্ত-চ্চানৰ বৰ মৰমৰ পইচা থোৱা বেগটো তললৈ জুমি চাওতে পায়খানাত পৰি গৈছিল। বিদ্যালয়ৰ পায়খানা, তাতে সেইবিলাক দিনত আজিৰ দৰে পানীৰ ফ্লাছ থকা পায়খানা নাছিল। তলত চুৰা-পাতনিৰ গাঁতৰ দৰে গাঁত আছিল। মৰমৰ বেগটো পৰি যোৱাত 'ত'ত্ত-চ্চান হতাশ নহ'ল। চকীদাৰজনৰ পৰা ফুলনিত পানী দিবলৈ ব্যৱহাৰ কৰা দীঘল নালৰ কাঠৰ হেঁতা এখন বিচাৰি আনিলে। নালডাল তাইতকৈ দুগুণ দীঘল। ময়লাৰ গাঁতটোৰ মুখখন বিচাৰি উলিয়ালে 'ত'ত্ত-চ্চানে। ময়লাৰ গাঁতৰ বস্তুবোৰ হেতাখনেৰে বাহিৰ কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথমতে তাই যিডোখৰ ঠাইত বেগটো পেলাইছিল, সেইডোখৰতে কাম আৰম্ভ কৰিলে। প্ৰতিবাৰ হেঁতা চলাওতে বেগটোৰ অনুসন্ধান কৰিলে তাই। বেগটোৰ কোনো চিন্-চাব তাই নাপালে। কিতাপৰ শাৰীকেইটামান ছবিখন স্পষ্ট হ'বলৈ তুলি দিয়া হ'ল -

"কি কৰিব তাই ভাবিলে। কিন্তু ইমানখিনি কৰাৰ পিছত কামটো চলাই যোৱাটোকে তাই ঠিক কৰিলে। নতুন উদ্যম লৈ তাই হেঁতা চলাই যাবলৈ ধৰিলে। মাটিত প্ৰকাণ্ড দ'ম এটা হোৱাৰ পিছতে হেডমাষ্টৰ সেই ফালে আহিল।

"কি কৰিছা নো?, তেখেতে 'ত'ত্ত-চ্চানক সুধিলে। 'মোৰ বেগটো পৰিল", এক মুহূৰ্ত্তও নষ্ট কৰিবলৈ মন নকৰি হেঁতা চলাই থাকিয়ে তাই উত্তৰ দিলে। 'অ', বাৰু।" সাধাৰণতে টহল দিয়াৰ সময়ত যেনেকৈ হাত দুখন পিছফালে মুঠি মাৰি ধৰে, তেনেকৈ কৰি হেডমাষ্টৰ গুচি গ'ল।

সময় পাৰ হৈ গৈ থাকিল, কিন্তু তাই বেগটো নাপালে। দুৰ্গন্ধি দ'মটো আৰু ওখ হৈ গৈ থাকিল। হেডমাষ্টৰ আকৌ এবাৰ আহিল। "তুমি সেইটো পালানে?" তেখেতে সুধিলে। "নাই পোৱা" দ'মটোৰ মাজৰ পৰা ঘামি জামি জুৰুলি-জুপুৰি হৈ ৰঙা পৰা দুগালেৰে সৈতে 'ত'ত্ত-চ্চানে উত্তৰ দিলে।

হেডমাষ্টৰ আৰু ওচৰলৈ আহিল আৰু বন্ধুৰ দৰে কণ্ঠেৰে ক'লে "তোমাৰ কাম হৈ গ'লে সেই গোটেইবোৰ আকৌ ভৰাই থ'বা, নহয়?" তাৰ পিছত আগৰবাৰৰ দৰেই তেখেত গুচি গ'ল।"

'ত'ত্ত-চ্চানে সেইদিনা হেডমাষ্টৰে কোৱাৰ দৰেই ময়লাৰ দ'মটো আগৰ দৰেই বহু কষ্ট কৰি ভৰাই থ'লে। এক জটিল কামৰ অন্ত পেলাই 'ত'ত্ত-চ্চানে সেইদিনা ভাগৰত সোনকালেই টোপনি গৈছিল। এই অধ্যায়টিৰ পৰা কাবায়াশ্বিদেৰৰ বিজ্ঞ অভিব্যক্তি বুজি উঠিব

পাৰি।

এই সমগ্ৰ পৰিস্থিতিটো যদি আমাৰ চকুৰ আগত হয়, আমি চিঞৰ-বাখৰ কৰি 'ত'ত্ত-চ্চানক গালি পাৰিলো হয়। অথবা আমি সহায় কৰিবলৈ বিচাৰিলোহেঁতেন। যিয়ে অকণমানি 'ত'ত্ত-চ্চানৰ আত্মবিশ্বাসৰ খুঁটাটো থিয় হ'বলৈকে নিদিলেহেঁতেন। আমি প্ৰায়বোৰ পিতৃ-মাতৃয়ে ঘৰত যিমান পাৰি নিজৰ সন্তানক সহায় কৰো, প্ৰায়ভাগ শিশু থকা ঘৰলৈ গ'লে বাটি চামুচ আৰু ম'বাইল ফ'নত ৰীল দেখুৱাই ল'ৰা-ছোৱালীৰ পিছে পিছে দৌৰি দৌৰি খুৱাই থকাৰ দৃশ্য দেখিবলৈ পাওঁ। এইবিলাকে শিশুটিক নিজে খোৱাৰ আনন্দৰ পৰা আঁতৰত ৰাখে। আত্মবিশ্বাস গঢ়ি উঠা সমগ্ৰ প্ৰক্ৰিয়াটোকে বাধা দিও। বিদ্যালয়ৰ ঘৰত কৰা কামত সহায় কৰি দি নিজে শক্তিশালী হোৱা প্ৰক্ৰিয়াটোক বাধা দিওঁ।

এনেদৰে বিদ্যালয়ৰ পায়খানাৰ ময়লা চাফা কৰা অকণমানি 'ত'ত্ত-চ্চানজনী ডাঙৰ হৈ পৃথিৱী বিখ্যাত ব্যক্তিত্বৰ অধিকাৰী হৈছিল। তেওঁ টেলিভিছনৰ এগৰাকী বিশেষ বিখ্যাত ব্যক্তি যিয়ে ১৯৭৫ চনত Tetsuko's Room (Tetsukono Heya) বুলি জাপানৰ প্ৰথম Talk Show আৰম্ভ কৰিছিল। আৰু পিছলৈ এই Show বিখ্যাত হৈ উঠিছিল আৰু ২০১১ চনত গিনিজ ৱৰ্ল্ড ৰেক'ৰ্ড হৈছিল আটাইতকৈ বেছি broadcast হোৱাৰ বাবে।

তেওঁ লিখা আত্মজীৱনীমূলক এই কিতাপখন 'ত'ত্ত-চ্চান' ৪ মিলিয়ন কপি জাপানত বিক্ৰি হৈছে আৰু পৃথিৱীৰ বেলেগ বেলেগ দেশত ২৫ মিলিয়ন কপি বিক্ৰি হৈছে।

এইবোৰৰ উপৰিও তেওঁ বিভিন্ন আন্তৰ্জাতিক পুৰস্কাৰ লাভ কৰিছিল।

কিতাপখনৰ আৰু বহুতো কথাই আলোচনা কৰিব পাৰি যদিও থূলমূলকৈ শেষৰ অধ্যায়টোৰ কথালৈ চোৱা যাওক।

"এটা ডবা আহিল"

'ত'মৈ বিদ্যালয়খন আছিল ৰেলৰ পুৰণা ডবাৰে বনোৱা। স্বাভাৱিকতেই ল'ৰা-ছোৱালীৰ আনন্দৰ পাৰ নাছিল এনে এখন ৰেলৰ ডবা থকা বিদ্যালয়ত পঢ়িবলৈ পাই। নতুনকৈ আৰু এটা ডবা বিদ্যালয়খনলৈ অনা হ'ব বুলি জানি ল'ৰা-ছোৱালীৰ মনত কেনেধৰণৰ কৌতুহল হ'ল তাৰ চিত্ৰখন উপস্থাপন কৰিবলৈ কিতাপখনৰ পৰা কেইটামান শাৰী তুলি দিয়া হ'ল -

"আজি ৰাতি এটা নতুন ডবা আহি পাব," দিনত ভাত খোৱা ছুটীৰ সময়ত মিয়'চ্চানে ক'লে। মিয়'চ্চান হেডমাষ্টৰৰ তৃতীয় কন্যা আৰু ত'ত্ত-চ্চানৰ লগত একে শ্ৰেণীৰে।

ছয়টা ডবা শাৰী শ্ৰেণীকোঠা হিচাপে আছিলেই, পিছে আৰু এটা আহিব। মিয়'-চ্চানে এইটো ডবা পুথিভঁৰাল হ'ব বুলি ক'লে। আটাইবোৰ সাংঘাতিক উত্তেজিত হৈ ৰ'ল। "কোনটো বাটেৰে বা ডবাটো স্কুললৈ আহিব, মই ভাবিয়ে পোৱা নাই," কোনোবা এজনে ক'লে।

আলোচনাৰ বিষয়টো লেখত ল'বলগীয়া। এখন্তেক সকলো নিতাল মাৰিলে।

"কিজানি ওয়িমাচ্ছি ৰেল লাইনটোৰেদিও আহিব পাৰে আৰু তেতিয়া সেই লেভেল ক্ৰছিংটোতে ঘূৰি দি এইফালে গুচি আহিব," কোনোবাই ক'লে।

"তেনেহ'লে ৰে'লৰ ছিৰিৰপৰা নামিব লাগিব দেখোন।" আন কোনোবাই ক'লে।

"তেওঁলোকে গাড়ীত ভৰাই আনিবওতো পাৰে," আন এজনে ক'লে।............।"

নতুন ৰেলৰ ডবাটো স্কুলখনলৈ কেনেদৰে আহিব তাৰ নানাৰঙী কৌতুহল হেডমাষ্টৰজনে কিদৰে পৰিচালনা কৰিলে

সেইটোহে উল্লেখনীয় কথা। তেওঁ কেনেদৰে ৰেলৰ ডবাটো পাবহি তাৰ ব্যাখ্যা নকৰিলে; বৰঞ্চ সকলোকে নিজে নিজে কৌতুহল নিবাৰণ কৰাৰ সুবিধা কৰি দিলে। যিবিলাক ল'ৰা-ছোৱালীয়ে ৰেলৰ ডবাটো অহা চাবলৈ বিচাৰে তেওঁলোকে ৰাতিৰ কাপোৰ সাজ পিন্ধি কম্বল এখন ঘৰৰ পৰা লৈ বিদ্যালয়ৰ হলঘৰটোতে ৰাতি থকাৰ ব্যৱস্থা কৰি দিলে।

তেওঁ সময়মতে সকলোকে শুই থাকিবলৈ দিলে আৰু ডবাটো আহিলেই তেওঁ ল'ৰা-ছোৱালীকেইটাক জগাই দিয়াৰ প্ৰতিশ্ৰুতি দিলে। পুৱতি নিশা ৰেলৰ ডবাটো এখন ট্ৰেক্টৰে ট্ৰেইলাৰত উঠাই আনিলে। সকলো ল'ৰা-ছোৱালী আনন্দত আত্মহাৰা হ'ল। ট্ৰেইলাৰৰ পৰা কেনেদৰে ডবাটো নমাই নিৰ্দিষ্ট স্থানলৈ নিয়া হ'ল, এই গোটেই পৰিস্থিতিটো চাই সকলোবোৰ অভিভূত হ'ল। আটাইতকৈ ভাল কথা গোটেই ঘটনাটো ল'ৰা-ছোৱালীকেইটাৰ জীৱন জুৰি মনত থাকি গ'ল।

তেৎছুকো কুৰ'য়ানগি অৰ্থাৎ ত'ত্ত-চ্চানে তেওঁৰ মৰমৰ বিদ্যালয়খনৰ কথা গোটেই পৃথিৱীৰ জনোৱাৰ উদ্দেশ্য এয়ে আছিল যে ছ'ছাকু ক'বায়াশ্বিৰ শিক্ষণ পদ্ধতি অৱলম্বন কৰিলেহে আচলতে শিশুসকলৰ সঠিক পূৰ্ণবিকাশ ঘটিব।

এই কিতাপখন অসমীয়া ভাষালৈ অনুবাদ কৰিছে তোষপ্ৰভা কলিতাই। কিতাপখন প্ৰত্যেক পিতৃ-মাতৃয়ে পঢ়াটো প্ৰয়োজনীয়; শিশু সকলৰ আত্ম-বিশ্বাস কিদৰে মজবুত কৰিব পাৰি তাৰ এখন পৰিষ্কাৰ ছবি কিতাপখনৰ পৰা পাব পাৰি।

**—— সেউজীয়া জীৱনলে জাগৃতি ছন্দ**
**আহে আহে**
**জনতাৰ অন্তৰে অন্তৰে।**
**আলোক বসন্ত হাঁহে হাঁহে**
**প্ৰচাৰিত আলোকবাণী ——**

**- জ্যোতিপ্ৰসাদ আগৰৱালা**

# লিংগ বৈষম্য আৰু আমাৰ সমাজ ব্যৱস্থা

ড° পৰিণীতা দত্ত
সহকাৰী অধ্যাপিকা
পৰিসংখ্যা বিজ্ঞান বিভাগ

নাৰী হৈছে মানৱজাতিৰ আয়ুস ৰেখা। নাৰী শব্দৰ সমাৰ্থক হিচাপে আমাৰ সমাজত স্ত্ৰী, ৰমণী, মহিলা, অংগনা, সুন্দৰী ইত্যাদি প্ৰতিশব্দবোৰ ব্যৱহাৰ কৰা হয়। নাৰী মানেই কাৰোবাৰ মাতৃ, ভগ্নী, স্ত্ৰী, কাৰোবাৰ কন্যা। নাৰী অবিহনে পৃথিৱীৰ সৃষ্টিৰ গতিশীলতা কোন দিশে ধাৱমান হ'ব তাক অনুমান কৰিব নোৱাৰি। মানৱজাতি সৃষ্টিৰ ঘাই শিপাদালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন। নাৰীক কোৱা হয় মমতাময়ী, কৰুণাময়ী, আদৰ্শ, দয়া, মমতা, সহনশীলতা, ধৈৰ্য্য, ত্যাগ ইত্যাদি বিভিন্ন গুণৰ অধিকাৰী নাৰী। নাৰীক সৃষ্টিৰ মূল চালিকা শক্তি হিচাপে গণ্য কৰা হয়। নাৰী অবিহনে এখন সফল সমাজ গঢ় দিব নোৱাৰি।

নাৰী আৰু পুৰুষ মানৱ প্ৰজাতিৰ দুটি সত্তা। পৃথিৱীৰ সৃষ্টিৰ শৃংখলা পৰিৱৰ্তনৰ বাবেই সৃষ্টি হৈছে এই নাৰী আৰু পুৰুষ। মাতৃ গৰ্ভৰ পৰাই এই পৃথিৱীত এটি মানৱ শিশু হিচাপেহে ভূমিষ্ঠ হয়। নৱজাত শিশুটিৰ শাৰীৰিক ভিন্নতাৰ ভিত্তিতে সমাজে সেই শিশুটিক ল'ৰা বা কন্যা সন্তান হিচাপে চিহ্নিত কৰে। নাৰী বা পুৰুষ হিচাপে চিনাক্ত নকৰে। আৰু শিশুটিৰ পৰিয়াল আৰু সমাজ লাহে লাহে সেই সন্তানক নাৰী বা পুৰুষ হ'বলৈ শিকায়। আমাৰ সমাজত নাৰী আৰু পুৰুষৰ মাজত যি পাৰ্থক্য বিৰাজমান সেয়া যিমান প্ৰাকৃতিক তাতকৈ বহুগুণে বেছি সামাজিক। কোনো শিশু মাতৃৰ গৰ্ভৰ পৰা নাৰী হৈ জন্ম লৈ নাহে, বৰং কিছুমান প্ৰক্ৰিয়াৰ মাজেৰে নাৰী হৈ উঠে আৰু সেই শিশুকে নাৰী হিচাপে গঢ় দিয়াৰ যি প্ৰক্ৰিয়া সেয়া জন্মৰ পিছৰ পৰাই আৰম্ভ হয়। পুৰুষতান্ত্ৰিক এই সমাজ ব্যৱস্থাত এটি শিশু জৈৱিকভাৱে জন্ম লাভৰ পৰাই সন্মুখীন হয় লিংগ বৈষম্যৰ। আমাৰ সমাজত যদি এটি ল'ৰা সন্তান জন্ম হয় তেওঁৰ হাতত তুলি দিয়া হয় বন্দুক, বল, বেট, স্পৰ্টছ কাৰ। এনে খেলাৰ সামগ্ৰীবোৰেই শিশুটিৰ মনত ক্ষমতাৰ প্ৰতিযোগিতা আৰু সাহসিকতাবোধ জন্মায়। আনহাতে কন্যা শিশুটিৰ হাতত তুলি দিয়া হয় পুতলা, পুতলা ঘৰ, পাকঘৰৰ খেলা সামগ্ৰী আদি। পুতলা খেলৰ যোগেদি শিশুটিক ইয়াকে প্ৰমাণ কৰি দিয়া হয় যে নাৰীয়ে ইচ্ছা কৰিলেই পুৰুষ বা ল'ৰা সন্তানৰ দৰে ঘৰৰ বাহিৰ হ'ব নোৱাৰে। উচ্চস্বৰে কথা ক'ব নোৱাৰে, জেদী হ'ব নোৱাৰে। তাইৰ পোছাক, খেলাৰ সামগ্ৰী আৰু খেলাৰ ঠাইকণো নিৰ্দিষ্ট কৰি দিয়া হয়, সেয়া পুৰুষতকৈ ভিন্ন। এই ভিন্নতাৰ বাবে প্ৰধানকৈ দায়ী হ'ল শিশুটিৰ লিংগ। এগৰাকী ল'ৰা সন্তানক একেদৰেই খেলৰ সামগ্ৰীৰ জৰিয়তে শৈশৱ কালতেই ভৱিষ্যতৰ পৃথিৱীত সংঘৰ্ষ কৰি জীয়াই থকা শিক্ষাৰ ভিত্তিত জীৱন গঢ় দিয়া হয়। আনহাতে ঘৰখনৰ ভিতৰতে প্ৰত্যেকদিনে একেটা কামৰ পুনৰাবৃত্তি কৰি, সন্তান লালন-পালন কৰি জীৱন কটাই দিয়াৰ শিক্ষা দি কন্যা সন্তানটিক ভৱিষ্যতৰ নাৰী হিচাপে গঢ় দিয়ে আৰু

নাৰী হৈ জন্ম লোৱাৰ কাৰণেই কন্যা শিশুটিয়ে চাল-চলন, আচাৰ-আচৰণ, হাঁহি-তামাচা সকলো দিশতে সমাজৰ কিছুমান কঠোৰ নীতি নিয়ম নিয়মৰ মাজেৰে লাহে ডাঙৰ হ'বলৈ লয়। কন্যা শিশু এগৰাকী যেতিয়া অলপ ডাঙৰ হৈ কৈশোৰ কাল পায় তেতিয়াৰ পৰাই লাহে লাহে তাইৰ বাবে বাহিৰৰ জগতখন আৰু সৰু হৈ যায় আৰু তাইৰ খেলা ঠাইডোখৰ নিৰ্দিষ্ট হৈ পৰে। ল'ৰা সন্তানটিৰ দৰে মুক্তমনে লগৰ সমনীয়াৰ সৈতে ঘৰৰ বাহিৰত বা পথাৰত গৈ খেলিবলৈ বা দৌৰিবলৈ যাব নোৱাৰে আৰু অলপমান ডাঙৰ হ'লেই ছোৱালীজনীক ৰন্ধাবঢ়া কৰিবলৈ শিকোৱা হয়। ঘৰ-দুৱাৰ পৰিষ্কাৰ কেনেকৈ কৰিব লাগে, ঘৰলৈ আলহী আহিলে আপ্যায়ন কেনেকৈ কৰিব লাগে সেয়া শিকোৱা হয় আৰু সময়ৰ লগে লগে এনেদৰেই কন্যা শিশুটি নিজৰ অজ্ঞাতে লাহে লাহে এগৰাকী নাৰীলৈ পৰিণত হয়। ল'ৰা সন্তানটিয়ে নিজৰ খেয়াল খুচিমতে চলাত কাৰো কোনো ধৰণৰ বাধা নাথাকে। কিন্তু ছোৱালী এজনীৰ ক্ষেত্ৰত হাজাৰটা বাধা। ল'ৰাজনে গোটেই ৰাতি বাহিৰত থাকি আড্ডা মাৰি দেৰিকৈ ঘৰত আহিলেও বা নিশাটো ঘৰলৈ নাহিলেও কোনো সমস্যা নাই, কিন্তু ছোৱালীজনী আন্ধাৰ হোৱাৰ আগতেই ঘৰ সোমাব লাগে। লগৰ সমনীয়াৰ লগত আড্ডা দিয়া, মন গ'লেই ফুৰিবলৈ যোৱা আদি ল'ৰা এজনৰ বাবে সেয়া নিতান্তই স্বাভাৱিক, কিন্তু ছোৱালী এজনীৰ বাবে সেয়া স্বাভাৱিক নহয়। যাৰ ফলত এই ভাৱনাই ছোৱালী এজনীৰ মনত হতাশা জন্মায়। আমাৰ সমাজত ল'ৰা এজনৰ দৰে ছোৱালীজনীয়েও যদি নিজৰ ইচ্ছামতে চলিবলৈ বিচাৰে সেই ছোৱালীজনী সমাজৰ দৃষ্টিত নষ্ট ছোৱালী।

আমাৰ সমাজত লিংগ বৈষম্য অতি প্ৰকট। এই পুৰুষ শাসিত সমাজত নাৰী মানে অবলা, নাৰী মানে অপৰিপক্ক। এতিয়াও এনেকুৱা বহুতো গাঁৱলীয়া সমাজ আছে য'ত কন্যা সন্তানটিক বিদ্যালয়লৈ নপঠায় আৰু অলপ ডাঙৰ হোৱাৰ লগে লগে উপযুক্ত পাত্ৰ চাই বিয়া দি দিয়ে। যাৰ ফলত সেই কন্যা সন্তানটিয়ে সমাজৰ নানান কঠোৰ নীতি নিয়ম মানিবলগীয়া হোৱাৰ উপৰিও বহুতো মানসিক আৰু শাৰীৰিক নিৰ্যাতনৰ বলি হ'বলগীয়া হয়। আজিৰ যুগত আমাৰ সমাজত যদিও বহু নাৰী আৰ্থিকভাৱে স্বাৱলম্বী হোৱা দেখা যায় তাৰ মানেই যে সেই নাৰী গৰাকী পুৰুষৰ দৰে স্বাধীন সেয়া নুবুজায়। এই ক্ষেত্ৰত পুৰুষতান্ত্ৰিক এই সমাজত নাৰীয়ে কিমানখিনি মানসিক আৰু মনস্তাত্বিক স্বাধীনতা পাইছে সেয়া বিচাৰ্য বিষয়। এনেদৰেই আমাৰ সমাজত পৰম্পৰাগতভাৱেই অতি সাধাৰণ কিছু প্ৰতিবন্ধকতা স্বাভাৱিকভাৱেই চলি আহিছে। বৰ্তমানৰ বৈজ্ঞানিক যুগতো আমাৰ সমাজত লিংগ বৈষম্য অতি প্ৰকট ৰূপত বিদ্যমান।

পুৰুষৰ মুখত প্ৰায়ে শুনা যায় নাৰী অবলা, নাৰী অক্ৰিয়। আচলতে আমি পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাইহে নাৰীক অবলা বনাই ৰাখিছে। যাৰ ফলত নাৰী এতিয়াও পূৰ্ণ শক্তিত উজ্বলি উঠিব পৰা নাই। গতিকে আজিৰ নাৰীয়ে নিজকে অবলা বুলি ভাবি ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকিলে নহ'ব। নাৰীয়ে নাৰী হিচাপে নহয় নিজকে মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব লাগিব। সমাজে বান্ধি দিয়া কিছুমান অস্বাভাৱিক বান্ধোনৰ পৰা নিজকে মুক্ত কৰি নিজৰ প্ৰতিভাৰে কৰ্মদক্ষতাৰে নিজকে সু-প্ৰতিষ্ঠিত কৰিব লাগিব। নিজৰ অধিকাৰ, স্বাধীনতা, নিজৰ মৰ্যাদা নিজেই অৰ্জন কৰিব লাগিব। ইয়াৰ উপৰিও গাঁও, চহৰ আদিত স্বেচ্ছাসেৱী সংগঠন, জন প্ৰতিনিধি আৰু শিক্ষিত যুৱক-যুৱতীসকলৰ জৰিয়তে লিংগ সমতাৰ ওপৰত বিভিন্ন সজাগতামূলক সভা

আহ্বান কৰাটো অতি প্ৰয়োজন। এটি কন্যা সন্তানক শিশু অৱস্থাৰ পৰাই নিজৰ সমতা, স্বাধীনতা আৰু দক্ষতাৰ কথা বুজাব পাৰিলেহে সমাজত নিজকে মানুহ হিচাপে সুপ্ৰতিষ্ঠিত কৰিব পাৰিব। সেয়ে বৰ্তমান প্ৰাথমিক শিক্ষা ব্যৱস্থাত লিংগ সমতাৰ পাঠ্যক্ৰমৰ নিত্যান্তই প্ৰয়োজন।

ইয়াৰ উপৰিও সমাজ, পৰিয়াল, পিতৃ-মাতৃ আৰু ওচৰ চুবুৰীয়াই কন্যা শিশুসকলক ল'ৰা সন্তানসকলৰ লগতে নিজৰ স্বাধীনতা দক্ষতা অধিকাৰৰ কথা বুজাব লাগিব আৰু এইটো শিকাব লাগে যাতে কন্যা শিশু সকলো ল'ৰা সন্তানসকলৰ দৰে সাহসী আৰু নিৰ্ভিক হ'ব লাগে। ল'ৰা সন্তান সকলোকো শিকাব লাগিব যাতে তেওঁলোকে কন্যা শিশুসকলক সমদৃষ্টিৰে চায়।

**"ধুনীয়া দেখাৰ বয়স নাই**
**ধুনীয়া ফল আবতৰতো পকে**
**বাহী চোতাল সাৰি সাৰি**
**ন-বোৱাৰীৰ যদি খহি পৰে ওৰণি**
**ধুনীয়া দেখি।"**

**মামণি ৰয়ছম গোস্বামী**

# লিংগ বৈষম্য ঃ দৃষ্টিভংগীৰ মাজেৰে অন্য এক দৃষ্টিভংগী

লিপিকা বুঢ়াগোহাঁই
সহকাৰী অধ্যাপিকা
ভূগোল বিভাগ

**"Women's empowerment is not about making women strong. Women are already strong. It's about changing the way the world perceives that strength."**

*- G.D. Anderson*
*(An Australian writer and feminist activist)*

নাৰী সমাজ তথা পৃথিৱীৰ এক চালিকা শক্তি। নাৰী অবিহনে সমাজ কল্পনা কৰিব নোৱাৰি, নাৰী অবিহনে সৃষ্টিশীল পৃথিৱীৰ ধাৰণা কৰিব নোৱাৰি। সেয়েহে নাৰীক আখ্যা দিয়া হয় মানৱজাতিৰ আয়ুসৰেখা বুলি। অতীতলৈ যদি ঘূৰি চোৱা যায় তাত দেখা যায় বৈদিক যুগৰ পৰা নাৰীক সমাজত এটা স্থান দিয়া হৈছিল। হিন্দু ধৰ্মত বিশ্বাসীসকল বিশেষকৈ ভাৰতত নাৰীৰূপী মাটিৰ মূৰ্তিক দেৱীৰূপে পূজা-পাতল কৰিছিল আৰু এতিয়াও সেয়া চলি আহিছে। কিন্তু পিতৃপ্ৰধান সমাজ হোৱা হেতুকে বাস্তৱতে নাৰীক কিমান আৰু কেনেকুৱা ধৰণৰ মৰ্যাদা দিয়া হৈছিল এইটোহে বিচাৰ্য বিষয়। সঁচাকৈয়ে পুৰুষৰ সমানে সমানে নাৰীয়ে খোজ দিব পাৰিছিল নে? যি সময়ত উচ্চ শ্ৰেণীৰ নাৰীয়ে পুৰুষজনৰ অৰ্থনৈতিক কাম-কাজত সহায় নকৰাকৈ ঘৰৰ ভিতৰুৱা লালন-পালনৰ দায়িত্ব সামৰিব লগা হৈছিল, তেনে সময়তে আৰ্থিক অৱস্থাৰে জুৰুলা কৰা নিম্ন শ্ৰেণীৰ মহিলাসকলে পুৰুষৰ সমানেই ঘৰৰ বাহিৰলৈ কাম কৰিবলৈ যাব পাৰিছিল। যদি উচ্চ শ্ৰেণীৰ মহিলায়ে একে পন্থা বাছি লয়, তেতিয়া মহিলাগৰাকীয়ে পৰিয়াল তথা সমাজখনৰ লাঞ্ছনা-গঞ্জনাৰ সন্মুখীন হ'ব লগা হৈছিল। নিম্ন শ্ৰেণীৰ নাৰীয়ে এনেক্ষেত্ৰত মুকলিমূৰীয়াকৈ ঘূৰিব পাৰিছিল যদিও পুৰুষতান্ত্ৰিক সমাজখনৰ পৰা বাছি যোৱা নাছিল। য'ত নাৰীক পুৰুষৰ তলতীয়া বুলিয়েই গণ্য কৰা হৈছিল। হিন্দুত্ববাদী সমাজে মাটিৰে নিৰ্মিত নাৰী মূৰ্তিৰ ওচৰত মূৰ দোঁৱাব পাৰিছিল, কিন্তু তেজ-মঙহৰ মূৰ্তিৰ ওচৰত মূৰ দোঁৱাব নোৱাৰিছিল। অন্যহাতে ইছলামধৰ্মীসকলৰ পৰ্দা প্ৰথায়ে নাৰীৰ স্থানক অৱনমিত কৰাত বেছিয়েই অৰিহণা যোগাইছিল। ইয়াৰোপৰি বাল্য বিবাহ, বৈধব্য জীৱন, সতীদাহ প্ৰথা এই সকলোবোৰ আছিল পুৰুষতান্ত্ৰিক সমাজৰ দান। এই কথাবোৰ চাবলৈ গ'লে নাৰীৰ মাজৰ উচ্চ-নিম্ন পাৰ্থক্যতকৈ নাৰী আৰু পুৰুষৰ মাজৰ সমতাৰ ব্যৱধানহে অধ্যয়ন আৰু চিন্তা কৰিবলগীয়া বিষয়।

কিন্তু স্বাধীনতাৰ পিছৰ দশকত সংবিধান প্ৰণয়নৰ সময়ৰ পৰা পুৰুষৰ সমানে নাৰীৰ সমস্যা আৰু সমতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি অহা হৈছিল। ইয়াৰ ভিত্তিতেই মহিলাৰ মানৱ অধিকাৰৰ চুক্তি নিৰ্ধাৰণৰ কৰা হৈছিল। য'ত আলোকপাত কৰা হৈছিল মহিলাৰ নিৰ্যাতনৰ বিৰুদ্ধে শাস্তিমূলক আৰু প্ৰতিকাৰসমূহৰ স্থিতি। আন্তৰ্জাতিক দিশত মহিলাৰ অংশগ্ৰহণকে ধৰি,

সমশিক্ষা অনুদান, সমাজৰ পুৰুষসকলৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ খেলা-ধূলাসমূহত সম অংশগ্ৰহণ, সমজলপানি প্ৰদান, গ্ৰামীণ মহিলাৰ উন্নীতকৰণ আদিৰ দৰে সমাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত আগবাঢ়িব পৰাকৈ নাৰীৰ বাবে যি চুক্তি আছিল, সেইখিনি কাৰ্যকৰী হোৱা ভালদৰে দেখা নগ'ল। যাৰ বাবে নাৰীয়ে সমাজখনত প্ৰত্যেকটো কাম কৰিবৰ বাবে বহু প্ৰত্যাহ্বানৰ মুখা-মুখি হৈ আহিছে আৰু যিসকল নিৰ্ভীক নাৰীয়ে এই প্ৰত্যাহ্বানক জয় কৰিছে তেখেতসকল সমাজৰ দহ শতাংশৰ বাবে আদৰ্শবান আৰু বাকী নব্বৈ শতাংশই তেখেতসকলক হেয় জ্ঞান কৰে। কাৰণ ভাৰতীয় সমাজত এতিয়াও এনেলোক আছে, যিসকলে শিক্ষিত হৈয়ো কিছুমান ভিত্তিহীন আৰু অযুক্তিকৰ নিয়মক "বোপাককাৰ ৰীতি" বুলি লালন-পালন কৰাতহে মনোনিবেশ কৰে। এইধৰণৰ প্ৰবৃত্তি কেৱল পুৰণি চামৰ বুলি নহয় তথা পুৰুষ বুলিয়েই নহয়, শিক্ষিতা মহিলায়ে আগ ভাগ লয়। এই নীতি-নিয়ম বুলি কওঁতে সকলোবোৰ সাঙুৰা নাই। কিছুমানৰ বিশেষ ভিত্তি আছে, যুক্তি জড়িত হৈ আছে। তাৰে অধিকসংখ্যক নিয়ম নাৰীক ভিত্তি কৰি ধৰা-বন্ধা হৈছে। এই নিয়মসমূহৰ বশৱৰ্তী হৈয়ে বহু মহিলাই সমাজৰ ভয়ত নিজৰ ভাল লগা কাম ত্যাগ কৰিবলৈ বাধ্য হয়। গতিকে এইক্ষেত্ৰত বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ উন্নীতকৰণৰ কৰাটো সমাজখনত জৰুৰী হৈ পৰিছে। শিক্ষা কেৱল আহৰণ কৰিলেই নহ'ব। ইয়াক সময়ে সময়ে সৰ্ব প্ৰয়োগ কৰিব লাগিব।

বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ যুগ যদিও লিংগ বৈষম্যক সমূলি নিৰ্মূল কৰিবলৈ সমাজ সক্ষম হোৱা নাই। ৰক্ষণশীল সমাজ এখনত পুৰুষতান্ত্ৰিকভাৱে বলি হৈ থকা নাৰীসকলৰ ওচৰত থিয় দিব পৰাকৈ কোনোধৰণৰ শক্তিশালী জনমত গঠন হ'বলৈ এতিয়াও বহু বাকী। এই বিষয়ত একেবাৰেই নোহোৱাকৈ আছে বুলি ক'বলৈ বিচৰা নাই। কিন্তু ইয়াৰ সমাধান কেৱল দলে বলে প্ৰতিবাদ কৰাতেই শেষ হৈছে যেন অনুমান হয়। ভাৰতবৰ্ষৰ দৰে গণতান্ত্ৰিক ৰাষ্ট্ৰখনলৈকে চোৱা যাওঁক.....। আইনৰ দুৰ্বল স্থিতিয়ে সমাজখনত দিনক দিনে ঋণাত্মক ঘটনাবোৰ বাঢ়ি অহাত উদ্‌গনিহে যোগাইছে। যৌন নিৰ্যাতন, নাবালিকা ধৰ্ষণ, ভ্ৰূণ হত্যা, অপহৰণ, যৌতুক দাবী, ঘৰুৱা হিংসা ইত্যাদিৰ উপৰিও নাৰীৰ বাবে ৰাস্তাই-ঘাটে মুকলিকৈ ঘূৰি ফুৰিবলৈও সমাজখন সুৰক্ষিত নহয়। ৰাজহুৱা স্থানেই হওঁক, কৰ্মস্থানেই হওঁক...... শিক্ষানুষ্ঠান লগতে নিজৰ ঘৰখনতেই নিৰ্যাতনৰ ঘটনা সংঘটিত হৈ আহিছে।

সাংখ্যিক অনুপাতেই হওক বা বিভিন্নধৰণৰ ঘটনাৰাজিসমূহৰ পৰা অনুমান কৰিলে বেছি সংখ্যক নিপীড়িত, নিৰ্যাতিত ভুক্তভোগী পুৰুষতকৈ মহিলাৰ সংখ্যাই বেছি আৰু মহিলাৰ সুৰক্ষাৰ নামত বিপৰ্যয় কঢ়িয়াই অনাত আগভাগ লওঁতা পুৰুষৰ লগে লগে কিছু মহিলাও সৰল ৰূপে জড়িত। অতি পৰিতাপৰ বিষয় যে, আমি সকলো দেখি বুজিও কেৱল নাৰীকেই "Self Defence"ৰ জ্ঞান দিবলৈ যাওঁ, কিন্তু পুৰুষৰো যে সমানে "Self Control"ৰ গুৰুত্ব আছে এই বিষয়ে ভবা নহয়। আনকি সকলো সমস্যাৰ সমস্ত দোষটো নাৰীৰেই বুলি ভাবি লোৱা প্ৰৱণতাটো নথকা নহয়। গতিকে যি কি নহওঁক, এনেধৰণৰ মনোবৃত্তিবোৰ সংশোধনৰ মাজেৰে চালি-জাৰি চালেহে এটা বিশ্লেষণাত্মক সমাধানৰ মাজেদি সমাজখন আগুৱাই নিব পৰা যাব। লিংগ সমতাৰ সজাগতাৰ দৰে প্ৰাথমিক শিক্ষা প্ৰজন্মই প্ৰজন্মক শিকাব

পৰাকৈ এটা পৰিৱেশক আমি অনবৰতেই দিবলৈ চেষ্টা কৰিব লাগিব। এই বিষয়টো প্ৰত্যেকখন প্ৰাথমিক আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানতে গুৰুত্বপূৰ্ণ বা বাধ্যতামূলক বিষয় হিচাপে গ্ৰহণ কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলৰ মনঃস্তাত্বিক দিশটোক গঢ় দিয়াব পাৰিলেই এখন সুস্থ সমাজৰ সৃষ্টি হ'ব।

এটা সুক্ষ্ম আৰু সৰল দৃষ্টিভংগীয়ে সমাজ এখনৰ ভাৰসাম্য বজাই ৰখাৰ দিশ নিৰ্ণয় কৰে। আজিৰ সমাজে বৌদ্ধিক অগ্ৰগতিৰ লগত ফেৰ মাৰোঁতে, আধুনিকতাৰ কৰাল গ্ৰাসত বিলীন কৰোঁতে আত্মকেন্দ্ৰিক চেতনাত ইমান সোমাই গৈছে যে নিজৰ পৃথিৱীখনত, নিজৰ জীৱনটোত একো সমস্যাৰ উদ্ভৱ নোহোৱালৈকে গা নলৰে আৰু কাষত বা সন্মুখত কিবা ঘটি থাকিলেও কাণসাৰ নিদিয়ে, নাইবা উপভোগ কৰাৰ থল হিচাপে বাছি লয়। এই প্ৰৱণতাবোৰে আধুনিক সমাজৰ ব্যক্তিবিশেষে বৈশিষ্ট্যৰ নিচিনা ৰূপ লয় যিয়ে এটা পৰিয়াল ধ্বংস হোৱাত হাত উজান দিয়ে। এটা পৰিয়ালৰ এনে ঋণাত্মক দুৰ্গতিয়ে এখন সমাজৰ দৃষ্টিভংগীক প্ৰভাৱিত কৰে। একেদৰে এখন সমাজৰ দৃষ্টিভংগী মানে সমস্ত পৃথিৱীখনক সাঙুৰি লয়। গতিকে দৃষ্টিভংগী প্ৰত্যেকৰে সংশোধন হোৱাটো দৰকাৰ। কিছুমান ক্ষেত্ৰত দৃষ্টিভংগী পৰিস্থিতিসাপেক্ষে উদাৰ হোৱাটো দৰকাৰ। সমাজবিশেষে বিভিন্ন কাৰণত নাৰী পুৰুষতান্ত্ৰিকভাৱে বলি হয়, ক'ৰবাত উভয় লিংগয়ে একে পৰিস্থিতিৰ সন্মুখীন নহয় বুলি নুই কৰিব নোৱাৰি। কিন্তু তুলনামূলকভাৱে নাৰীয়ে এই পৰিস্থিতিৰ চিকাৰ হোৱা বেছিকৈ পৰিলক্ষিত হৈছে। যাৰবাবে এইসমূহ কু-কৰ্মৰ নিৰ্মূলকৰণৰ বাবে সজাগতাৰ পৰিৱেশ সৃষ্টি হ'ব লাগে। এই পৰিৱেশক সচেতন নাগৰিকৰ ধনাত্মক দৃষ্টিভংগীয়েহে সাকাৰ ৰূপ দিব পাৰিব। দেশখনৰ চৰকাৰ বা সমাজখনৰ মূৰব্বীৰহে দায়িত্ব বুলি হাত সাৰটি বহি থকাটো উচিত নহয়। সমাজৰ প্ৰত্যেকজন নাগৰিকৰ হাতত বহু দায়িত্ব আৰু কৰণীয় আছে। তাৰবাবে প্ৰকাশভঙ্গীৰ আৱশ্যকতা আছে। এই দৃষ্টিভংগী বা প্ৰকাশভঙ্গীক যদি নাৰীৰ সৰলীকৰণৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতাৰে লগ দিয়াব পাৰে, তেনেহ'লে সমাজখনলৈ সুশৃংখলাবদ্ধতা আৰু স্থিৰতা আহিব বুলি বিশ্বাস কৰিব পাৰি।

**"তুমি চিৰ কৰুণাৰ আঁজলি ভৰাই**
**ফুৰিছিলা আঁৰে আঁৰে নীৰৱে বিলাই।।"**

**নলিনী বালা দেৱী**

# লম্পটৰ অস্থি মজ্জা

মূল ঃ উত্তম দত্ত
অনুবাদ ঃ ড° ময়ুৰী শৰ্মা বৰুৱা
সহযোগী অধ্যাপক
ইংৰাজী বিভাগ

গাঁওখনৰ নাম কুহকিনীৰ চৰ। চৰৰ ঠিক দক্ষিণে এটা প্ৰকাণ্ড পুখুৰী। পুখুৰীটোৰ চাৰিওফালে খয়েৰ গছৰ জাৰণি। সেই জাৰণিত অসংখ্য ভাটৌ চৰাই। সিহঁতে খয়েৰ গছৰ ফল খায় আৰু অবাধে মৈথুন কৰে।

ভুলতো কেতিয়াও কোনো গৰু-ছাগলী এই পুখুৰীৰ ঘাটলৈ পানী খাবলৈ নাহে। এই গভীৰ জলাশয়টোক দূৰদূৰণিৰ গাঁৱৰ মানুহে সন্তৰ্পণে এৰাই চলে। ঘৰৰ জীয়ৰী-বোৱাৰীবোৰে মতা মানুহবোৰক দৃঢ়াই দৃঢ়াই সাৱধান কৰে, ডিঙি শুকাই কৰ্কৰীয়া হৈ মৰি গ'লেও সেই দেওলগা পুখুৰীটোৰ পৰা এটুপিও পানী নাখায় যেন। সকলোৰে বিশ্বাস, সেই ৰাক্ষসৰ নিচিনা পুখুৰীটোৰ পানীত এবাৰ জোবোৰা মাৰিলে মতা মানুহবোৰ লম্পট হৈ যায়। ছোৱালী-বোৱাৰীবোৰ মায়াবিনী বেশ্যা হৈ যায়।

গভীৰ নিশা পৃথিৱীখন যেতিয়া ৰূপকথাৰ দৰে ৰূপোৱালী জোনাকত জুৰুলি-জুপুৰি হয়, তেতিয়া এজাক বিষণ্ণ বাতিল বেশ্যাই পুখুৰীৰ পানীত নামি বোকামাটিৰে ঘঁহি ঘঁহি মোহাৰি পেলায় সমস্ত জীৱনৰ আৰ্জিত পাপ। তাৰ পাছত পাৰলৈ উঠি নগ্ন হৈয়ে গান গাই গাই ঘৰলৈ ঘূৰি যায়। ঘৰ বুলিবলৈ তালপাতৰ ছালি, তৰ্জাৰ বেৰ আৰু মাটিৰে লিপা বাৰান্দা। চোতালত তুলসীৰ ভেটি। গুলঞ্চ ফুলৰ গছ। হেদালিত বগাই আছে নীল অপৰাজিতাৰ লতা। তেওঁলোকৰ সমবেত কণ্ঠৰ অলৌকিক গীতৰ সুৰত পুৰুষশূন্য গণিকা পাৰালৈ নামি আহে জোন, হাতৰ সাৰে ভৰিত সাৰে।

পৰীক্ষিৎ খুড়া  চিৰকালেই নিয়ম ভঙা মানুহ। এদিন আবেলি খেলপথাৰত ফুটবল খেলি থাকোতে মোক ইংগিতেৰে মাতি আনি পুৰণি হাৰকিউলিছ চাইকেলখনৰ  সমুখৰ ৰডডালত বহুৱাই লৈ ক'লে, ব'ল, অমৰাৱতীৰ চৰৰ পৰা ফুৰি আহোঁগৈ। কুহকিনীৰ চৰক মানুহে নৰকৰ চৰ বুলি কৈছিল আৰু পৰীক্ষিৎ খুড়াৰ দৃষ্টিত সেইখনেই আছিল অমৰাৱতী। মানুহে আৰু কিবাকিবি কোৱাকুই কৰিছিল, পৰীক্ষিৎ খুড়া নক্সাল নহয়, আন কিবাহে হেনো। আচলতে মানুহটো এটা চৰিত্ৰহীন, লম্পট, বেশ্যাৰ পুতেক আৰু বাতিল বেশ্যাবোৰৰ দালাল।

দেউতাই মোক তেওঁৰ লগ এৰাই চলিবলৈ কৈছিল। মাই নিজৰ মূৰৰ শপত দি কৈছিল যদি কেতিয়াবা কেনেবাকৈ সেই পাৰাটোলৈ যাৱ, ঘূৰি আহি মোৰ মৰা মুখ দেখিবি।

কিন্তু চিৰদিনে নিষিদ্ধ বস্তুৰ প্ৰতি মোৰ দুৰ্বাৰ আকৰ্ষণ। পৰীক্ষিৎ খুড়াই নিতৌ পুৱা গধূলি সেই নিষিদ্ধ পুখুৰীত জোবোৰা মাৰি গা ধুইছিল, এলবেট্ৰছৰ দৰে বিশাল ডেউকা মেলি পুখুৰীৰ ইপাৰৰ পৰা সিপাৰলৈ সাঁতুৰিছিল। আলতা জেঠাইক মা বুলি মাতিছিল। বাকী আটাইবোৰ বৃদ্ধাই তেওঁক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল। তেওঁলোকৰ মাজৰে কাৰোবাৰ তলপেটত ঘাঁ।

কাৰোবাৰ ৰাজহাড় বেঁকা হৈ গৈছে। কোনোবা এগৰাকী অন্ধ হৈ গৈছে। কাৰোবাৰ মূৰৰ পকা চুলি সৰি সৰি কপালখন বহলি গৈছে। কোনোৱে নিজৰ গাৰ শাড়ীখনকে সামৰি-সুতৰি পিন্ধিব নোৱাৰে। দৰক লাগি আকাশৰ পিনে চাই থাকে। উলংগ হৈ ভাটৌবোৰৰ সৈতে কথা পাতি থাকে।

ময়ো তিনিদিন সেই কালিকা লগা পুখুৰীত জোবোৰা মাৰি গা ধুইছোঁ। দৈ কলা চৰাইটোৰ দৰে সাঁতুৰিছোঁ। পুখুৰীৰ পানীত গুলঞ্চ ফুলৰ আচৰিত সুবাস। প্ৰথম দিনা পানীত নমাৰ আগেয়ে নিমাওমাও পানীৰ বুকুত আঙুলিৰে লিখিছিলোঁ ঃ এই পানীত কোনো পাপ নাই।

পানীৰ পৰা পাৰলৈ উঠাৰ পাছত পৰীক্ষিৎ খুড়াই অদ্ভুতধৰণে হাঁহি হাঁহি মোক কৈছিল, আজিৰ পৰা তয়ো লম্পট হৈ গলি। একদম মোৰ নিচিনা। পৰীক্ষিৎ খুড়াৰ চাইকেলৰ হেণ্ডেলত দুটা ডাঙৰ ডাঙৰ বেগত আঠটা বাটি ধৰা টিফিন কেৰিয়াৰ। তাত চাউল দাইল আৰু ফুলকবি গাজৰ আৰু কেঁচা মটৰৰ হালধীয়া খিচিৰি। পিছপিনৰ কেৰিয়াৰত এটা কাঠৰ বাকচ। তাত হোমিওপেথিক ঔষধৰ এগালমান বটল। পৰীক্ষিৎ খুড়াই নিজ হাতে সকলোকে যতনেৰে খিচিৰি খুৱাই দিছিল। মই বটলৰ মুখেৰে সাৱধানে পানী খুৱাই বৈ অহা পানীকণ গামোচাৰে মচি দিছিলোঁ। তাৰ পাছত অসুখীয়া কেইগৰাকীক মুখ মেলাই ঔষধৰ গুটিবোৰ খুৱাই গধূলিৰ আন্ধাৰত তাম বৰণীয়া আটিল দেহৰ ওখ-পাখ মানুহটো গাঁৱলৈ উভতি আহিছিল। চলন্ত চাইকেলৰ আগপিনৰ ৰডডালত ভৰি ওলোমাই বহি থাকিছিল এটি ক্ষীণ ল'ৰা। তাৰ মনত হাজাৰ প্ৰশ্ন। কিন্তু সি জানিছিল সকলো প্ৰশ্ন মুখ ফুটাই সুধিব নোৱাৰি।

এদিনাখন চাইকেল চলাই থকাৰ মাজতে বেছ চিন্তিতভাৱে খুড়াই ক'লে, যোল্ল নম্বৰ ঘৰৰ কাজল মাহী আৰু বেছিদিন নাথাকে। বৰ বেছি এসপ্তাহ।

তাৰ পাঁচদিন পাছৰ কথা। আবেলি বেলিকা স্কুলৰ পৰা উভতি আহি আছিলোঁ। পৰীক্ষিৎ খুড়াই ক'লে, কিতাপৰ বেগটো ঘৰত থৈ বেগাবেগিকৈ আহ। মই ৰৈ আছোঁ।

কিতাপৰ বেগটো টেবুলত থৈয়ে বাতাচা দুখন মুখত ভৰাই ফুটবল খেলোগৈ বুলি কৈ ওলাই আহিলোঁ। পৰীক্ষিৎ খুড়াৰ মুখ গহীন। গোমা। গৈ থাকোতেই জনালে, কাজল মাহী ঢুকাল। কেঁথাৰে নুৰিওৱা শটো খুড়াই অকলেই কান্ধত তুলি ল'লে। এহাতত দীঘল কোৰ এখন। পুখুৰীৰ পশ্চিম পাৰে চাৰিহাত দীঘল গাঁত এটা খান্দি মোক ক'লে, আহ, দুইটাই মিলি মাটিখিনি উঠাই পেলাওঁ। তাৰ পাছত আঁঠু কাঢ়ি কাজল জেঠাইক সেৱা এটা কৰিলে। মোক ক'লে, জেঠায়েৰক সেৱা কৰ। তাৰ পাছত চকুদুটা মুদি এইফালে পিঠি দি ৰৈ থাক। মৃতদেহৰ ভৰি চুই সেৱা কৰি চকু জপাই উভতি ৰৈ থাকিলেও গম পাইছিলোঁ, কাজল জেঠাইৰ দেহৰ পৰা শাড়ীৰ শেষ আবুৰকণ আঁতৰাই পৰীক্ষিৎ খুড়াই তেওঁক আয়তাকাৰ গাঁতটোত আলফুলে শুৱাই দিলে। জানোচা মৃতদেহটোৱে দুখ পায়! তাৰ পাছত দুহাতত মাটি লৈ দেহটো ঢাকি দিলে। মোক ক'লে, তয়ো অলপ মাটি দে।

তাৰ পাছত সৌ বেগটোৰ পৰা খয়েৰ গছৰ পুলিটো উলিয়াই আন। ইয়াতে পুতি থম। পুখুৰীৰ পৰা আঁজলি ভৰাই পানী লৈ আন। খয়েৰ পুলিটো ৰোৱা শেষ হ'লত পৰীক্ষিৎ খুড়াই টোপনিৰ ঘোৰত কথা পতাৰ নিচিনাকৈ বিৰবিৰালে, এই পুলিটো এদিন বহুত ডাঙৰ হ'ব। ঢেৰ ফল লাগিব, ৰঙা-সেউজীয়া ফল। জাক জাক ভাটৌ চৰাই সেই ফলবোৰ খাবলৈ উঠি

আহিব। কাজল মাহীৰ আত্মাই সিহঁতৰ সৈতে চৰাইৰ ভাষাত কথা পাতিব। ... মই কেনেবাকৈ পাহৰিলেও তই কিন্তু এই কবৰত সদায় পানী দিবি। মানুহজনীয়ে বহুত তৃষ্ণা লৈ মৰিছে।

সেইদিনা চাইকেলত বহি ঘৰলৈ ঘূৰি আহি থাকোতে পৰীক্ষিৎ খুড়াৰ মুখলৈ নোচোৱাকৈয়ে বহুত প্ৰশ্নৰ উত্তৰ পাই গৈছিলোঁ ঃ চা, এওঁলোকৰ কোনো সন্তান নাই। আত্মীয়-স্বজন নাই। এওঁলোক মৰিলে চকুপানী টুকিবলৈকো কোনো ওচৰ-চুবুৰীয়া নাই। মইনো আৰু কিমান টানিম ক! এওঁলোকৰ কোনোবাই ৰেলব্ৰীজৰ তলত ভিক্ষা কৰিছিল। কোনোৱে বেঁকা ৰাজহাড়েৰে কুঁজা অৱস্থাতো নিজৰ অতীতৰ পৰিচয় লুকুৱাই মানুহৰ ঘৰত চাকৰণী খাটিবলৈ গৈ অজ্ঞান হৈ পৰি থাকিছিল। কোনোবাই পাগল হৈ ৰাস্তাই ৰাস্তাই গান গাই ফুৰিছিল। এদিন এজনী ভিক্ষাৰিণীক দেখি এনে লাগিল, অবিকল মোৰ মৃতা মাৰ দৰে। তেওঁক চাইকেলতে উঠাই লৈ আহিলোঁ। এনেকৈয়ে এজনী এজনীকৈ অ'ৰ-ত'ৰ পৰা বুটলি আনি এঠাইত গোট খুৱালোঁ। নিজ হাতে জুপুৰীঘৰ সাজি দিছোঁ। চোতালত ৰুই দিছোঁ তুলসী পুলি। গুলঞ্চ ফুলৰ পুলি। ধানৰ মিলত কাম কৰি যি কেইটকা পাওঁ তাৰে এওঁলোকৰ কাৰণে সামান্য খিচিৰিৰ আয়োজন কৰোঁ। মানুহে মোক লম্পট বুলি কয়, চৰিত্ৰহীন বুলি কয়, বেশ্যাৰ দালাল বুলি কয়! ... হয়তো তোকো ক'ব। তোৰ দেউতাৰে গম পাব লাগিলে মোক কিজানি গুলিয়াই মাৰিব। নহ'লে থানালৈ গৈ মোৰ নামত ৰিপোৰ্ট কৰিব। ভাবি চা, যিবোৰ মতামানুহ বৈবাহিক জীৱনত সুখী নহয়, সিহঁতৰ বহুতেই বৈচিত্ৰ্যৰ লোভত ইহঁতৰ ওচৰলৈ আহিছিল। কম বয়সীয়া ডেকা ল'ৰাবোৰো আহিছিল। আহিছিল দিশহাৰা মাতালৰ দল। স্ত্ৰী সংগৰ পৰা বঞ্চিত সৈনিক। বিপত্নীক অথবা বাধ্যতামূলক চিৰকুমাৰ। সকলোৱে কম বেছি পৰিমাণে বিকৃতকাম। দুই মিনিটৰ ফুৰ্তিৰ বিনিময়ত সিহঁতবোৰে ইহঁতৰ শৰীৰত কদৰ্য্য অসুখ ঢালি থৈ গৈছিল। লৈও গৈছিল দুৰাৰোগ্য যৌনৰোগ। সেই মানুহবোৰৰ কোনোৱেই আজি ইহঁতৰ ছাঁৰ কাষত নাই। জাননে, ছায়ামূৰ্তি আৰু কংকালৰ কোনো প্ৰেমিক নাথাকে। পুৰাণত থকা চিৰযৌৱনা উৰ্বশী মহাকবিৰ কল্পনা মাথোন। মৰতৰ উৰ্বশীহঁতৰ কবৰত মাটি দিবলৈকো মানুহ নাই। ভাবি চাচোন, তই আৰু মই নথকা হ'লে কাজল মাহীৰ শটো তৰ্জাৰ বেৰৰ ঘৰটোতেই পৰি থাকিলহেঁতেন। ৰাতি শিয়ালে আহি মাংসবোৰ নেফানেফ কৰি খালেহেঁতেন। দিনত শগুনৰ জাক আহি অৱশিষ্ট মাংসখিনি খুটিয়াই খুটিয়াই খালেহেঁতেন। একেবাৰে শেষত কুকুৰ আৰু হায়েনাৰ জাক আহি হাড়বোৰ চোবাই খাই চাফা কৰি দিলেহেঁতেন। কুহকিনীৰ চৰৰ পুখুৰীত গা ধুই মইতো লম্পট হৈ গ'লো। কপালৰ বলত তয়ো সুৰুসুৰা লম্পট। চাৰিওপিনে চকু ফুৰাই চা, ইস্ত্ৰী কৰা চোলাৰ তলত, দামী ব্লেজাৰৰ আঁৰত, সুখী দাম্পত্যৰ সোণৰ পিঞ্জৰাত বহি সুহুৰিওৱা মানুহবোৰৰ মাজত তই কাকোৱেই লম্পট বুলি ধৰিব নোৱাৰিবি। সকলোৱেই নিষ্পাপ ঈশ্বৰপুত্ৰ।

ওঠৰ বছৰ বয়সতে মই, অৰ্থাৎ লম্পট কংকণ চট্টোপাধ্যায়ে শৈশৱৰ সপোনৰ গাঁওখন এৰি এখন ডাঙৰ চহৰত পঢ়িবলৈ গুচি যাওঁ। পিছপিনে পৰি ৰয় কুহকিনীৰ চৰ। পৰি থাকে যোল্ল ঘৰ গণিকাৰ একক সংসাৰ, তুলসী ভেটি, গুলঞ্চৰ সুবাস সনা নিৰ্জন পুখুৰীৰ পানী। পৰি ৰয় জেলখটা প্ৰাক্তন নক্সাল নেতা পৰীক্ষিৎ হেমব্ৰম। যাৰ কোঠাত প্ৰথমবাৰৰ কাৰণে মাও জে ডং নামৰ এজন দেখাত অদ্ভুত লগা মানুহৰ ধূলি-বালি লগা ফটো। আৰু দ'ম দ'ম প্ৰচ্ছদ ফটা

কিতাপ।

বিশ্ববিদ্যালয়ৰ দুজন সহপাঠীৰ লগত চিনা-পৰিচয় হোৱাৰ পাছত এদিন কথাই কথাই গম পালো, ঘৰৰ পৰা পঠিওৱা টকাৰে সিহঁতে প্ৰত্যেক সপ্তাহত ফুৰ্তি কৰিবলৈ হাড়কাটা গলিলৈ যায়। তসলিমা নাসৰিনৰ লেখা পঢ়ি পঢ়ি জানিলোঁ, তেওঁৰ তৰুণ স্বামী কবি ৰুদ্ৰ মহম্মদ শহিদুল্লাহে গণিকালয়লৈ গৈ ছিফিলিছ বেমাৰত আক্ৰান্ত হৈ নতুন কইনাৰ ওচৰত ধৰা কৰি যায়। শুনিবলৈ পালোঁ, বিনয় মজুমদাৰ নামৰ এজন ডাঙৰ কবি নিয়মীয়াকৈ সোনাগাছিৰ এক বেশ্যাৰ ঘৰলৈ গৈছিল। সুনীল গংগোপাধ্যায়ৰ আত্মপ্ৰকাশ আৰু অৰ্দ্ধেক জীবন পঢ়ি এয়াও গম পোৱা গ'ল, কৃত্তিবাসৰ তৰুণ কবিসকলৰ বহুতেই নিষ্কাম কিংবা সকাম পৰ্য্যটনৰ বাবে গণিকাপাৰালৈ গৈছিল। ব্যভিচাৰী জীৱনযাপনৰ অৱধাৰিত পৰিণতিস্বৰূপে বিখ্যাত ফৰাচী লেখক মোপাচাঁ ছিফিলিছ ৰোগত আক্ৰান্ত হৈছিল,। এনেধৰণৰ আৰু অনেক গল্প আকাশে-বতাহে ভাঁহি ফুৰিছিল। নমস্য পুৰুষসকলৰ লালবাতিৰ নীলপৰীবোৰৰ প্ৰতি থকা আকৰ্ষণৰ কথা শুনি শুনি এদিন লম্পট কংকণ চট্টোপাধ্যায়ে এম এ পাছ কৰি সৈনিকৰ চাকৰিত যোগদান কৰি বংগদেশৰ পৰা গুচি যায়। তিনি বছৰৰ পাছত সি এদিন চাকৰি এৰি থৈ গাঁৱলৈ ঘূৰি আহে। সকলোৰে অলক্ষিতে এদিন কুহকিনীৰ চৰলৈ গৈ দেখে, যোল্লটা জুপুৰিঘৰ জহি খহি পৰি আছে। পানীৰ অভাৱত শুকাই গৈছে তুলসী, অপৰাজিতা আৰু গুলঞ্চ ফুলৰ গছ। কোনো নাই সেই শূন্য পৃথিৱীত। সেই বিশাল খয়েৰ গছৰ জাৰণি নিৰ্মমভাৱে কাটি পেলোৱা হৈছে। ভাটৌৰ জাকবোৰো উৰি গৈছে দিগন্তৰ সিপাৰলৈ। কোনো এজন প্ৰমোটাৰৰ তিনিখনকৈ ট্ৰাকে পাল পাতি আহি বালিৰে পুতি পেলাইছে পুখুৰীটোৰ আধাখিনি। বাকীখিনিও অতি সোনকালেই পুতি পেলোৱা হ'ব। শুনিলো, কুহকিনীৰ চৰত গগনচুম্বী অট্টালিকা সজা হ'ব। অনেক ভদ্ৰ পৰিয়ালে ইয়ত বসবাস কৰিব।

বহুত বিচাৰ-খোঁচাৰ কৰাৰ পাছত এটা শিলৰ ক্ৰুছ বহোৱা সেউজীয়া কবৰ চকুত পৰিল। সেই লম্পট পৰীক্ষিৎ হেমব্ৰম শুই আছে ইয়াতে। অতদিনে তেওঁৰ অস্থি মজ্জা মিহলি গৈছে কুহকিনীৰ চৰৰ মাটিৰ অণু-পৰমাণুত। ক্ৰুছৰ ওপৰত বহি আছে এটি নিশাচৰ চৰাই। এনে লাগিল, তাৰ কোনো ঘৰ নাই, বন্ধু নাই, সংগীও নাই। মোক দেখাৰ পাছতো সি কলৈকো উৰি নগ'ল। মই নিয়ৰৰ শব্দৰ দৰে ফুচফুচাই সুধিলোঁ, মই আহিছোঁ, শুনা পাইছানে পৰীক্ষিৎ খুড়া?

# When the shadows cry......

Prerana Doley
Assistant Professor
Department of Botany

"This Friday is slowly turning out to be a Black Friday", Deeksha thought to herself. Tired and frustrated she turned to her laptop and resumed her typing frantically. "I have to submit this by today", she reminded herself, her mind and fingers strained. A minute later, her phone started ringing.

"Maa, where are you? I am hungry", Nibir, her 4 year old son's complaining voice came from the other end. In those situations when she thought she had everything figured out, the pieces in her life's puzzle seemed to crumble down. Taking a deep breath, she said in the most motherly tone possible "Didn't you have breakfast yet son? Where is Jyoti didi?"

"I don't know, attending grandma probably", Deeksha could visualize her 4 year old son pouting at the moment. "These house helps! Always eschewing one work for another. Am I not paying her enough!", she heaved with anger.

"Find didi and ask her to make you something. Maa is really busy today okay. Bye"; saying so she hurriedly disconnected the call. Deeksha's heart sank. In those moments, she questioned her existence as a mother. An ambitious damsel that she was, being the class topper had meant everything to her. After finishing her engineering degree with flying colours and then grabbing many campus placements effortlessly, she finally joined in one of the nation's best telecommunication companies. Life seemed fairly easy until then. Gradually, the banalities of life took over. It was in an annual tech conference where she had met Apurba. She was drawn to his simplicity which was mixed with a whiff of arrogance. She was also amazed by his outwardly knowledge of everything. Through his eyes she could see the myriad kaleidoscope of life. After courting for a year and a half they exchanged their vows in front of their closest ones. A couple of years later, Narzi was born to them and then another 3 years later, their family tree expanded with Nibir. Life became a giant vintage clock of which she was the pendulum dwindling between the seconds and the minutes.

The shrill ringtone of her phone woke her up from her reverie. "When are you submitting the file?"; Mr Nair's stern voice came from the other end. "The deadline was ages ago". She could easily sense the disdain in his voice. Even though a considerate boss, Mr. Nair never patronized any delay in work. Deeksha fervently

defended the delay and asked for a day's time to finish the work. She looked at the clock. "11:30 am", she noted the time in her mind. "Let's do this"; she mustered up her energy and set off on her laptop, the keyboard clicking like guns in a battlefield. The weekend seemed to be far away.

**********

The weekend that she had longed for was turning into a nightmare. Her house began to resemble a village fair. Nibir, her son was crying on the top of his voice because he could not find his Jumanji board game; her mother-in-law's arthritis was not getting any better; on top of that she had a few unexpected guests, her nephews and nieces who had come all the way from Assam for their Bangalore trip and the tip of the iceberg was that her maid was on leave because apparently someone in her family had passed away. How she missed her husband on days like this! Apurba was gone on an official trip to Sharjah for the past 2 months. He was enlisted by his company to oversee the novel construction of their tech branch in the Emirates. Only on completion of the project could he return.

***********

It was a pleasant day outside. A sniff of the air and one could tell it was spring. Deeksha peeped through the window of the living room. The petunias and the azaleas in her balcony were in full bloom. A gentle breeze blew as though it was serenading the morning sunrays of February. But the tranquil surroundings could not calm the growing restlessness inside her. It was the day Narzi's 12th examination results were coming out. Her daughter had always been a diligent student who enjoyed learning the newest and the toughest of things. Surprisingly, Deeksha had noticed a change in demeanor and perspective in her daughter's approach towards her studies. The grades and the being at the top of the class meant more to her than learning new things. She realized that her daughter was metamorphosing into the bull that was determined to win the race. The clock struck 11. Deeksha tiptoed to Narzi's room. With bated breath she waited outside the door. After a few minutes Narzi unlocked her door and dashed outside with a water bottle. She went to the kitchen, refilled the bottle and then went back to her room closing the door with a bang. Deeksha stood there transfixed. She knew at once that her daughter had failed to secure the highest spot by a narrow margin. She saw in her daughter a reflection of herself, the competitiveness that she possessed back in her school days. She weighed the comparison. Suddenly, an ominous feeling groped her and in that mild spring morning she started sweating.

************

The days and the seasons drifted by but Deeksha found herself caught in the same moment, entangled in the idiosyncrasies of life. Her calm and astute face betrayed the whirlwind of emotions that she felt within. Like a life-sized doll with a switch, she went on with her daily chores. Her laptop lay on the living

room sofa, chiming with notifications. She remained oblivious of it. “Probably, mails and reminder of the upcoming annual review meeting”, she thought to herself and began dusting the sofa.

“Didi, why are you doing that? Let me do it!”, Jyoti, her maid came rushing from the other end of the room and snatched the piece of rag from her hands. Deeksha neither protested nor approved. She stood there for a moment and then went and sat in her balcony. Around her were her plants and creepers that she had so dotingly planted. They had lost their colour and radiance. The flower pots were covered with weeds. Dead brown leaves remained huddled on the balcony floor. Her once beloved balcony looked gloomy and deserted like a child that had lost its mother. But it could not make her pick up the water can or the spade. She sat there indifferent with a placid expression.

Jyoti kept glancing at her employer from time to time. The latter's changed behavior astounded her. The lady that had reprimanded her about trivial things seldom bothered her anymore. Sometimes, Jyoti's presence or absence even went unnoticed by her. Once a strong, determined and impulsive woman who could go to the ends of the world to secure her hopes and ambitions now remained unbothered and distant. That day she was shaken to consciousness by her son. The little boy was playing in the living room when he heard the pressure cooker whistle 20 times in a row such that yellow foam spilled onto the gas stove. Apparently, she was making lentils for dinner and had forgotten about it. A few days later, on being asked to sign some admission forms of her daughter, the product manager of a company that she was had forgotten her signature. She fidgeted with the pen for some time and succeeded after many attempts. That night, worried by her mother's derangement Narzi talked to her father over the phone. Apurba was still in Sharjah. He pondered over his wife's condition. In the couple of calls that he could make to her in his busy schedule, he found the enthusiasm lacking which was evident when he had first shifted to the Emirates. Deeksha would narrate all of her day's activities and happenings with such passion that he could only listen patiently and smile at the other end of the receiver. Apurba became resolute of wrapping up his company's task at the earliest and returning back home.

This indifference and aloofness in her character began after her visit to Assam the previous month. A phone call at midnight had changed the course of her life. It was Jonardhan mama, her maternal uncle who had informed her of the demise of her maternal aunt, Pori mahi. She took the next flight to Guwahati and after a 4 hours bus journey found herself in that little town of Bongaigaon that she had once bid farewell to. When she reached her ancestral house, she felt as though she had time travelled to 20 years ago. The lime coloured Assam-type building with the giant bougainvillea trees appeared exactly the same. The only difference was

that Pori mahi did not come running to embrace her in her arms. Being the only child of her parents, she had considered Pori mahi more as an elder sibling than as an aunt. The aunt-niece duo would eat, play and sleep together. One could hear them talking and giggling beneath the jackfruit trees in the backyard from dawn to dusk. After her mother passed away when she was only 17 years old, Pori mahi took care of her more than her own mother would have. A year later, her father had passed away too. The poor man could not recover from his wife's death. From then onwards, Pori mahi was her only standing pillar. She was her guardian, her sibling and her friend. During the days when she was doing her engineering in Guwahati she would often come home for her vacations and spent hours talking with Pori mahi. The latter would patiently listen and smile whilst cooking delicious dishes for her. One day, in one of such vacations, Deeksha had noticed a few lines of wrinkles on her aunt's face. The wrinkles became distinct every time she smiled. Her heart sank. Her beloved aunt had sacrificed her precious youth so that she could give her niece a wholesome life. The day she got married, Pori mahi had squeezed in to her hands a pair of gold bangles. "This is all I could give you'", she had said with guilt. At present time, Deeksha thought about those bangles. "Where did I keep them?", she thought. Probably, they were lying in one corner of her locker in her apartment in Bangalore. Ironically just like those bangles, she had piled up her past and had tossed them in to a corner. In her fast-paced life in Bangalore, she had forgotten about the life that she once led in that small town, in that lime coloured house with Pori mahi. After she had moved out of Assam, Pori mahi would often call her and try to start a cheerful conversation. Tired from work and household obligations Deeksha found herself disinterested in most of those phone calls. In one of such phone calls she remembered Pori mahi's words. "You are turning in to your mother. Always working! No life outside of work. You should learn to embrace the small moments in life before they are gone", she had said. Deeksha once thought of bringing her to Bangalore but then dismissed the idea immediately as it would only add to her burdens. How inconsiderate was she!

On the day of cremation, she looked at the lifeless body of her aunt; the whiteness of her face resembled the colour of the sheet that covered her. At the age of only 45 she was gone. "She had a pressure stroke", Jonardhan mama had told her. That day, after the flames in the pyre had extinguished, Deeksha went back to the house and sat all alone in the front porch. It was dark around her. An owl hooted at the distance. The eeriness in the surrounding resonated with the eeriness within her. She realized that her Pori mahi was gone for eternity and that the house had lost its keeper. A week later, she bade goodbye to her relatives. She looked at that lime-coloured house for the last time. She touched its walls as if trying to discern

their feeling. She went near the bougainvillea trees and was dazed by their bright pink foliage. She peeped towards the backyard. The lemon trees, the betel nut trees, the jackfruit trees, the starfruit trees, the *tengamora* creepers, all stood at exactly the same place that they were 20 years ago. Before she could find it hard to leave, she carried her bags and hurried to the airport.

**************

"We'll try to achieve the highest targets by sustainable approach in this fiscal year", someone's high-pitched voice came from the other end of the conference table. And then a cacophony of noises arose. The meeting was over. The people in the room were exiting while animatedly talking with each other. Deeksha slowly rose from her chair, her legs feeble and her head throbbing. She could not get a minutes sleep the night before. She barely managed to book a cab. She had stopped driving to work. The traffic signals, the narrow alleyways, the brightly illuminated stores made her vision blurry. She reached home, dumped her handbag at the centre table and slouched in to the sofa. A ghastly silence shrouded the house. Narzi had accompanied Nibir to one of his friend's birthday party and her mother-in-law was gone for her physiotherapy sessions chaperoned by Jyoti. Deeksha sat motionless; her eyes transfixed on the ceiling. She closed her eyes for a moment and felt the bulging sensation in her head. She imagined her head exploding and blood spattering everywhere. Her eyes opened and acclimatized with the surrounding. In a flash, small black objects appeared on the walls. She rubbed her eyes. The objects slowly transformed into figurines. 1, 2, 3, 4…. She counted. There were four black figurines on the wall in front of her. The hair on her body stood still. One of the figurines was that of a little girl dancing in joy because her Pori mahi had brought her favourite cotton candy from the nearby fair, the other figurine was a girl in her mid-twenties who was jumping in ecstasy because she got her first job, the other figurine was of a newly-wed girl dressed in a white mekhela saador with golden threadwork, the vermillion shining on her forehead and the last figurine was that of a woman with her newborn child in her arms. "They are shadows, shadows from my past", Deeksha deduced while the cloud in her mind slowly lifted. Suddenly, the shadows that had appeared to be happy began crying and wailing in pain and sorrow. The sound of their cries filled the desolate house. It shook her soul that she once thought had been lost. She started shivering. She felt a pang of pain in her chest as though it was stabbed with a thousand pieces of ice. Without realizing, big drops of tears rolled down from her eyes and to her cheeks and neck. The emotions that she had so long subdued came wading down like a river that had lost its path. Through the curtain of her tears, she saw the lime coloured house in Bongaigaon, its gate hidden by the giant bougainvillea trees, the smell of the *kordoi* and *tengamora* fruits in the backyard reaching her nose. The

ducklings that her father had brought for the weekly market paddled in the courtyard. The aroma of fish curry made by her mother came floating from the kitchen. And then there in the front porch sat Pori mahi, making her favourite lemon and mustard pickles. Deeksha's body sat there in the living room sofa of her 3 BHK flat in Bangalore but her soul was teleported to her childhood home in Bongaigaon. The ambiguity and restlessness that had engulfed her for so many days gave away to clarity.

She picked up her cellphone and speed dialed it. A few seconds later, Apurba's anxious voice came from the other end.

"Hi, you're back from the office? How are you feeling?", she waited for him to catch his breath. Probably, she was waiting for the tide to settle, the tide that had shattered the corners of her life. In the mirror of her mind floated an image, the image of her home in Bongaigaon.

**********

**হে নতুন! নমস্কাৰ**
**যুগে যুগে আহ তই**
**দেশে দেশে হাঁহ তই**
**ভোঁহাৰি-বিদাৰি-ফালি পুৰণি সংস্কাৰ**
**হে নতুন! নমস্কাৰ!**

**জ্যোতিপ্ৰসাদ আগৰৱালা**

# সপোনৰ উচুপনি

ড° নৰমী বৰা
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

ফাগুন বৰণ উদাস ছবিখনত
ৰামধেনুৰ উমাল পৰশ
গছকত উচুপি উঠা সৰাপাতবোৰ
বাঁহীৰ সুৰত তোলে সহস্ৰ লহৰ,
পদূলিত ফুলি উঠে এহেজাৰ এজাৰ,
কৃষ্ণচূড়াৰ তেজাল প্ৰভাত
